# নৰ্গছিয়ান

পঞ্চদশ সংখ্যা
২০০৩-২০০৪



সম্পাদক
কঙ্কন জ্যোতি তামুলী

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী

# নগ'চিয়ান

ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ
পঞ্চদশ সংখ্যা

ইং ২০০৩-২০০৪ বৰ্ষ

সম্পাদক
শ্ৰী কঙ্কনজ্যোতি তামুলী

## সম্পাদনা সমিতি

সভাপতি : হাচমত আলী, উপাধ্যক্ষ

শিক্ষক তত্বাবধায়ক : শ্ৰীযুত যতীন্দ্ৰ চৌধুৰী

শিক্ষক সদস্য : শ্ৰীযুত তপন শৰ্ম্মা

শ্ৰীযুতা বনিমা তালুকদাৰ

শ্ৰী তাৰিণী কান্ত হালৈ

শ্ৰীযুতা সুজাতা ডেউৰী

শ্ৰী ডেনিছ ৰাভা

ছাত্ৰ-ছাত্ৰী সদস্য : শ্ৰী চন্দন কাকতি (সাধাৰণ সম্পাদক)

শ্ৰী মৌচম কাকতি (উপঃ সভাপতি)

শ্ৰী মৃদুল বৈশ্য (সহঃ সাধাৰণ সম্পাদক)

শ্ৰী নৱজ্যোতি ভট্টাচাৰ্য্য

শ্ৰী ধীৰাজ জ্যোতি শৰ্মা

সম্পাদক : শ্ৰী কঙ্কনজ্যোতি তামুলী

বেটুপাত : শ্ৰী নিৰুপম দাস





Ph : 0361-2570412(O)
2570408 (R)
Fax : 0361-2570133
E-mail : gntalukdar@yahoo.com

***G. N. Talukdar,*** M.Sc., D.Phil
***Vice-Chancellor***

**GAUHATI UNIVERSITY**
Gopinath Bardoloi Nagar
Guwahati - 781 014
Assam : India

## *MESSAGE*

*It gives me immense pleasure to know that North Gauhati College is going to publish the 15th issue of its Journal "**Nagaucian**" shortly. A Journal is like a mirror through which the aims and objectives of an organization is reflected. I hope, the writers of this Journal will endeavour to focus on the academic activities of the North Gauhati College which will encourage the upcoming students.*

*I take the opportunity to convey my best wishes to the members of the Organizing Committee, students and all concerned.*

**(G. N. Talukdar)**

**Date : 19.10.2005**



# যতীন চন্দ্ৰ দাসৰ সোঁৱৰণত

*টিকেন্দ্ৰজিৎ শৰ্মা*
*প্ৰবক্তা, নৃতত্ব বিভাগ*

১৬ জানুৱাৰী, ২০০৫। ৰাতি প্ৰায় ৮ বাজি ২০ মিনিটত ফোনটো বাজি উঠিল। কাণত ৰিচিভাৰটো লগাই লৈ "হেল্ল" বুলি কোৱাত নাৰী কণ্ঠস্বৰত শুনা গ'ল " ভাগ্যে তোমাক পালো। সন্ধ্যা, হৃপেশ, যতীন, প্ৰভাত সকলোলৈ ফোন কৰিলো- কাকো নাপালো। তোমাকো নাপাম বুলিয়েই ভাবিছিলো", মীৰা বাইদেউৰ কণ্ঠস্বৰ। পুনৰ ক'লে-"টিকেন এটা বেয়া খবৰ আছে।" মোৰ মাত সৰু হৈ গ'ল-গহীন ভাবেই ক'লো " কওঁকছোন বাইদেউ, "কি হ'ল?" আমাৰ যতীন ঢুকাল নহয়- আজি ৰাতিপূৱা - মই গমেই নাপাও জানা তাৰ যে অসুখ হৈছিল?"

যতীন - মানে যতীন চন্দ্ৰ দাস। আমাৰ মহাবিদ্যালয়ৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী। একালৰ মোৰ সহপাঠী। আউনী-আটী কমলদেৱ ইনষ্টিটিউচনত (বৰ্তমান আউনী-আটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়) কেইটিমান বছৰ একেলগে পঢ়িছিলো। কিন্তু পঢ়া শুনাত আশানুৰূপ ফল নোপোৱাত অষ্টম শ্ৰেণীতে যতীনে পঢ়া সামৰণি মাৰে। আৰু ১৯৭০ চনত স্থানীয় উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত চতুৰ্থবৰ্গৰ কৰ্মচাৰী হিচাবে কৰ্মজীৱনৰ পাতনি মেলে।

মীৰা বাইদেৱে কোৱাৰ দৰে মহাবিদ্যালয়খনৰ প্ৰায়বোৰ শিক্ষক-কৰ্মচাৰীয়েই যতীনক "আমাৰ" বুলিয়েই কৈছিল, কিয়নো যতীন আছিল প্ৰতিজন শিক্ষক-কৰ্মচাৰীৰে অতি মৰমৰ আৰু অতি বিশ্বাসযোগ্য। প্ৰতিজন ব্যক্তিৰ মৰম বুটলিবলৈ যতীন সক্ষম হৈছিল একমাত্ৰ মহাবিদ্যালয়খন তথা নিজ কৰ্ত্তব্যৰ প্ৰতি থকা দায়বদ্ধতা আৰু সততাৰ বাবে। কৰ্ত্তব্যবোধ আৰু কৰ্মনিষ্ঠা আছিল যতীনৰ বিশেষ গুণ। মহাবিদ্যালয়খনৰ কাৰ্য্যালয়টোত ক'ত কি আছে যতীনৰ মুখস্থ। যতীন নহ'লে বস্তুবোৰ বিছাৰি পোৱা অতি কষ্টসাধ্য। সেয়ে প্ৰতিটো দায়িত্বপূৰ্ণ কামৰ বাবেই প্ৰথমেই বিছৰা হৈছিল যতীনক। যাৰফলত যতীন আছিল মহাবিদ্যালয়খনৰ বাবে অবিচ্ছেদ্য অংগ।

কাৰ্য্যালয়ৰ গোপনীয়তা ৰক্ষা কৰাত যতীন আছিল অতি পাকৈত কাৰণ স্বল্পভাষিতা আছিল যতীনৰ আন এক গুণ। পৰীক্ষা সম্পৰ্কীয় কামকাজত সেয়ে যতীনৰ স্থান আছিল নিগাজী। আনকি প্ৰশ্নকাকতসমূহো ফটোষ্টেট কৰিবলৈ দিয়া হৈছিল যতীনক। তাৰবাবে যতীনক ফটোষ্টেট মেচিন চলাবলৈকো শিকাই লোৱা হৈছিল।

যতীন চন্দ্ৰ দাসৰ জন্ম হৈছিল ১৯৫২ চনত উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰ অঞ্চলত। তেওঁৰ পিতৃ আছিল স্বৰ্গীয় কামিনী দাস আৰু মাতৃ শ্ৰীমতী গোলাপী দাস। আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা সাং কৰি যতীন চন্দ্ৰ দাসে আউনী আটী কমলদেৱৰ ইন্‌ষ্টিটিউচনত চতুৰ্থ শ্ৰেণীত নামভৰ্ত্তি কৰে। পিচে বিভিন্ন কাৰণত অষ্টম শ্ৰেণীতে শিক্ষাৰ সমাপ্তি ঘটায় ১৯৬৯ চনত। তাৰ পিচতেই ১৯৭০ চনত মাত্ৰ ৫০ টকা বেতনৰ বিনিময়ত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাবে কৰ্মজীৱন আৰম্ভ কৰে। অৱশ্যে ১৯৭৩ চনৰ পৰা চাকৰি নিয়মীয়া হয় আৰু চৰকাৰী হাৰত বেতন পাবলৈ ধৰে। ১৯৮৪ চনত কুৰুৱাৰ শ্ৰীমাধবী দাসৰ লগত বিবাহ-পাশত আবদ্ধ হৈ পিচলৈ যতীনে পিতৃভেটি এৰি মহাবিদ্যালয়ৰ নিচেই কাষৰ মধুপুৰত নিজ বাসগৃহ তৈয়াৰ কৰি সংসাৰৰ পাতনি মেলে। ডেৰ কুৰিৰো অধিক বছৰ নিষ্ঠা সহকাৰে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াই হঠাৎ এসপ্তাহৰ বাবে ৰুগীয়াপাটিত পৰি, যোৱা ১৬ জানুৱাৰীৰ দিনা নিচেই পুৱাতে শেষ নিশ্বাস ত্যাগ কৰে। যদিও কোনো কাৰো বাবে অবিচ্ছেদ্য নহয় তথাপি যতীনৰ অকাল মৃত্যু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ বাবে নিশ্চয় এক অপূৰণীয় ক্ষতি। মৃত্যুৰ সময়ত যতীন চন্দ্ৰ দাসে সহধৰ্মিনী মাধবী দাসৰ লগতে দুটি পুত্ৰ আৰু এটি কন্যা সন্তান এৰি থৈ যায়।

যতীনৰ মৃত্যুৰ বাতৰি পাই এজন বন্ধুৱে হুমুনিয়াহ কাঢ়ি কৈছিল "কৰ্তব্যৰত কলেজ কৰ্মচাৰী ঢুকালে বৰ দুখ লাগে।"

কিয়? অকল কলেজ কৰ্মচাৰী ঢুকালেহে কিয় দুখ লাগে?

থতমত খাই বন্ধুজনে উত্তৰ দিলে " নহয়, আপোনালোকৰটো পেঞ্চনাদি একো নাই, গ্ৰেচুইটিও সামান্যহে। সেয়ে কৰ্মচাৰীজনৰ মৃত্যু মানে পৰিয়ালটোৰো আহুকাল।"

মনতে ভাবিলো বন্ধুজনৰ নিচিনাকৈ দিশপুৰৰ বৰমূৰীয়াসকলোৰো যদি সুমতি হ'লহেতেন!!

যতীনৰ আত্মাই চিৰশান্তি লভক।




**HASMAT ALI**
**PRINCIPAL IN-CHARGE ( 01-12-03 TO 15-09-04)**




**DR. SARBANANDA DAS**
**PRESENT PRINCIPAL OF NORTH GAUHATI COLLEGE**





# সম্পাদকীয়



আত্মাহুতি
সম্পাদকীয় লিখনিৰ প্ৰাৰম্ভণিতে আত্মবলিদানেৰে যি সকলে স্বদেশ তথা স্বজাতিৰ হকে আত্মাহুতি দিছে সেই সকলবীৰ শ্বহীদলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধা নিবেদিছোঁ লগতে তেওঁলোকৰ বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। এই হেগাতে মই সেই সকল প্ৰাতঃস্মৰণীয় মহা মনিষীলৈ নিবেদিছোঁ মোৰ অশ্ৰুসিক্ত অঞ্জলি তথা গভীৰ শ্ৰদ্ধা যিসকলে নিজৰ আশাশুধীয়া প্ৰচেষ্টাৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ক এক জ্ঞানাৰ্জনৰ পুণ্যতীৰ্থ ৰূপে প্ৰতিষ্ঠিত কৰিলে। লগতে যিসকলৰ স্বাৰ্থশূন্য তথা আন্তৰিকতাপূৰ্ণ সহায় সহযোগিতাত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ২০০৩-২০০৪ বৰ্ষৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰি দায়িত্ব পালনৰ সুযোগ দিলে সেইবিলাক ছাত্ৰ-ছাত্ৰী লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মনত বান্ধি লৈছিলো ছাত্ৰ-ছাত্ৰীক সাহিত্য বিষয়ত উৎসাহিত কৰাম বুলি। সেই মনোভাৱ লৈ সাধ্যানুসাৰে চেষ্টা কৰিছিলো। কিন্তু আমি কিমান সফলতাৰে দায়িত্ব পালন কৰিব পাৰিলো বা নোৱাৰিলো তাৰ বিচাৰ আপোনালোকৰ হাতত অৰ্পণ কৰিলো।

মহাবিদ্যালয়ৰ আলোচনী "নগ'চিয়ান"খন উচ্চ মানদণ্ডেৰে প্ৰকাশ কৰি সাহিত্য অনুৰাগী ছাত্ৰ-ছাত্ৰীৰ লিখনি সমূহৰ বিকাশ ঘটাই নতুন তৰুপৰ দেখুৱাটোৱেই আছিল আমাৰ মূল লক্ষ্য। যিবোৰ কথাত মানুহে মূল্য দিয়ে; যিবোৰ গুণ বা কৌশল যত্নৰে আয়ত্ব কৰে, যিবোৰ কীৰ্তিৰ বাবে গৌৰৱ অনুভৱ কৰে সেইবোৰ সমাজবদ্ধ মানুহৰ সৃষ্টি। সভ্য মানুহৰ বাবে সাহিত্যও তেনে এবিধ মানৱীয় সৃষ্টি।

কেবল লেখকে সাহিত্য গঢ়ি নোতোলে। লেখক আৰু পাঠকৰ ঘনিষ্ঠ সম্পৰ্কতহে সাহিত্যই জীৱন পায়। পাঠকে কেৱল সাহিত্যত ৰস উপভোগ নকৰে, তাৰ বিষয়ে আলোচনা কৰিও আনন্দ পায়। অৰ্থাৎ সাহিত্য সৃষ্টি আৰু সাহিত্য অধ্যয়ন এই দুয়ো ক্ষেত্ৰতে সামাজিক আদান-প্ৰদান অতি গুৰুত্বপূৰ্ণ। এখন সমাজত যিমান বেলেগ বেলেগ ধৰণৰ মতামত, দৃষ্টিভংগী আৰু প্ৰবৃত্তিৰ মানুহ থাকে, সেইখন সমাজৰ ব্যক্তিও সিমানে সজাগ আৰু সতেজ হয়। তাৰ সাহিত্যও তেনে বিচিত্ৰ আৰু সমৃদ্ধ হয়।

সাহিত্য সমাজৰ দাপোণ স্বৰূপ। সমাজৰ বিভিন্ন ক্ৰীড়া প্ৰতিক্ৰিয়া, আচাৰ, অনুষ্ঠান, ভাৱ অনুভূতি আদি সাহিত্যৰ বিষয়। যুদ্ধ, বিগ্ৰহ, প্ৰেম-প্ৰণয়, জন্ম-মৃত্যু, আশা-নিৰাশা, সপোনৰ মোহ আৰু দিঠকৰ

পৰীক্ষা সৃষ্টিৰ আনন্দ আৰু সন্যাসৰ বৈৰাগ্য এই সকলোবোৰেই সাহিত্যৰ সমল।

কিতাপ এখন যিড়িকি যিখনেদি এজন মানুহে সমগ্ৰ পৃথিৱীখন চাব পাৰে। কিতাপ হল জ্ঞানৰ মহান ভাণ্ডাৰ। এজন ব্যক্তিৰ বিপদৰ বন্ধু হৈছে কিতাপ। ঠিক তেনেদৰে মহাবিদ্যালয়ৰ আলোচনী এখনে পঢ়ুৱৈ সমাজক সকলো দিশৰ বিষয়ে সম্যক জ্ঞান দিয়াৰ উপৰিও মহাবিদ্যালয় এখনৰ লেখক লেখিকাৰ সুপ্ত জ্ঞান প্ৰকাশ কৰাৰ প্ৰধান পথ। লিখক লিখিকাই লিখনিত সাহসেৰে মন বান্ধি মনত সুপ্ত হৈ থকা ভাৱবোধ লিখি প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিব পাৰে। "Reading maketh a fullman" স্বনামধন্য ইংৰাজী লেখক বেকনে কৈছিল, পঢ়াৰ অভ্যাসে লিখনিৰ সৃষ্টি কৰে আৰু তাৰ ফলত জন্ম হয় একো একোজন শিক্ষিত, বুদ্ধিজীৱি বা একোজন পূৰ্ণাংগ মানুহ। গতিকে আমাৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীক এই দুয়োটা দিশত অলপ হলেও সহায় কৰিব বুলি আশা কৰিছো।

যিসকল ছাত্ৰ-ছাত্ৰীৰ গল্প, প্ৰবন্ধ কবিতা আদি উচ্চ মানদণ্ডৰ নোহোৱাৰ বাবে আলোচনীত প্ৰকাশ কৰিব পৰা নগল তেওঁলোক মোৰ এটা বিশেষ অনুৰোধ যে তেওঁলোকে হতাশ নহৈ ভৱিষ্যতৰ নগ চিয়ানলৈ উচ্চ মানদণ্ডৰ লিখনি লিখাৰ প্ৰয়াস কৰে যেন।

কৃতজ্ঞতা স্বীকাৰ : নগ চিয়ানখন' প্ৰকাশ কৰাৰ ক্ষেত্ৰত অবিহণা যোগোৱা সমূহ লেখক লেখিকালৈ মোৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা নিবেদিছো। ইয়াৰ উপৰিও 'নগ চিয়ানখন' প্ৰকাশ কৰাত বিভিন্ন দিহা পৰামৰ্শ তথা সকলো কালৰ পৰা সহায় কৰা অধ্যাপক অধ্যাপিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু 'নগ চিয়ানখন' প্ৰকাশ কৰাত মোক সহায় সহযোগিতা কৰা বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

বিশেষ কৃতজ্ঞতা : " আলোচনী ওলাবনে বা আলোচনী কেতিয়া ওলাব" বুলি বাটে ঘাটে আমাক সুধি সুধি ব্যতিব্যস্ত কৰা সেইসকল সচেতন ছাত্ৰ-ছাত্ৰীলৈ।

সদৌ শেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ ওচৰত অজানিতে কৰা ভুল ত্ৰুটী সমূহৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনাৰে সামৰিলো।

"জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়"

"জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা"

ধন্যবাদেৰে-

কঙ্কণজ্যোতি তামুলী
আলোচনী সম্পাদক





# সূচীপত্ৰ

## চিন্তাশিল্প


- বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ ভৱিষ্যত / অজিত ডেকা ৯
- ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি প্ৰীতি / শিখা কাকতি ১২
- ধৰ্মনিৰপেক্ষতাৰ আন এটা অৰ্থ সমভাৱ আৰু মানব প্ৰেম / সংগীতা বেজবৰুৱা ১৫
- অশ্বক্লান্ত দেৱালয়ত এভুমুকি / অনামিকা বড়া ১৭
- অসমৰ অব্যবহৃত মানব সম্পদ আৰু প্ৰচলিত শিক্ষা ব্যৱস্থা / উৎপল ৰঞ্জন মেধি ১৯
- আইনষ্টাইনৰ আপেক্ষিকতাবাদ / দেবজিৎ দাস ২২
- স্বাধীনোত্তৰ কালত অসমৰ স্ত্ৰী শিক্ষা / জোনমণি ভৰালী ২৩
- প্ৰকৃতি আৰু মানৱ / প্ৰাঞ্জল কাকতি ২৫
- প্ৰেমেই সেৱা আৰু সেৱাই শান্তি / ময়ুৰী বৰুৱা ২৭
- কালজয়ী শিল্পী মাইকেল এঞ্জেলো / ভাৰতী দাস ২৯
- যুক্তিশক্তি জাগ্ৰত ৰূপ প্ৰদানৰ লক্ষ্যৰে / নৱজিত বড়া ৩১
- ডাইনোচৰ / ৰাজেশ চেতীয়া ৩২
- যৌৱনৰ পিচল বাটত বিশেষকৈ আমাৰ ক্ষেত্ৰত / প্ৰাঞ্জল বৰুৱা ৩৩


## কথাশিল্প


- এটি চৰিত্ৰৰ সৈতে একাত্মতা / বনিমা তালুকদাৰ ৩৪
- শেষ উপহাৰ / চন্দনা বড়ো ৩৬
- জীৱন / হিমাক্ষী ডেকা ৩৭
- দুঃস্বপ্ন / লক্ষী দাস ৩৮
- মা / ৰিমঝিম গোস্বামী ৩৯
- প্ৰেম / ৰাজীৱ দেউৰী ৪০
- কথাত কটা যায় কথাত বঁটা পায় / জোনালী কলিতা ৪৪
- 'নাক'ৰ পৰিদৰ্শনৰ প্ৰস্তুতি ঃ এটি টোকা/হাচমত আলী ৪৫


## কবি শিল্প


- ফুলৰ কুকী আৰু উদ্ভিদ / নলিন চন্দ্ৰ বৰা ৪৮
- স্বাধীনতা এই পথেৰে বহুদূৰ / গোবিন্দ দাস ৪৯
- বেদনা / নিপু দাস ৪৯
- মাইনাছ পইণ্ট / মিতাছা বৰুৱা ৫০

- শিশুৰ সংগ্ৰাম / নিলাক্ষী শৰ্মা ৫০
- জীৱন / আদিত্য ভূএগ্ৰা ৫১
- নিষ্ঠুৰ হৃদয় / পংকজ নাথ ৫১
- কম্পিউটাৰ / নিপামণি শইকীয়া ৫১
- মানৱতাৰ সন্ধানত / চিন্তু শৰ্মা ৫২
- কামনা / টিংকু বৰ্মন ৫২
- এটি দুখে ভৰা আবেলিত / কঙ্কনজ্যোতি তামুলী ৫৩
- আত্মজাহ / নয়ন বৰগোহাই ৫৩
- মোৰ জীৱন / জুলি বৰুৱা ৫৩
- বিষাদ / কৰবী ডেকা ৫৪
- পৰীক্ষা / ৰূপাঙ্কৰ দাস ৫৪
- জীৱন মধুৰ মধুৰ হ'ল / ময়ূৰী বৰুৱা ৫৫
- আহ্বান / হিমাক্ষী চৌধুৰী ৫৫
- সেই পুৰণি আলিটো / গিৰীণ নাথ ৫৬
- দুচকুত তোমাৰ অযুত স্বপ্ন / ধীৰাজ কাকতি ৫৬
- ধেমাজিত বোমা বিস্ফোৰণ / ধনবৰ কলিতা ৫৭
- তুমি কোন ? / সুদেষ্ণা চৌধুৰী ৫৮
- মোৰ জীৱনৰ জয়গান / পাপৰী বৰগোহাই ৫৮
- সংকল্প / হিমাক্ষী ডেকা ৫৯
- মোৰ প্ৰেমৰ চকুলো / প্ৰণিতা শইকীয়া ৬০
- ধুমুহা / পিংকী দাস ৬০

**English Section**

- Teaching
  A Profession of my choice / Dr. Sarbananda Das
- Relevance of Gandhi / Anupam Thakuria 61
- Library Automation / Ramakanta Baruah 62
- NAAC / Hasmat Ali 64
- The Computer / Digbijoy Hazarika 66
- Do you Know ? / Rajib Dewry 70
- Tomorrow is a new Day / Aditya Bhuyan 71

বিভাগীয় সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদন 72






চিন্তাশিল্প

# বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ ভৱিষ্যত

*অজিত চন্দ্ৰ ডেকা*
*বুৰঞ্জী বিভাগ*

তেওঁলোকৰ চন তাৰিখৰ তালিকা নহয়।
বুৰঞ্জী কেৱল অততীৰ যুদ্ধ-বিগ্ৰহ, কটা-মৰা বা ৰজা মহাৰজা আৰু নাইবা পৰম্পৰাগতভাবে কৈ অহা ই "মুৰ্খৰ ভড়ালও নহয়। (বুৰঞ্জী-বু-মুৰ্খ-'ৰণ' জনোৱা জী-ভড়াল। অৰ্থাৎ নজনা কথা জনোৱা বা জনাৰ ভঁড়াল)। বুৰঞ্জী হৈছে অতীত বিশ্লেষণৰ যোগে ভৱিষ্যতলৈ দৃষ্টিপাত, ভৱিষ্য দৰ্শন আৰু কৰ্মপন্থা নিৰ্দ্ধাৰণৰ অপৰিহাৰ্য্য উপায়। নিজৰ অঞ্চল বা দেশৰ ইতিহাসৰ প্ৰাথমিক জ্ঞান অবিহনে এজন পূৰ্ণ মানুহ হোৱাটো প্ৰায় অসম্ভৱ। নিজৰ পূৰ্ব-পুৰুষ সকলে কোন বাটে খোজ দিছিল তাক যদি সঠিকভাৱে জনা নাযায়, তেতিয়াহলে বৰ্ত্তমান পুৰুষৰ খোজ থৰক-বৰক হোৱাৰ সম্ভাৱনা অধিক। বৰ্ত্তমান অতীতৰ সৰলৰৈখিক প্ৰতিফলন নহয় যদিও, বৰ্ত্তমানক অতীতে ই বাট দেখুৱায়। অতীতৰ ঘটনাৰাজিৰ বিশ্লেষণে বৰ্ত্তমানক মহীয়ান কৰি তোলে। সেয়ে বৰ্ত্তমানৰ প্ৰয়োজনত অতীতক জুকিয়াই চোৱাটো অতি প্ৰয়োজন। অতীতৰ শিক্ষাৰ ভেটিত বৰ্ত্তমানক নিৰ্মোহভাবে বিচাৰ-বিশ্লেষণ কৰি সত্য অন্বেষণৰ প্ৰয়াসকে ইতিহাস চেতনা বোলে। ইতিহাস চেতনাই ব্যক্তিৰ দেশপ্ৰেম গভীৰ কৰি তোলে। নিজ অঞ্চল বা দেশৰ ঐতিহাসিক জ্ঞান হৈছে নিজৰ ভৰিৰ তলৰ মাটি, ভৰিৰ খোপনি। এই জ্ঞান বা ধাৰণা অবিহনে কোনো লোকেই নিজকে জাতীয় গৌৰৱবোধ, মৰ্যদাবোধ আৰু আত্মসন্মানবোধ থকা ব্যক্তি বুলি ভাবিব নোৱাৰে। ইয়াৰ বিপৰীতে যি জাতিৰ বা অঞ্চলৰ ইতিহাস চেতনা তীব্ৰ সেই ঠাই বা জাতিৰ বিকাশৰ গতিওঁ হয় অতি তীব্ৰ। ইয়াৰ মাজত বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়। অতীতৰ বস্তুনিষ্ঠ অধ্যয়নৰ পৰা লোৱা শিক্ষাই নতুনকৈ উঠি অহা নেতৃত্বই কি কৰা উচিত আৰু কি কৰা অনুচিত তাৰ সঠিক সংকেত দিয়ে। নতুন নেতৃত্বই এই শিক্ষা লব নে নলয় সি সম্পূৰ্ণ নিৰ্ভৰ কৰে সেই নেতৃত্বৰ ঐতিহাসিক জ্ঞানৰ বস্তুনিষ্ঠ আহৰণ আৰু ক্ষুদ্ৰ ব্যক্তিগত বা গোষ্ঠীগত স্বাৰ্থক পৰিহাৰ কৰি বৃহৎ জাতীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ ওপৰত। অতীত সম্পৰ্কে সচেতন হবলৈ হলে ইতিহাস অধ্যয়ন অপৰিহাৰ্য বুলি বিবেচনা কৰা হয়।

অতীত ঘটনাৰ বিশ্লেষণৰ জৰিয়তে সেই ঘটনাৰ আলমত ভৱিষ্যতে হ'ব পৰা বিপদৰপৰা ৰক্ষা পাব পাৰি। উদাহৰণ হিচাপে প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ ঘটনা প্ৰৱাহকে লব পাৰি। এই দুয়োখন বিশ্বযুদ্ধ সংঘটিত হোৱা কাৰকবোৰৰ বিশ্লেষণৰ যোগেদি আমি তৃতীয় বিশ্বযুদ্ধৰ সাম্ভাব্য বিপদৰ আগতীয়া সংকেত পাব পাৰো। আগৰ বিশ্বযুদ্ধ দুখনৰ অভিজ্ঞতাই যিহেতু ইতিহাসক এইবোৰৰ ভয়াবহতা সম্পৰ্কে সকীয়াই গৈছে, সেয়েহে তৃতীয় বিশ্বযুদ্ধৰ সূচনা হলে কি দুৰ্য্যোগৰ সৃষ্টি হব পাৰে তাক আমি এই অধ্যয়নৰ মাজেৰে আগতীয়াকৈ গম পাব পাৰো। এনে সাম্ভাব্য প্ৰলয়ংকাৰী দুৰ্য্যোগৰ পৰা হাত সাৰিবলৈ আগতীয়া সাৱধানতা লব পাৰি। ইতিহাস অধ্যয়নৰ গুৰুত্বও এইখিনিতে।

যে নানা ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ফলত
কাৰণবোৰ যিয়েই নহওঁক, আজি এইটো দিনৰ পোহৰৰ দৰে স্পষ্ট আজি অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত স্থবিৰতা আহি পৰিছে। গতানুগতিক জীৱন যাপনৰ দিশত স্থবিৰতা আহি পৰিছে। নিৰীহজনৰ জীৱনলৈ নামি আহিছে নানা দুৰ্যোগ আৰু অন্ধকাৰ। ৰাজ্যখনৰ প্ৰগতিৰ দিশতো স্থবিৰতা আহি পৰিছে। তথাপিও আমি এই সকলো বিপৰ্য্যয়ৰ কাৰণে সন্ত্ৰাসবাদী সকল বা তেওঁলোকৰ কাৰ্যকলাপক একে আষাৰে দোষী কৰিব নোৱাৰো। কাৰণ এই সন্ত্ৰাসবাদী কাৰ্যকলাপবোৰ লক্ষণহে, কাৰক নহয়। ইয়াৰ কাৰণ নিহিত হৈ আছে অতীত ঘটনাৱলীত। সেয়ে এনে অস্থিৰ পৰিবেশ আৰু পৰিস্থিতিৰ উপশম ঘটাবলৈ দমনমূলক ব্যৱস্থা গ্ৰহণ কৰিলে সমস্যাৰ সমাধান নহব। পৰিস্থিতি অধিক জটিলতাৰ পিনে গতি কৰিব। সমস্যা সমাধানৰ কাৰণে মূল সমস্যা সৃষ্টিকাৰী অতীত

ঘটনাৱলীৰ নিৰ্মোহ অধ্যয়ন আৰু বিশ্লেষণৰ প্ৰয়োজন। পৰিস্থিতি উদ্ভাৱনৰ কাৰণবোৰ আঁতৰ নকৰি মাথোন বল প্ৰয়োগ কৰি তাক নিয়ন্ত্ৰণৰ বৃথা চেষ্টা কৰিলে পৰিস্থিতি যে অধিক ভয়ংকৰ হৈ উঠে, তাৰ শিক্ষাও ইতিহাস অধ্যয়নৰ পৰা লব পাৰি। আনহাতেদি সন্ত্ৰাসবাদ যে কেতিয়াও গণ আন্দোলনলৈ ৰূপান্তৰিত নহয় আৰু সন্ত্ৰাসবাদীয়ে সন্ত্ৰাসবাদ পৰিত্যাগ কৰি গণ আন্দোলনৰ পথ নললে যে তাৰ অনিবাৰ্য্য পৰিণাম এটা সময়ত গণ বিচ্ছিন্নতা হয়গৈ তাৰ শিক্ষাও ইতিহাসৰ পৰাই লব পাৰি। থোৰতে বুজিবলৈ হলে ইতিহাসৰ বস্তুনিষ্ঠ জ্ঞান অবিহনে বৰ্ত্তমানক বস্তু নিষ্ঠভাৱে বুজা সম্ভৱ নহয়।

ইতিহাস অধ্যয়নৰ জৰিয়তে আমি পূৰ্বপুৰুষ সকলৰ চানেকী আৰু অভিজ্ঞতাবোৰ গ্ৰহণ কৰি জীৱণ মহৎ কৰিব পাৰো। ইতিহাস হ'ল আমাৰ পূৰ্বপুৰুষসকলৰ জীৱনৰ অভিজ্ঞতাৰ সাৰ সংকলন। অভিজ্ঞতা অবিহনে কোনো কামেই নিয়াৰিকৈ কৰিব পৰা নাযায়। অভিজ্ঞতা সদায় অতীতত নিহিত হৈ থাকে। এই সাৰ সংকলনৰ অধ্যয়নে এফালেদি যেনেকৈ আমাক দুৰ্ল্লভ অভিজ্ঞতাৰ সৈতে চিনাকী কৰি দিয়ে ঠিক তেনেকৈ দিয়ে আমাক বিৰল প্ৰেৰণা। সেয়েহে ইতিহাসক "জ্ঞানৰ অফুৰন্ত ভড়াল" বুলি কোৱা হয়। ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ইয়ো এটি বিশেষ দিশ।

বৰ্ত্তমান সময়ৰ নতুন প্ৰজন্মৰ মাজত জাতীয়তাবোধ আৰু দেশ প্ৰেমৰ অভাব বুলি সততে শুনা যায়। নিজৰ জাতি বা দেশ প্ৰেমৰ দ্বাৰা অনুপ্ৰাণীত হৈ দেশ বা দহৰ হকে চিন্তা কৰাৰ বিপৰীতে আত্মকেন্দ্ৰিক প্ৰৱণতাৰ দ্বাৰা আকৃষ্ট হোৱা বুলিও সংবাদ মাধ্যমৰ দ্বাৰা সমালোচিত হোৱা দেখা যায়। ঐতিহাসিক জ্ঞান আৰু ইয়াৰ অধ্যয়নৰ অভাৱৰ বাবেই এনে হোৱা বুলি অনুমান কৰিব লাগিব। ইতিহাসৰ বস্তুনিষ্ঠ অধ্যয়নেহে মানুহৰ মনত স্বদেশপ্ৰেম আৰু জাতীয়তাবোধৰ ভাৱ জগাই তুলিব পাৰে। সেয়েহে অসমৰ নতুন প্ৰজন্মই অসমৰ গৌৰবোজ্জল ইতিহাসৰ প্ৰতিটো ঘটনাৰ লগত জড়িত বীৰ বীৰাঙ্গনা আৰু মহান পুৰুষ সকলৰ জীৱন চানেকী অধ্যয়ন কৰিলে তেওঁলোক নিজে উপকৃত হ'ব আৰু দেশ আৰু দহৰ মঙ্গল সাধন কৰাৰ অনুপ্ৰেৰণা লাভ কৰিব বুলি আশা কৰিব পাৰি।

ইতিহাস অধ্যয়নে আমাক সদায় সত্যৰ সন্ধান দিয়ে। সত্য ঘটনাৰ অধ্যয়নে মনৰ দৃঢ়তা বঢ়ায়। ইয়াত কোনো পক্ষপাতিত্বৰ প্ৰশ্ন নাহে। এটা সময়ত যিটো ঘটিছিল, সেই কালৰ কোনো গৱেষক বা বুৰঞ্জীবিদে সেই ঘটনাটোক নঘটা বা নঘটাটোক ঘটা বুলি প্ৰমাণ কৰিব নোৱাৰে। মাত্ৰ নিজ দৃষ্টিভংগী অনুসৰি ঘটনাসমূহৰ ব্যাখ্যা বেলেগে বেলেগে আগবঢ়াব পাৰে। এই ক্ষেত্ৰত দুটা উদহাৰণ লৈ লক্ষ্য কৰা যাওঁক। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহক কিছুমানে ভাৰতৰ প্ৰথম স্বাধীনতা আন্দোলন বুলি অভিহিত কৰিছে। আনহাতে ইয়াৰ বিপৰীত অৱস্থান গ্ৰহণ কৰি আন এচাম ঐতিহাসিকে একেটা বিদ্ৰোহক কিছুমান ৰজা-জমিদাৰ আৰু অভিজাতলোকৰ স্বাৰ্থ পূৰণৰ বাবে কৰা বিদ্ৰোহ বুলি কব খোজে। ঠিক তেনেদৰে বিগত বিদেশী বিতাড়ণৰ বাবে আৰম্ভ হোৱা ঐতিহাসিক অসম আন্দোলনক এচামে যেনেকৈ অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ শেষ সংগ্ৰাম হিচাপে আখ্যা দিছিল; আন এচামে আকৌ এই আন্দোলনৰ লগত জড়িত নেতাসকলে জাত্যাভিমানেৰে গঢ়ি তোলা নিজ আভিজাত্য ৰক্ষাৰ শেষ যুদ্ধ বুলিও একেটা আন্দোলনৰে সমালোচকসকলে সমালোচনা আগবঢ়াইছে। পিছে ব্যাখ্যা হওঁতে যিয়েই নহওঁক, সত্য পিছে সত্যই। ইতিহাস ৰচনাৰ ক্ষেত্ৰত ব্যাখ্যা যিমানেই সত্যৰ ওচৰ চাপে, সি সিমানেই বস্তুনিষ্ঠ হয়, সামাজিক মূল্য বাঢ়ে আৰু আমাৰ মনৰ ধাৰণা বাস্তৱমুখী হয়।

**ভৱিষ্যত ঃ** বুৰঞ্জী অধ্যয়ন আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে থুল-মুল ভাবে আলোচনা কৰা হল যদিও বৰ্ত্তমান স্কুল আৰু মহাবিদ্যালয় পৰ্য্যায়ত এই বিষয়টোৰ দুৰ্বল স্থিতি লৈ লক্ষ্য কৰিলে ইয়াৰ ভৱিষ্যত সম্পৰ্কে মনত সংশয় ওপজে। ইয়াৰ মূলত হ'ল চৰকাৰ তথা 'চেবা'ৰ অদুৰদৰ্শী নীতিৰ ফলত হাইস্কুল পৰ্যায়ত বুৰঞ্জী বিষয়টোৱে প্ৰকৃত মৰ্যদাৰ পৰা বঞ্চিত হৈ আহিছে। কাৰণ কিছু বছৰ আগৰে পৰা এই বিষয়টো বাধ্যতামূলক বিষয়ৰ পৰিৱৰ্ত্তে ঐচ্ছিক বিষয় হিচাপে হাইস্কুল পৰ্যায়ৰ পাঠ্যক্ৰমত সন্নিবিষ্ট কৰা হৈছে। শিক্ষা বিভাগৰ এনে টোগলকী ব্যৱস্থাৰ ফলত অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ অহা বিষয়টোৰ গুৰুত্ব লঘু





হৈ পৰিছে। সমাজে অধ্যয়ন নামৰ 'খিচিৰি' বিষয়টোত বুৰঞ্জীৰ দুই এটা অধ্যায় থাপ মাৰি সন্নিবিষ্ট কৰা হৈছে। এনে পাঠ্যক্ৰমৰ
জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক বুৰঞ্জীৰ কি জ্ঞান দিবলৈ বিচৰা হৈছে সেয়া আমাৰ বাবে বুজাটো কঠিন হৈ পৰিছে।
বৃহত্তৰ উত্তৰ গুৱাহাটী অঞ্চল ইতিহাস প্ৰসিদ্ধ হোৱাৰ লগতে ইতিহাস সমলেৰে পৰিপূৰ্ণ ঠাই এই অঞ্চলৰ প্ৰতিটো
খোজৰ তলিত ইতিহাসৰ চিন আৰু উৎস নিহিত হৈ থকা বুলি অনুমান কৰিব পাৰি। বিভিন্ন মঠ-মন্দিৰ আৰু তীৰ্থস্থানে সমগ্ৰ
উত্তৰ গুৱাহাটীক এখনি তীৰ্থত পৰিণত কৰিছে। ১২০৬ খৃঃৰ ইৱনবখ্‌তিয়াৰ খিলিজিৰ প্ৰথম কামৰূপ আক্ৰমণৰ পৰা আৰম্ভ
কৰি আহোম বংশৰ শ্ৰেষ্ঠৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহই এই উত্তৰ গুৱাহাটীত বাহৰ পাতি বংগ অভিযানৰ আচঁনি আৰু ইয়াতে মৃত্যু
হোৱাৰ ঘটনাকে সামৰি এই অঞ্চলে মধ্যযুগৰ বিভিন্ন ঐতিহাসিক ঘটনাৰ সাক্ষী বহন কৰি আহিছে। লাচিত বৰফুকনৰ নেতৃত্বত
ঐতিহাসিক শৰাইঘাটৰ ৰণত অসমীয়া সেনাই মোগল সকলক পৰাভূত কৰাৰ সাক্ষী বহন কৰে এই উত্তৰ গুৱাহাটীয়ে। অথচ
এনেহেন ঐতিহ্যপূৰ্ণ বৃহত্তৰ অঞ্চলত অৱস্থিত কোনো এখন উচ্চ মাধ্যমিক বিদ্যালয়ত বুৰঞ্জী বিষয়টোৰ অস্তিত্ব পাবলৈ নাই।
ব্যক্তিগতভাৱে স্কুলৰ প্ৰধান শিক্ষক সকলক বুৰঞ্জী বিষয়টো পাঠ্যক্ৰম অৰ্ন্তভূক্ত নোহোৱাৰ কাৰণ জানিবলৈ বিচৰাত, তেখেতসকলৰ
পৰা এটাই উত্তৰ পাইছো-পৰ্যাপ্ত শিক্ষকৰ অভাৱ আৰু ছাত্ৰ-ছাত্ৰীসকল বিষয়টোৰ প্ৰতি আকৰ্ষিত নহয়। এইখিনিতে আমাৰ
মনত প্ৰশ্ন জাগে। শিক্ষকৰ অভাৱৰ কথা বাৰু বুজিলো। কিন্তু যি সময়ত বিষয়টো পাঠ্যক্ৰম অৰ্ন্তভূক্ত কৰাই হোৱা নাই, তেনে
অৱস্থাত বিষয়টোৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকলৰ অনিহা তথা আকৰ্ষিত নোহোৱাৰ প্ৰশ্ন আহিল কেনেকৈ?
বাস্তৱ অভিজ্ঞতাৰ পৰা ধাৰণা হয় যে বুৰঞ্জী বিষয়টোৰ এনে দুৰৱস্থাৰ ক্ষেত্ৰত ঘৰুৱা তথা সামাজিক পৰিবেশেও
কিছু পৰিমাণে ইন্ধন যোগাইছে। কাৰণ আজিৰ প্ৰতিযোগিতামূলক যুগত সৰ্বোচ্চ নম্বৰ প্ৰাপ্তিৰ ধাৰণা এটা ছাত্ৰ-ছাত্ৰী তথা
অভিভাৱক সকলৰ মাজত গঢ় লৈছে। আজিৰ পৰিবেশত তেনে হোৱাটো স্বাভাৱিক। কাৰণ ভাল নম্বৰ নাপালে মান-
বিশিষ্ট শিক্ষানুষ্ঠানত আসন পাবলৈ টান। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত অভিভাৱক সকলে তেওঁলোকৰ সন্তানক হাইস্কুল
পৰ্যায়ত অধিক নম্বৰ পাব পৰাৰ সম্ভাৱনা থকা ঐচ্ছিক বিষয়ৰ প্ৰতি মন আকৰ্ষণ কৰাৰ উপৰিও বুৰঞ্জীবিষয়টো অতি টান,
চন-তাৰিখৰ জটিলতা, দীঘলীয়া প্ৰকৃতিৰ আৰু কষ্ট কৰিও অধিক নম্বৰ পাবলৈ টান বুলি ঘৰুৱা পৰিবেশতে ছাত্ৰ-ছাত্ৰী
সকলৰ মনত এক ধাৰণাই বাহ লয়। এনে ধাৰণাৰ বহুতো প্ৰমাণ পাইছো। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত লংকা জয় কৰিবলৈ
যোৱাৰ আগতে কোনোবা ভয়াতুৰ সেনাপতিৰ মুখৰ পৰা ৰাৱণৰ দহোটা মুৰ আৰু দহখন হাতৰ ভয় লগা কাহিনী শুনি
সৈনিক সকলৰ মন ভাৰাক্ৰান্ত হৈ পৰাৰ দৰে, ঘৰুৱা পৰিবেশতে ছাত্ৰী-ছাত্ৰী সকলে বুৰঞ্জী অধ্যয়ন সম্পৰ্কে এনে এক ভয়
লগা চিত্ৰ জানিব পাৰে। ফলত বিষয়টোৱে দিনে দিনে হাইস্কুল পৰ্যায়ত মৰ্যদাবিহীন হৈ পৰিছে।
হাইস্কুল পৰ্যায়ত এই বিষয়টোৰ যি বিপৰ্য্যয় ঘটিছে তাৰ প্ৰভাৱৰ পৰা মহাবিদ্যালয় সমুহৰ বুৰঞ্জী বিভাগ সমুহো
ৰক্ষা পোৱা নাই। ইতিমধ্যে ভীতিগ্ৰস্ত হৈ পৰা ছাত্ৰী-ছাত্ৰীসকলে হাইস্কুলৰ দেওঁনা পাৰ হৈ মহাবিদ্যালয় পৰ্যায়ত বুৰঞ্জী
বিষয় অধ্যয়ন কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰাটো নিতান্তই স্বাভাৱিক। ফলত অসমৰ মুষ্টিমেয় কেইখনমান মহাবিদ্যালয়ক
বাদ দি সৰহ-সংখ্যক মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগ সমুহত ছাত্ৰ-ছাত্ৰীৰ অভাৱ ঘটিছে। ফলত আজিৰ এই তীব্ৰ প্ৰতিদ্বন্দিতাৰ
যুগত বিভাগ সমুহ বৰ্ত্তাই ৰখাটো কঠিন হৈ পৰিছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিষয়টোৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা
সম্বন্ধে নতুনকৈ উপলব্ধি কৰাৰ সময় আহি পৰিছে। চৰকাৰ আৰু সংশ্লিষ্ট শিক্ষা বিভাগ সমুহৰ দায়িত্ব এই ক্ষেত্ৰত অধিক
বুলি অনুভৱ কৰো। ঐতিহাসিক দিশত সচেতন আৰু চিন্তাশীললোক সকলে বিষয়টো জনমুখী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ
ভূমিকা গ্ৰহণ কৰিব পাৰে। স্কুল পৰ্যায়ত বিষয়টোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ মন আকৰ্ষণ কৰোৱাৰ বাবে সন্মানীয় শিক্ষকসকলেও
গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ আৱশ্যকতা অনুভৱ কৰো। ঘৰখনেই হ'ল শিক্ষাৰ্থীৰ প্ৰকৃত শিক্ষাৰ ঠাই। সেই ফালৰ পৰা
অভিভাৱকসকলে এই দিশত বাস্তৱমুখী পদক্ষেপ গ্ৰহণ কৰিব বুলি আশাঁ ৰাখিলো। ❑

# ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি প্ৰীতি

*শ্ৰী শিখা ৰাণী কাকতি*
*প্ৰবক্তা, অসমীয়া বিভাগ*

প্ৰকৃতি আৰু মানুহ এই দুটাৰ মাজত আছে এটি নিৰবিচ্ছিন্ন সম্পৰ্ক। জাগতিক দুখ-কষ্ট, বিৰহ বিচ্ছেদ, নোপোৱাৰ
বেদনা এইবোৰে মানুহৰ জীৱন দুৰ্ব্বিসহ কৰি তোলে। ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে মানুহে আশ্ৰয় লয় প্ৰেম, শান্তি,
শীতলতা, কোমলতাৰ প্ৰতিভূ প্ৰকৃতি দেৱীৰ কোলাত। প্ৰকৃতিয়ে কাকো বিমুখ নকৰে। সেয়ে কবি **Wordsworth** এ
কৈছিল- "**Nature never betrays the heart that loves her**". প্ৰাচীন কালৰপৰাই প্ৰকৃতিয়ে মানুহৰ ওপৰত প্ৰাধান্য বিস্তাৰ
কৰি আহিছে। প্ৰাচ্য পাশ্চাত্যৰ কবি সকলক প্ৰকৃতিয়ে দি আহিছে বিমল আনন্দ। কবিসকলে কোনো দিনে সপোনত
নেদেখা বৈভৱ প্ৰকৃতি ৰাজ্যত বিচাৰি পায়। সেইকাৰণে হেমলেটে বন্ধু হোৰেচিওক কৈছিল - **There are more things in
heaven and earth than dreamt in your philosophy**" পাশ্চাত্য কবি **Wordsworth, Shelley, Keats** প্ৰভৃতি কবিয়ে প্ৰকৃতি
ৰাজ্যৰ সৌন্দৰ্য্যত বিমুগ্ধ হৈ অমৰ কবিতা জগতক দান দি গৈছে। তেনেদৰে প্ৰাচ্যৰ কবি কালিদাস আৰু মহাপুৰুষ
শংকৰদেৱৰ প্ৰকৃতি প্ৰীতি চিৰযুগমীয়া। এই কবিসকলৰ প্ৰভাৱ কবিচৌধাৰীৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিছে।

কবিতা কবিৰ ব্যক্তিগত জীৱনৰ প্ৰতিবিম্ব স্বৰূপ। কবি চৌধাৰীদেৱৰ দুখভৰা জীৱনৰ লগত তেওঁৰ কাব্য সৃষ্টিৰ
নিবিড় সম্পৰ্ক আছে। লৰালি কালৰ পৰা নানা আহুকালত পৰি কবিৰ জীৱন বিষময় হৈ উঠিছিল। এই দুখময় জীৱনৰ
শান্তি বিচাৰি কবিয়ে আশ্ৰয় লৈছে প্ৰকৃতিৰ। প্ৰকৃতিয়ে কবিক আপোন কৰি লৈছে। কবি আৰু প্ৰকৃতি অভিন্ন আত্মা হৈ
পৰিছে। কবি প্ৰকৃতিৰ মিলনত সৃষ্টি হৈছে অমৰ কবিতা।

ৰঘুনাথ চৌধাৰী অসমৰ একনিষ্ঠ প্ৰকৃতি কবি। তেওঁৰ গোটেই কবিতাৰাজিৰ মাজত প্ৰকৃতিৰ প্ৰতি গভীৰ
আত্মোৎসৰ্গ আৰু নিবিড় আত্মীয়তাৰ ভাৱ প্ৰকাশ পাইছে। প্ৰতিটো কবিতাই কবিৰ অনুভূতিশীল অন্তৰৰ নিভৃততম কোণৰ
পৰা নিজৰি ওলোৱা স্বতস্ফুৰ্ত আবেগৰ ঢৌ, যেন এটি উজ্জল, নিৰ্মল নিয়ৰৰ টোপালহে।

কবি চৌধাৰীদেৱৰ কবিতাত প্ৰকৃতি বুলি ক'লে আমি এটা কথাই ক'ব লাগিব; সেয়া হৈছে - তেওঁৰ কবিতাৰ
মাজেৰে প্ৰকাশ পোৱা অসমৰ প্ৰকৃতি বৰ্ণনা। অসমৰ ফুল-ফল, চৰাই, চিৰিকটি, গছ-গছনি, নৈ, নলা, পৰ্বত-পাহাৰ আদিৰ
বৰ্ণনাই কবিৰ নিৰীক্ষণ শক্তি আৰু জন্মভূমিৰ মাটি পানীৰ লগত থকা কবিৰ পৰিচয় আৰু নিবিড় সম্বন্ধৰ প্ৰমাণ দিছে।
প্ৰকৃতি আৰু কবি, দুয়ো যেন এক অভিন্ন আৰু অবিচ্ছেদ্য-

'দুইৰো দুখনি হিয়া একেখনি হই
বন্ধা আছে প্ৰণয় ডোলত
কদাপিতো দুজনৰ নহ'ব বিচ্ছেদ।'

অসমৰ জাতীয় কবি চৌধাৰীৰ কবিতাত প্ৰকৃতি জগতৰ মনোমোহা ৰূপ প্ৰতিফলিত হৈছে। প্ৰকৃতি জগতখনে
ভাবুকৰ অন্তৰত সদায় নতুন নতুন ভাবৰ সৃষ্টি কৰে।

শাৰদীয় জোনালী নিশা, আউসীৰ এন্ধাৰ, বিহঙ্গিনীৰ মধুৰ কাকলি, খৰস্ৰোতা তটিনীৰ গুঞ্জন, নীলা আকাশৰ
তৰাৱলী, প্ৰকৃতিৰ বুকুত অযত্ন পালিতা ফুলৰ সৌৰভ এই আটাইবোৰত কবিয়ে বিচাৰি পায় এক স্বৰ্গীয় আনন্দ।





প্ৰকৃতিৰ বিবিধ উপাদানৰ লগত নিজকে বিলীন কৰি প্ৰকৃতি জগতত বিৰাজ কৰা আনন্দ উপভোগ কৰিবলৈ থকা
অভিলাষটো চৌধাৰীৰ প্ৰকৃতি কবিতাৰ এক বিশিষ্ট সুৰ।

প্ৰকৃতি প্ৰীতিৰ কথা কবলৈ যাওঁতেই প্ৰকৃতিৰ সম্পদ ফুল, চৰাই আদিৰ কথা আমাৰ মনলৈ অজানিতে আহে।

বিহগ, বিহঙ্গিনী, ফুল আদি প্ৰকৃতিৰ সম্পদ। এই চৰাই ফুল আদিৰ দ্বাৰা কবিয়ে প্ৰকৃতি জগতৰ এখনি সুন্দৰ চিত্ৰ
আমাৰ আগত দাঙি ধৰিছে। কবি চৌধাৰীৰ কবিতাত চৰাই, ফুল আৰু প্ৰকৃতিৰ প্ৰাধান্য বেছি। চৌধাৰীৰ জীৱনত চৰায়ে
অকৃত্ৰিম আনন্দ দিছে। চৰাই বিষয়ক কবিতা-কেইটি পঢ়ি আমি তন্ময় হোৱাৰ লগে লগে আমাৰ মনো কোনো অপাৰ্থিব
কল্পলোকলৈ উৰা মাৰে। কবিৰ দৃষ্টিভঙ্গীত দহিকতৰা, কেতেকী, প্ৰিয় বিহঙ্গিনী-এইবোৰ ক্ষুদ্ৰজীৱ নহয়। এই চৰাইকেইজনীৰ
ক্ষুদ্ৰ হিয়াত নিহিত আছে প্ৰেম, কৰুণা, সৌন্দৰ্য্য আৰু আনন্দ। এই চৰাইকেইজনী কবিৰ মানত দেৱদূতী। চৰাইকেইজনী
স্বৰ্গীয় প্ৰেমৰ বাৰ্ত্তাবাহকৰ বাহিৰে আন একো নহয়। এই দৃষ্টিভঙ্গীৰে আলোচনা কৰিলে চৰাই বিষয়ক কবিতা কেইটাৰ মূল
বিষয়বস্তু চৰাই নহয়, মানৱ জীৱনহে। মানৱ জীৱনৰ বৈষয়িক যন্ত্ৰণা, মানৱ সমাজৰ প্ৰতাৰণা, মানৱ জীৱনৰ ক্ষণভঙ্গুৰতা
আদিক প্ৰেমৰ বাৰ্ত্তাবাহক চৰাইৰ লগত তুলনা কৰি কবিয়ে সেইবোৰক বেছি স্পষ্ট আৰু উজ্জ্বল কৰি তুলিছে। প্ৰিয়
বিহঙ্গিনী, মৰমৰ পখী, কেতেকী চৰাই আদি কবিতাত কবি চৌধাৰীৰ তথা মানৱ জীৱনৰ চিত্ৰই সমুজ্জল হৈ উঠিছে।

কবি চৌধাৰী বিহগী কবি বুলি জনাজাত হলেও তেওঁ অকল বিহগী কবিয়েই নহয়, তেওঁ প্ৰকৃতিৰ কবি। প্ৰকৃতিৰ
সম্পদ ফুলৰ সৌন্দৰ্য্য বৰ্ণনাৰে তেওঁ পৃথিৱীত নন্দন কাননৰ সৃষ্টি কৰিছে। তেওঁৰ প্ৰিয় বিহঙ্গিনী, দহিকতৰা বা কেতেকী
প্ৰকৃতিৰ গছ-বন, ফুলপাত নোহোৱা মহাশূন্যত ধূলিকণাৰ দৰে উৰি ফুৰা এটা চৰাই নহয়। কেতেকীয়ে অলঙ্ঘ্য গিৰিৰ
শিখৰে শিখৰে, তটিনীৰ তীৰে তীৰে, বিজন বনৰ প্ৰান্তৰ ভূমিত ফুৰিলেও প্ৰকৃতিৰ আৱেষ্টনীৰ ভিতৰতে ফুৰে।

দৰাচলতে কবি চৌধাৰীৰ ফুল কেৱল প্ৰেম-হাঁহি আৰু আনন্দৰ নিজৰা। প্ৰকৃতি ৰাজ্যৰ যিকোনো ফুলতে তেওঁ
দেখা পায় সৌন্দৰ্য্য, যিকোনো ফুলেই তেওঁৰ মনলৈ আনি দিয়ে আনন্দ। কবিৰ ফুল হৈছে অযত্না পালিতা কন্যাহে।
গোলাপ ফুলক কবিয়ে এটি সুন্দৰী কন্যাৰ ৰূপত কল্পনা কৰিছে। গোলাপ কবিতাত যি প্ৰাকৃতিক বৰ্ণনা দিছে সি সঁচাকৈয়ে
মোহনীয়-

" কোন নন্দনত লগালি চমক
নাচিছে য'ত পৰি বুল বুল
অভিশপ্তা হৈ বিলাস কুঞ্জত
প্ৰেম মদিৰাত যেন মছগুল।"

এই চিত্ৰই আমাৰ মনলৈ এক মনোমোহা সৌন্দৰ্য্যই বহন কৰি আনে।

গিৰিমল্লিকা, মণিকৰ্ণেশ্বৰ পৰ্বতৰ ওপৰত ফুলা এপাহি সাধাৰণ ফুল। এই সাধাৰণ ফুল পাহিকে কবিয়ে কল্পনাৰ
কাৰেঙত সজাই পৰাই এগৰাকী সৌন্দৰ্য্যৰ ৰাণী কৰি তুলিছে। এই সাধাৰণ ফুল পাহিয়েই লুইতৰ পাৰ সুশোভিত কৰি
তুলিছে-

অয়ি অনৱ গুণ্ঠিতা ফুল্ল শিখৰিণী
ৰঞ্জি মণিকৰ্ণিকাৰ হৰিৎ মেখলা
আছা শোভি শুভ্ৰবেশে। কৰি সুৰভি ত
লৌহিত্যৰ তীৰভূমি শ্যামল বননি।

উল্লেখযোগ্য যে 'বহাগীৰ বিয়া' কবিতাটোত প্ৰকৃতি জগতৰ বিশিষ্ট সৌন্দৰ্য্যযুক্ত গছ-লতা, ফুল, চৰাই আদি

একেলগ কৰি বহাগীক পাটৰাণী ৰূপে সজাই তুলি প্ৰকৃতিয়ে এজনী অসমীয়া কইনাৰ ৰূপ দিছে। এইখিনিতেই কবিৰ কল্পনা আৰু বৰ্ণনা পটুতাৰ পৰিচয় পোৱা যায়-

'পিন্ধালে ময়ুৰে গোমচেং মেখেলা
ভমকা ফুলীয়া চাই।
দিলে বুটা তুলি ফুলবছা ৰিহা
ৰচকী পখিলী বাই।।'

কবি চৌধাৰী প্ৰেমৰ পূজাৰী, সৌন্দৰ্য্যৰ উপাসক। প্ৰকৃতিৰ গুণ-গান গোৱা ৰোমান্টিক কবিসকলৰ সাধাৰণ ধৰ্ম। চৌধাৰীৰ কবিতাত এই প্ৰকৃতি প্ৰীতিয়ে অসাধাৰণ বিকাশ লাভ কৰিছে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত লিখিছে-" চৌধাৰীৰ কবিতাসমূহ প্ৰকৃতি বিষয়ক, বিশেষকৈ ফুল আৰু চৰাই বিষয়ক।" এই চৰাই বিষয়ক কবিতাখিনিত চৰাই, প্ৰকৃতি আৰু মানৱ প্ৰাণৰ ত্ৰিবেণী সঙ্গম হৈছে।

মানৱ জীৱন ক্ষণ ভঙ্গুৰ। কিন্তু প্ৰকৃতি ৰাজ্যৰ সৌন্দৰ্য্য সনাতন। বিভিন্ন সময়ত বিভিন্ন ঋতুত প্ৰকৃতি জীয়াৰীৰ বিভিন্ন সৌন্দৰ্য্য প্ৰতিফলিত হয়। প্ৰকৃতি চিৰ যৌৱনা। প্ৰকৃতিৰ এই সৌন্দৰ্য্যৰ লগত মানৱ জীৱনৰ অনিত্যতা তুলনা কৰি আৰু বেছি গভীৰ কৰি তুলিছে। প্ৰকৃতি জগতৰ সৌন্দৰ্য্যৰ মাজতে কবি দাৰ্শনিক শিল্পীয়ে এটা মহান সত্য উপলব্ধি কৰে। মানৱ সমাজ আৰু প্ৰকৃতি জগতৰ মাজত যি পাৰ্থক্য দেখে তাৰ ফলতে কবিৰ মনত সত্যৰ উন্মেষ হয়। এই সত্য উদঘাটন কৰি কবিয়ে মানৱ সমাজত নীতিশিক্ষা বিস্তাৰ কৰিছে-

" কালি যাক দেখিছিলো নাচি বাগি ফুৰা
আজি তাৰ ধূলিত শয়ন।"

এইদৰে দেখা যায় চৰাই, ফুল বিষয়ক কবিতাৰ মাজেদিয়ে কবিয়ে প্ৰকৃতিৰ জয়গান গাইছে।

নৈসৰ্গিক সৌন্দৰ্য্য চিৰ সুন্দৰেই খণ্ড সৌন্দৰ্য্য সেয়েহে কবিয়ে প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত ভগৱানৰ সৌন্দৰ্য্য দেখা পায়। কবিৰ সৃষ্টিত প্ৰকৃতিয়েই হৈছে ঈশ্বৰৰ শাৰীৰিক ৰূপ সেয়েহে কবিয়ে গিৰিমল্লিকা, গোলাপ আদিক আহ্বান কৰিছে নিজৰ অন্তৰত ফুলিবলৈ আৰু বাঞ্ছা কৰিছে কেতেকী, প্ৰিয়বিহঙ্গিনী, দহিকতৰা আদিৰ লগত প্ৰেম মন্দাকিনীত অৱগাহন কৰিবলৈ-

"তোমাৰ লগতে উৰি যাওঁ বিহঙ্গিনী
সদায় বইছে য'ত প্ৰেম মন্দাকিনী।"

চৰাই, ফুল আটাইবোৰেই প্ৰকৃতিৰ লগৰীয়া। এইবোৰে প্ৰকৃতিৰ সৌন্দৰ্য্যক অধিক মনোমোহা কৰি তোলে। এনে এটি সৌন্দৰ্য্যৰ মাজত বিচৰণ কৰি কবিয়ে চিৰ সুন্দৰৰ ৰূপ ধ্যান কৰিছে। 'প্ৰাণে প্ৰাণে ভাল পাওঁ প্ৰকৃতি বালাক' বুলি কৈ সেই প্ৰকৃতি বালাৰ লগত মিলনৰ প্ৰয়াস কৰিছে। ❑

**আলোচ্য গ্ৰন্থ ঃ**

১। কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা -কমলেশ্বৰ শৰ্ম্মা
২। চৌধাৰীৰ সাহিত্য প্ৰতিভা - সৰিতা সভা, গুৱাহাটী
৩। বিহগী কবিৰ প্ৰকৃতি প্ৰীতি - 'মেঘদূত' আলোচনী।





# ধৰ্ম নিৰপেক্ষতাৰ আন এটি অৰ্থ সমভাৱ আৰু মানৱপ্ৰেম

*শ্ৰী সংগীতা বেজবৰুৱা*
*প্ৰৱক্তা-বুৰঞ্জী বিভাগ*

এখন দেশক সৰ্বশক্তিবান ৰূপত প্ৰতিষ্ঠা কৰিবলৈ হলে জাতিধৰ্মভেদ পাহৰিব লাগিব; অন্যথাই বিদেশীয়ে সেই দেশখনক গ্ৰাস কৰি পেলাব। সকলো ধৰ্মৰ মানুহে একোজন ঈশ্বৰ বা ভগবানৰ কল্পনা কৰে আৰু প্ৰতিটো ধৰ্মৰ প্ৰৱৰ্ত্তকে সকলো গুণৰ আধাৰ স্বৰূপে একেজন ঈশ্বৰকে আত্মসমৰ্পণ কৰিবলৈ মানুহক উপদেশ দি গৈছে। হিন্দুৰ নিৰাকাৰ পৰমেশ্বৰ সকলো গুণৰ আকৰ আৰু সকলো জীৱ আৰু প্ৰকৃতিৰ সৃষ্টিকৰ্তাজনেই ঈশ্বৰ আৰু তেওঁৰেই সকলোৰে জন্মৰ কাৰণ। সেই হিচাপে " অমৃতস্য পুত্ৰ" মানুহৰ মাজত ভেদভাৱ থকাৰ যুক্তিয়েই নাই। অহিংস মতৰ প্ৰৱৰ্ত্তক মহামুনি গৌতম বুদ্ধই মানুহৰ ভাতৃত্ববোধৰ হকে নিজ কৰ্মৰ যোগে মানৱতা বা মানৱপ্ৰেমৰ কথা শিকাই গৈছে। ধৰ্মৰ ওপৰত সকলো মহাপুৰুষৰে সমভাৱ থাকে। তথাপি, পৃথিৱীৰ বিভিন্ন জাতি, বিভিন্ন ভাষা-সংস্কৃতি, বিভিন্ন ঐতিহাসিক পৰম্পৰাৰ মাজত বিবিধ ধৰ্ম দেশ আৰু জাতিভেদ পালিত হলেও মানুহৰ শ্ৰেষ্ঠত্ব অম্লান ৰাখিবলৈ আদৰ্শগত ভাবে সকলো মানুহৰ দৃষ্টিভংগী বিভেদৰ কাৰণ আঁতৰাবলৈ ধৰ্ম নিৰপেক্ষ হবই লাগিব।

সকলো ধৰ্মৰে সাৰমৰ্ম একে, অৰ্থাৎ ঈশ্বৰক মনা। ঈশ্বৰৰ গুণৰ শেষ নাই, ক্ষমতাৰ পাৰ নাই, কৰুণাৰ অন্ত নাই। গতিকে, যি ধৰ্মৰ পদ্ধতিকে লোৱা নহওক, প্ৰতিজন ঈশ্বৰ বিশ্বাসী ধৰ্মপ্ৰেমিক ইজনে সিজনৰ ভাতৃস্বৰূপ। সেই আদৰ্শত ঈশ্বৰত বিশ্বাস ৰখা কামত প্ৰতিদ্বন্দিতাৰ ঠাই নাই। বৰঞ্চ ঈশ্বৰৰ অনুগ্ৰহ লাভত ইজনে সিজনক সহায়হে কৰিব লাগে। অৱশ্যে তাকে কৰিবলৈ মনত সহনশীলতাৰ ভাৱ সবল ৰাখিব লাগিব। ঈশ্বৰক পাবলৈ মনোবল লাগে আৰু সহনশীলতাই মনোবল বঢ়ায়। আমি সদায় মনত ৰাখিব লাগে, " সুন্দৰক পাবলৈ সাহসী হব লাগে।" সহনশীলতাও সাহসীজনেহে দেখুৱাবলৈ সক্ষম। ধৰ্মনিৰপেক্ষতা সহনশীলতাৰ আন এক নাম।

আমাৰ দেশ ভাৰতে অতীজৰে পৰা সহনশীলতাৰ চানেকী দি আহিছে। তাৰে ফলত বিভিন্ন যুগত চামে চামে বিভিন্ন জাতি-উপজাতি নিজ নিজ ধৰ্ম-সংস্কৃতি লৈ আহিও ভাৰতৰ অগনন জনসমাজৰ মাজত সহজেই মিলি গৈ এক ভাৰতীয় জাতীয় ভাৱাপন্ন হৈ লব পাৰিছিল। ভাৰতীয় ঐক্যবোধৰ এই পৰম্পৰা আজিও সক্ৰিয় হৈ আছে। সেইকাৰণে আমাৰ দেশৰ কৰ্ণধাৰ সকলে বুটিছে এৰি যাবলৈ বাধ্য হোৱা স্বাধীন ভাৰতত পোনতেই ৰাষ্ট্ৰৰ শাসনৰ মূল লক্ষ্য স্থিৰ কৰোতে সংবিধানত ধৰ্ম নিৰপেক্ষ এক সাৰ্বভৌম গণৰাজ্যৰ বিধান প্ৰস্তুত কৰি থৈ গৈছে। সেইটোৱেই আমাৰ জাতীয় ঐক্য আৰু সম্প্ৰীতিৰ আদৰ্শ হৈ ৰৈছে। প্ৰত্যেক ভাৰতীয়ৰ কাৰণে নিজ ধৰ্মৰ মহানতা ৰক্ষা কৰি যাবলৈ ধৰ্ম নিৰপেক্ষতাৰ পথ অনুসৰণ কৰাটো প্ৰধান বাঞ্চনীয় বিষয় হৈ পৰিছে। এক ভাৰতীয় হোৱাৰ তত্ত্ব এই বিষয়টোত নিহিত হৈ আছে।

অন্যথাই আমাৰ ৰাষ্ট্ৰীয় ঐক্য আৰু জনসাধাৰণৰ মাজত অৱশ্যেই থাকিব লগা ঐক্য সম্প্ৰীতি আদৰ্শ বিনষ্ট হ'ব।

বৰ্ত্তমানৰ প্ৰতিজন ভাৰতীয় নাগৰিকৰ কাৰণে ধৰ্মনিৰপেক্ষতাৰ নীতি মানি চলাটো ঐতিহাসিক প্ৰয়োজন হৈ পৰিছে। আমি সকলোৱেই জনা উচিত যে বিদেশী ইংৰাজে ক্ষমতাৰ কেন্দ্ৰ নিজ দেশত ৰাখি কেৱল অৰ্থনৈতিক শোষণৰ বাবে ভাৰতক উপনিবেশ হিচাবে দুশবছৰ কাল বৃটিছে শাসন কৰিবলৈ লওতে ভাৰতীয় সমাজত বিভেদ নীতিৰ বীজ ৰোপণ কৰি নিজ ক্ষমতা অব্যাহত ৰখাৰ আঁচনি ৰূপায়ণ কৰি গৈছিল। নায্য প্ৰাপ্য দিয়াৰ নামত হিন্দু মুছলমান, শিখ আদিৰ বিভিন্নতা দেখুৱাই সমাজৰ মাজত পৰম্পৰাগত ভাবে বিৰাজ কৰা একত্ব বোধত ভাঙোনৰ সৃষ্টি বৃটিছ শাসনৰ প্ৰধান লক্ষ্য আছিল। তাৰে ফলত ভাৰতীয় লোকৰ প্ৰতিটো জাগৰণতে সম্প্ৰদায়ৰ বিভিন্নতাৰ ভিত্তিত লাভ- অলাভৰ ক্ষুদ্ৰ হিচাবৰ খতিয়ান দাঙি ধৰি বৃটিছে ভাৰতীয় স্বতন্ত্ৰতাৰ জাগৰণ খৰ্ব কৰিব বিচাৰিছিল। বিদেশীৰ এনে চক্ৰান্ত কেৱল জাতীয় ভিত্তিত ধৰ্মনিৰপেক্ষতাৰ আদৰ্শইহে সৰ্বশেষত পৰাস্ত কৰিবলৈ সক্ষম হ'ল। ৰাষ্ট্ৰপিতা মহাত্মা গান্ধী ধৰ্মনিৰপেক্ষতাৰ জীৱন্ত প্ৰতীক আছিল আৰু তেওঁ নেতৃত্ব দিয়া ভাৰতীয় স্বাধীনতাৰ সকলো প্ৰতিবন্ধকতা ওফৰাবলৈ সক্ষম হৈ ভাৰতীয় স্বাধীনতা সংগ্ৰাম সম্পূৰ্ণ কৰিলে। গতিকে, ধৰ্মনিৰপেক্ষতাৰ ঐতিহাসিক প্ৰয়োজনীয়তা ভাৰতীয়লোকৰ চিন্তাৰ অপৰিহাৰ্য্য অঙ্গ হৈ পৰাটোৱেই এটা প্ৰধান লাভ।

দেশ ভেদে শাসনৰ প্ৰয়োজনত ৰাষ্ট্ৰ ব্যৱস্থাৰ প্ৰকাৰ বেলেগ হলেও সভ্যজগতৰ মানুহৰ মনত ধৰ্মচেতনা নিজ নিজ সমাজৰ পৰম্পৰা অনুযায়ী জাগ্ৰত হৈয়েই থাকে। য'ত ভিন্নধৰ্মৰ লোকে একেলগে বাস কৰে সেইবোৰ দেশতো জাতিৰ সামগ্ৰিক ঐক্যৰ খাতিৰত শাসক গোষ্ঠীয়ে ধৰ্মনিৰপেক্ষতাৰ নীতিতহে শৃঙ্খলা বজাই ৰাখিবলৈ চেষ্টা কৰে। শাসকৰ কাৰণে সকলো প্ৰজাক সম দৃষ্টিৰে বিচাৰ কৰাটোৱেই প্ৰজাৰঞ্জক হ'ব খোজা শাসকৰ কৰ্ত্তব্য। ভাৰতৰ ইতিহাসত মহান সম্ৰাট আকবৰ তেনে এক দৃষ্টান্ত যাৰ ফলত ভাৰতীয় ঐক্য প্ৰজাৰ ধৰ্ম-বিভেদৰ মাজতো এক আদৰ্শস্বৰূপ ভাৰতীয় জাতিৰ সম ভাবৰ প্ৰতীক হৈ উঠিছিল।

ঔপনিবেশিক শোষণ অবিৰত ৰাখিবলৈ বৃটিছে সেই মহান আদৰ্শটোকে ধ্বংস কৰিবলৈ লৈছিল। আজিৰ ভাৰতীয় নাগৰিকে পুৰণি সেই মহান আদৰ্শ পুনৰ প্ৰতিষ্ঠা কৰি ল'লেহে জাতিৰ আৰু দেশৰ সৰ্বাঙ্গীন বিকাশ সম্ভৱ। বিদেশীৰ চোকা আক্ৰমণৰ হাত সাৰিবলৈ ধৰ্মনিৰপেক্ষতাৰ নীতি অনুসৰণ কৰিলেহে একগোট হৈ যুঁজিব পাৰি আৰু লগতে বিদেশীক ভেটিব পাৰি। অন্যথাই বিদেশীয়ে সুবিধা বুজি আমাৰ দেশ গ্ৰাস কৰি পেলাব। আমাৰ দেশৰ বিপুল সম্পদৰাশিৰ উচিত প্ৰয়োগ আৰু সেইবোৰৰ বিকাশেৰে ভাৰতৰ প্ৰতিজনলোক লাভবান হ'ব লাগে। বিদেশী শাসকৰ পৰা দেশীয় শোষণ আঁতৰি যোৱাত ৰাষ্ট্ৰীয় ঐক্যৰ ভেটিতে ভাৰতে সমূহ জনাসাধাৰণৰ স্বাৰ্থত নিজ মৰ্য্যদা প্ৰতিষ্ঠা কৰিব লাগিব। তাৰবাবে বিভেদৰ বিহ আঁতৰাবলৈ প্ৰতিজন ভাৰতীয়ৰ মনত পুনৰ মহাজাতি চিন্তাৰ সঞ্চাৰ ঘটাব লাগিব। ধৰ্মনিৰপেক্ষতাৰ চিন্তাই ভাৰতীয়ৰ মহাজাতি চিন্তাক অধিক শক্তিশালী কৰিব। ❑





# অশ্বক্লান্ত দেৱালয়ত এভুমুকি

*অনামিকা বৰা*
*প্ৰবক্তা, অসমীয়া বিভাগ*

অশ্বক্লান্ত দেৱালয় ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ পাৰে উত্তৰ গুৱাহাটী নামেৰে ঠাইত অৱস্থিত। মন্দিৰৰ গাতে লাগি থকা বিস্তৃত জনসংখ্যাৰে আবৃত গাওঁকেইখন হল-মাজগাওঁ, শিলসাঁকো, দিহিংসত্ৰ। অশ্বক্লান্ত পাহাৰৰ ওপৰতো প্ৰায় শতাধিক লোকে বসবাস কৰিবলৈ লৈছে আৰু সেইখণ্ড 'কৃষ্ণনগৰ' বুলি অংকিত হৈছে। অশ্বক্লান্ত পাহাৰত দুটি মন্দিৰ আছে। এটি ব্ৰহ্মপুত্ৰৰ পাৰত সৰু পৰ্বতৰ নিম্নভাগত কূৰ্মৰূপী ভগৱান বিষ্ণুৰ মন্দিৰ আছে। এই সম্পৰ্কে 'কামাখ্যা মহাত্মাম্' নামৰ পুথিত তলত লিখা শ্লোকটি যোগিনী তন্ত্ৰত পোৱা বুলি উক্তি আছে-

জনাৰ্দন গিৰৌ বিষ্ণু স্বয়ং কূৰ্মস্বৰূপধৃক্।
শিলাং ভিত্বা স্থিতস্তত্ৰ দেৱগন্দৰ্ব সেবিতঃ।।

আনটি পৰ্বতৰ উপৰিভাগত অনন্ত শয্যাত শায়িত নাৰায়ণৰ মন্দিৰ আছে। এই মন্দিৰৰ গাত ভগবানৰ দশাৱতাৰৰ প্ৰতিমূৰ্তি বিদ্যমান। ব্ৰহ্মপুত্ৰৰ পাৰত পৰ্বতৰ ওপৰৰ এই ঠাইখিনি অতি মনোৰম। এই ঠাইত 'অশ্বক্লান্ত' নামে এটি কুণ্ডত্ত আছিল। যোগিনীতন্ত্ৰৰ মতে ভগৱান জনাৰ্দন নাগলোকৰ পৰা উত্থিত হৈ এই কুণ্ডত স্নান কৰি এই তীৰ্থক অশ্বক্লান্ত নামে অভিহিত কৰিছে-

নাগলোকদুত্থিতশ্চ কল্কিৰূপী জনাৰ্দন ঃ
স্নাত্বা তত্ৰৈব বিবৰে অশ্বতীৰ্থং চকাৰ হ ।।
(যোগিনীতন্ত্ৰ, দ্বিতীয় ভাগ। তৃতীয় পটল। ৩০)

বৰ্ত্তমান ই ব্ৰহ্মপুত্ৰত বিলীন হোৱাত যাত্ৰীসকলে ব্ৰহ্মপুত্ৰ নদতে স্নান কৰে। তদুপৰি ইয়াত ব্ৰহ্মপুত্ৰৰ পাৰত ভগৱান বিষ্ণুৰ পাদপদ্ম আছে। এই ঠাই 'বিষ্ণুপদ' বুলি খ্যাত আৰু শাস্ত্ৰত অশ্বগয়া নামেও প্ৰসিদ্ধ। এই বিষ্ণু পাদপদ্মত পিতৃলোকৰ উদ্ধাৰৰ কাৰণে পিণ্ডদান প্ৰশস্ত। " তেওঁৰ পিতৃ-পিতামহসকল তুষ্ট হৈ আনন্দ মনেৰে নৃত্য কৰি থাকে। সেই ঠাইত তৰ্পণ কৰিলে পিতৃসকল পৰিতুষ্ট আৰু দান কৰিলে স্বৰ্গগামী হয়"-

নৃত্যান্তি পিতৰস্তেষাং তুষ্টাশ্চৈব পিতামহা ঃ।
লভন্তে তৰ্পণাতৃপ্তিং পিতুৰ্দানাৎ ত্ৰিপিষ্টপং।।
(যোগিনীতন্ত্ৰ/দ্বিতীয় ভাগ/তৃতীয় পটল/ ৪৭)

কথিত আছে, খ্ৰীঃপূঃ ১৫০০ চনত কামৰূপৰ ৰজাই প্ৰাগজ্যোতিষপুৰত ৰাজধানী পাতে। শেষলৈ নৰকৰ প্ৰতাপ বঢ়াত অন্যায় আচৰণ বেছিকৈ কৰিবলৈ ধৰিলে, আনকি অন্তত নৰকাসুৰে কামাখ্যাক বিয়া কৰাব খুজিছিল। কামাখ্যাই তেওঁৰ হতুৱাই ৰাতিৰ ভিতৰতে দেৱীৰ মন্দিৰলৈ ৰাস্তাটো শিলেৰে বন্ধাবলৈ কৈছিল; কিন্তু দেৱীৰ কৌশলত সেয়া হৈ

নুঠিল আৰু দেৱীকো বিয়া কৰোৱা নহ'ল। অত্যাচাৰ অতিপাত হোৱাত শ্ৰীকৃষ্ণই তেওঁক বধ কৰি নৰকৰ ৰক্ষিত ১৬,০০০ গোপিনী, অদিতিৰ কাণৰ কৰিয়া আৰু ১৮,০০০ হাতী দ্বাৰকালৈ লৈ যায়। গুৱাহাটীৰ এই পৰ্বতত শ্ৰীকৃষ্ণৰ ৰথৰ ঘোঁৰা আক্ৰান্ত হৈ জিৰোৱা বাবে এই পৰ্বতৰ নাম অশ্বক্লান্ত বা অশ্বক্ৰান্ত আৰু বিষ্ণুৰূপী শ্ৰীকৃষ্ণৰ ভৰিৰ খোজৰ পৰা ঠাইখণ্ড এতিয়াও বিষ্ণুপদ নামেই জনাজাত।

কোনোৰ মতে ৰুক্মিণীক হৰণ কৰি আনি শ্ৰীকৃষ্ণৰ ৰথৰ ঘোঁৰাই ইয়াতেই জিৰণি লৈছিল আৰু কৰ্মনাশা পৰ্বতক নেদেখিবৰ বাবে মাজতে আঁৰ পৰ্বতটো থাপিছিল। পাচত ১৬৬৯ শকত শিৱসিংহই অশ্বক্লান্তৰ দৌল-দেৱালয় সজায়।

চ'ত মাহৰ অশোকাষ্টমী তিথিত ইয়াত ডাঙৰ মেলা হয় আৰু হেজাৰ হেজাৰ যাত্ৰী সেইদিনা ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ অশ্বক্লান্তলৈ আহে। কথিত আছে, পৰশুৰামে মাতৃহত্যা কৰাৰ পাচত তেওঁৰ হাতৰ কুঠাৰখন লাগি ধৰাত, পিতৃৰ পৰামৰ্শ মতে পৰশুৰামে ব্ৰহ্মাকুণ্ডত ওলালগৈ আৰু ইষ্ট দেৱতাক স্মৰণ কৰিয়েই পৰশুৰে সৰোবৰৰ পাৰ কাটি দিয়াত ব্ৰহ্মপুত্ৰ নদৰ সৃষ্টি হ'ল। তেওঁৰ হাতৰ পৰা কুঠাৰ সৰি পৰিল। পৰশুৰামে ব্ৰহ্মপুত্ৰক ৰ'বলৈ কৈ কামাখ্যা পৰ্বতলৈ উঠি গ'ল। দেৱী দৰ্শন কৰি আহি পৰশুৰামে দেখে যে ব্ৰহ্মপুত্ৰই তেওঁৰ আদেশ অমান্য কৰি বহু দূৰণিলৈ বৈ গৈয়ে আছে। পৰশুৰামে ব্ৰহ্মপুত্ৰক অভিশাপ দিয়াত তেওঁ পূৰ্বৰ পূণ্যৰ প্ৰভাৱ হেৰুৱাই বিকৃত ৰূপ ধাৰণ কৰিলে। ব্ৰহ্মপুত্ৰই বহুত স্তুতি মিনতি কৰাৰ ফলত মুনি সন্তুষ্ট হল আৰু কলে যে পূৰ্বৰ পূণ্য প্ৰভাৱ হেৰুৱালেও ৰোহিণী নক্ষত্ৰযুক্ত বাসন্তী শুক্লাষ্টমী তিথিৰ দিনা ব্ৰহ্মপুত্ৰৰ উত্তৰকুলত মানুহে স্নান কৰিলে ব্ৰহ্মপদ লাভ কৰিব আৰু তেওঁৰ এই বৰৰ ফলস্বৰূপে ব্ৰহ্মপুত্ৰৰ পানীয়ে শোকসন্তপ্তজনক উদ্ধাৰ কৰি জগতৰ হিত সাধন কৰিব। তেতিয়াৰে পৰা আজিলৈকে এই পূণ্য তিথি অশোকাষ্টমী পূণ্য দিন হিচাপে পালন কৰি আহিছে। তদুপৰি, অশ্বক্লান্ত দেৱালয়ত দৌল উৎসৱো উলহ মালহেৰে পালন কৰা হয়। তিনিদিনৰ দিনা শ্ৰীকৃষ্ণৰ বিগ্ৰহ বাহিৰলৈ উলিয়াই ফুৰোৱা হয়। স্থানীয় যুৱক-যুৱতীসকলৰ সহযোগত দেৱালয়ৰ চৌপাশত নতুনকৈ এটি শিৱলিংগ স্থাপন কৰা হৈছে। তাত শিৱৰাত্ৰিও উদ্‌যাপন কৰা হয়।

উত্তৰ গুৱাহাটী অঞ্চল বুলি ধৰিলে প্ৰায় ২০/২৫ হেজাৰ জনসংখ্যাৰ এটা সুবিস্তৃত অঞ্চল ইয়াৰ পৰিসীমাত ধৰিব পাৰি। এই সুবিস্তৃত অঞ্চলৰে সীমিত উত্তৰ গুৱাহাটী অঞ্চলটো বুৰঞ্জীয়ে গৰকা অঞ্চল। বেদত উল্লেখ আছে অশ্বক্লান্ত দেৱালয়ৰ বিস্তৃত অঞ্চলৰ জলবায়ু সেৱন কৰিলে বিভিন্ন দূৰাৰোগ্যৰ পৰা মুক্তি লভিব পাৰি। মণিকৰ্ণেশ্বৰ, কানাই বৰশী বোৱা, ৰুদ্ৰেশ্বৰ, ৰজাদুৱাৰ আদিৰ প্ৰত্যেকৰে নিজস্ব ঐতিহাসিক বৈশিষ্ট্য আছে। ইয়াৰ উপৰি ইয়াত আছে দৌলগোবিন্দ, আউনীআটী সত্ৰ। এই মহামহা তীৰ্থস্থানবোৰ এটি সীমিত অঞ্চলতে আবদ্ধ হৈ নাথাকি চৰকাৰে পৰ্যটকৰ আকৰ্ষণৰ স্থল কৰিলে ভাল হয়। বিস্তৃতিৰ গৰ্ভত বিলীন হবলৈ ধৰা এই ঐতিহাসিক স্থানসমূহক বিভাগীয় চৰকাৰে ঐতিহ্য ৰক্ষাৰ মৰ্য্যদা আৰোপ কৰিলে ভাল হয়। উন্নত যাতায়াত ব্যৱস্থা আৰু বিদেশী পৰ্য্যটকক আকৰ্ষণ কৰিবলৈ জনসংযোগ ব্যৱস্থাৰ সৃষ্টি কৰিলে আমি ন-দি ক'ব পাৰো যে গয়া-কাশীৰ দৰে অশ্বক্লান্ত মণিকৰ্ণেশ্বৰ আদিও এটি সৰ্বভাৰতীয় স্থান হৈ পৰিব।। □





# অসমৰ অব্যৱহৃত মানৱ সম্পদ আৰু প্ৰচলিত শিক্ষা ব্যৱস্থা

*শ্ৰী উৎপল ৰঞ্জন মেধি*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

অৰ্থনৈতিক উন্নয়ন বা অনগ্ৰসৰতাৰ মাপকাঠী এখন দেশ বা ৰাজ্যৰ জাতীয় আয় তথা জাতীয় উৎপাদন বৃদ্ধিৰ বাবে প্ৰয়োজন প্ৰাকৃতিক সম্পদ, মানৱ সম্পদ আৰু মূলধনৰ সমন্বিত প্ৰচেষ্টা। ইয়াৰে প্ৰাকৃতিক সম্পদ সমূহ নিষ্ক্ৰিয়, কিন্তু মানৱ সম্পদ সক্ৰিয়। প্ৰাকৃতিক সম্পদত চহকী হলেই ৰাজ্য বা দেশ এখন স্বয়ংক্ৰিয়ভাৱে অৰ্থনৈতিক দিশত উন্নত হ'ব নোৱাৰে, যদিহে নিষ্ক্ৰিয় প্ৰাকৃতিক সম্পদসমূহ আৱশ্যকীয় সামগ্ৰীলৈ ৰূপান্তৰিত কৰিবৰ বাবে মানৱ সম্পদ বা জনশক্তিৰ অভাৱ হয়। জনসম্পদৰ অৰ্হতা আৰু কৰ্মশক্তি এইক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ হৈ পৰে। আনহাতে, অধিক কাৰ্যদক্ষ জনশক্তিৰ লগতে প্ৰয়োজন হয় মূলধনৰো।

অসম প্ৰাকৃতিক সম্পদত চহকী। অসমৰ পৰ্বত, পাহাৰ, সমভূমি,নদী, উপত্যকা, বিল সকলোতে প্ৰচুৰ পৰিমাণে প্ৰাকৃতিক সম্পদ বিৰাজমান। অসমৰ ভৌগোলিক মাটিকালিৰ ২১ শতাংশ বনাঞ্চল। জনসংখ্যাৰ অনুপাতে বনাঞ্চলৰ পৰিমাণ কম যদিও এই বনাঞ্চলসমূহত মূল্যৱান গছ-গছনি আৰু জীৱ-জন্তু পোৱা যায়। অসমত ৪,০৬৫.০৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্যৱহাৰ যোগ্য জলপথ আছে। ইয়াৰে ২,১৯৩.০৬ কিলোমিটাৰ গোটেই বছৰজুৰি ব্যৱহাৰযোগ্য হৈ থাকে। ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনদীসমূহে ভাৰতবৰ্ষৰ মুঠ জলসম্পদৰ ৩১ শতাংশ সামৰিছে। ইয়াৰ উপৰিও অসমত প্ৰচুৰ পৰিমাণে আছে খনিজ তেল, কয়লা আৰু প্ৰাকৃতিক গেছ। চূণশিল, বিভিন্ন মাটি, বিভিন্ন পথাৰ যথেষ্ট পৰিমাণে আছে যদিও এইবোৰৰ বাণিজ্যিক ব্যৱহাৰ এতিয়াও হোৱা নাই।

প্ৰাকৃতিক সম্পদত প্ৰাচুৰ্য থকা সত্বেও অসম ভাৰতৰ ভিতৰতে এখন দুখীয়া ৰাজ্য। আনহাতে উন্নয়নৰ বাবে প্ৰাকৃতিক সম্পদৰ লগতে মানৱ সম্পদৰো প্ৰয়োজন। অৰ্থনৈতিক উন্নয়নত উপযুক্ত মানৱ সম্পদৰ গুৰুত্ব অপৰিসীম যদিও অত্যাধিক অৰ্হতাহীন জনসংখ্যা দেশ তথা ৰাজ্য এখনৰ বাবে হৈ পৰে বোজাস্বৰূপ। জনসংখ্যাৰ গুণগত বিকাশ আৰু কাৰ্যদক্ষতা বৃদ্ধি নহলে বৰ্ধিত জনসংখ্যাই উন্নয়নৰ গতি ৰুদ্ধ কৰি তোলে। বৰ্ধিত জনসংখ্যাই অনুন্নত অৰ্থব্যৱস্থাৰ তিনি ধৰণে প্ৰভাৱ বিস্তাৰ কৰে-

১। আশ্ৰিতৰ সংখ্যা বৃদ্ধি কৰে ; অৰ্থাৎ উৎপাদনশীল লোকতকৈ উৎপাদনহীন ভোক্তাৰ সংখ্যা অধিক হয়।

২। জনসাধাৰণৰ জীৱন-ধাৰণৰ মান একে স্তৰতে ৰাখিবলৈ অধিক বিনিয়োগৰ প্ৰয়োজন হয়। আৰু

৩। অনুন্নত অৰ্থ-ব্যৱস্থাত উদ্যোগীকৰণৰ হাৰ কম হোৱা বাবে কৃষিখণ্ডত নিৱনুৱাৰ সৃষ্টি হয়।

১৯০১ চনৰ পৰা ২০০১ চনৰ সময়ছোৱাত জনসংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে ১৯০১ চনত

জনসংখ্যা আছিল ৩৩ লাখ আৰু ২০০১ চনত হলগৈ ২৬৬.৪ লাখ। ১৯৬১ চনৰ পৰা ১৯৮১ চনৰ সময়ছোৱাত জনসংখ্যাৰ দশকীয়া বৃদ্ধিৰ হাৰ সৰ্বাধিক ৩৬.১ শতাংশ। ১৯১১ চনত এই হাৰ আছিল ১৭ শতাংশ। বৰ্ধিত জনসংখ্যাই ৰাজ্যখনৰ জনমূৰি আয় হ্রাস, খাদ্যৰ নাটনি, নিবনুৱা সমস্যা, মূলধন গঠন, শিক্ষা, স্বাস্থ্য, আৱাস আদি সমস্যাৰ সৃষ্টি কৰিছে। গতিকে এই বৰ্ধিত জনসংখ্যাক উপযুক্ত মানৱ সম্পদলৈ ৰূপান্তৰিত কৰি উৎপাদনমূলক কামত নিয়োগ কৰিব নোৱাৰিলে ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ অৱনতি হোৱাটো স্বাভাৱিক।

মানৱ সম্পদ গঢ়াৰ প্ৰথম পদক্ষেপ হল শিক্ষা। বিদ্যালয়ৰ যোগেদিয়েই মানৱ সম্পদ গঢ়াৰ পাতনি মেলা হয়। কিন্তু অসমৰ নিম্নমানৰ বিদ্যালয়সমূহৰ জৰিয়তে মানৱ সম্পদ গঢ় দিয়াত কিমান সফল হৈছে, সেইটো চিন্তনীয় বিষয়। পাঠ্যপুথিৰ অনিয়মীয়া যোগান, শিক্ষক নিযুক্তিত অৰ্হতাতকৈ ৰাজনৈতিক হস্তক্ষেপৰ প্ৰাধান্য, উন্নতমানৰ সা-সুবিধাৰ অভাৱ, অনিয়মীয়া দা-দৰমহা আদি এশ একুৰি সমস্যাৰে জৰ্জৰিত শিক্ষা ব্যৱস্থাটোৱে উপযুক্ত মানৱ শক্তি গঢ় দিব নোৱাৰাটো স্বাভাৱিক কথা। প্ৰাথমিক, মাধ্যমিক, উচ্চ-মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ বিত্তীয় অৱস্থা অতি শোচনীয়। বিদ্যালয়সমূহত আধুনিক সা-সঁজুলিৰ যোগান ধৰা দূৰৈৰ কথা, সাধাৰণ ব্লেক ব'ৰ্ড আৰু চ'ক মাটি কিনিবলৈ চৰকাৰে ধনৰ যোগান ধৰা দেখা নাযায়। বিত্ত সাহাৰ্য্যৰ অভাৱত বিদ্যালয়সমূহত এন. চি.চি. স্কাউট এণ্ড গাইড আদিৰ দৰে বিষয়সমূহ অচল। ৰাজনৈতিক হস্তক্ষেপ আৰু ধনবলত নিযুক্তি লোৱা নিম্ন অৰ্হতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰী সকলে কিদৰে উপযুক্ত জনশক্তি গঢ় দিব? এইবোৰ কাৰণতে অসমৰ সৰু-ডাঙৰ সকলো নগৰবোৰৰ চুকে-কোণে কেন্দ্ৰীয় পাঠ্যক্ৰমৰ আধাৰত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহ গঢ় লৈ উঠিছে। আনহাতে প্ৰৱেশিকা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল ফলাফল দেখুওৱা সৰহভাগ ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিকৰ পিছৰ পৰ্য্যায়ত অসমত নাথাকে। তেওঁলোকে ভাৰতৰ বিভিন্ন ঠাইত যোগ্যতা অনুসৰি অধ্যয়নৰ সুবিধা লাভ কৰি পঢ়িবলৈ যায় আৰু কৰ্মসংস্থানৰ ব্যৱস্থা কৰি লয়। অসমত যোগ্যতা অনুসৰি কৰ্মসংস্থাপনৰ ব্যৱস্থা নকৰা বাবেই এইটো হৈ আছে।

এতিয়া প্ৰশ্ন হয়- অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে অৰিহণা যোগাব কোনে? প্ৰায় ৩০ শতাংশ ল'ৰা-ছোৱালী বিদ্যালয়লৈ নাযায়। ইয়াৰে যিসকল যায়, তাৰ এক বুজন অংশই প্ৰৱেশিকাৰ ডেওনা লোৱাৰ আগতেই বিদ্যালয় এৰে। যিমানে প্ৰৱেশিকা পৰীক্ষা দিয়ে তাৰে উত্তীৰ্ণৰ শতকৰা হাৰ ৩০ শতাংশৰ বেছি নহয়। এই ৩০ শতাংশৰ ৭০ শতাংশই পাছ কৰে তৃতীয় বিভাগত। আনহাতে কেন্দ্ৰীয় পাঠ্যক্ৰমৰ অধীনৰ বিদ্যালয়সমূহত ইয়াৰ ওলোটা ৰূপহে দেখা যায়।

অসমত মানৱ সম্পদ গঢ়িবৰ বাবে বিদ্যালয়, মহাবিদ্যালয়ৰ অভাৱ নাই। অসমত তিনিখন ইঞ্জিনিয়াৰিং কলেজ তিনিখন চিকিৎসা মহাবিদ্যালয়, দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়কে ধৰি পাঁচখন বিশ্ববিদ্যালয় (এখন কৃষি বিশ্ববিদ্যালয়) আৰু আমাৰ দুৱাৰমুখতে উচ্চ কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান আই. আই. টি. গুৱাহাটীখনো স্থাপন হ'ল। উচ্চ শিক্ষাৰ এই প্ৰতিষ্ঠানবোৰে প্ৰতি বছৰে বহুতো ডিগ্ৰীধাৰী লোক সৃষ্টি কৰিছে। কিন্তু কেন্দ্ৰীয় বিশ্ববিদ্যালয় বা প্ৰযুক্তি বিজ্ঞানৰ উচ্চ প্ৰতিষ্ঠানকেইটাৰ যোৱা দশকটোত উচ্চ গুণবিশিষ্ট অসমৰ উন্নয়নৰ বাবে চিন্তা কৰিব পৰা বিজ্ঞানী, অৰ্থনীতিবিদ কিমানজন সৃষ্টি কৰিব





পাৰিলে, সেয়া সকলোৰে অগোচৰ। ৰাজ্যখনৰ বিত্ত বিভাগটোৰ দক্ষতাৰে পৰিচালনা কৰিব পৰাকৈ আৰু ৰাজ্যখনৰ উন্নয়ণমূলক আঁচনি প্ৰস্তুত কৰিব পৰা দক্ষ অৰ্থনীতিবিদৰ অভাৱ। এইক্ষেত্ৰত আধুনিক অৰ্থনৈতিক প্ৰগতিৰ ভূ-ভা লোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও একেবাৰে নগণ্য। ১৯৯১ চনৰ আৰ্থিক সংস্কাৰৰ দৰে গুৰুত্বপূৰ্ণ বিষয় এটাৰ ওপৰত দেশৰ সকলো শ্ৰেণীৰ লোকৰ জ্ঞান থকাৰ দৰকাৰ যদিও অসমৰ তথাকথিত উচ্চ শিক্ষিত ব্যক্তিয়ে এই বিষয়ে গম নাপায়। দেশত হোৱা আৰ্থিক-সংস্কাৰৰ বিপ্লৱৰ প্ৰতি কাৰো কাণসাৰ নাই। ই প্ৰকৃততে অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ ছবিখনহে ফুটাই তোলে।

অসমত উচ্চ শিক্ষাৰে শিক্ষিত সৰহসংখ্যক যুৱক-যুৱতীকে দেখা যায় যে- ৰাজ্যখনৰ আৰ্থিক দিশটোৰ প্ৰতি তেওঁলোক একেবাৰে উদাসীন। অৱশ্যে এইটো ক'ব নোৱাৰি যে কোনেও একো কৰা নাই। বহুতো শিক্ষিত যুৱক-যুৱতীয়ে স্বনিয়োগৰ ব্যৱস্থা কৰিছে। দুই-চাৰিজনে কৃষিকাৰ্য্যত নিয়োজিত হৈ উন্নত কৃষি পদ্ধতিৰে উৎপাদন-কাৰ্য্য কৰিছে। কিছুমানে কম্পিউটাৰৰ উচ্চ শিক্ষা লৈ অসমৰ বাহিৰত কম্পিউটাৰ ফাৰ্ম খুলিছে। কিন্তু সামগ্ৰিক ছবিখনৰ অলপো পৰিৱৰ্তন হোৱা দেখা নাযায়। কাৰ্যদক্ষ লোকৰ অভাৱত আৰু স্বনিয়োজনৰ সা-সুবিধাৰ অভাৱত নিবনুৱা লোকৰ সংখ্যা বৃদ্ধি হৈ ৰাজ্যখনত উৎপাদনহীন ভোক্তাৰ সংখ্যা বৃদ্ধি হোৱাহে দেখা যায়। যিটো সময়ত মানৱ সম্পদ উন্নয়ণৰ বাবে তথ্য- প্ৰযুক্তিৰ দ্বাৰা সৃষ্টি কৰা ক্ষেত্ৰখনৰ সুযোগ গ্ৰহণৰ বাবে কম্পিউটাৰৰ জ্ঞানেৰে সমৃদ্ধ দক্ষ কৰ্মী তৈয়াৰ কৰা কাৰ্য্য ভাৰতৰ সকলো ঠাইতে গঢ়ি উঠিছে, অসমত সেইসময়ত দক্ষ প্ৰযুক্তিৰে দক্ষ লোকৰ কথা চিন্তা-চৰ্চাহে কৰি থকা হৈছে।

মানৱ সম্পদ বিকাশ মানে অকল আই. এ.এছ. বিষয়া, অভিযন্তা, চিকিৎসকৰ সৃষ্টি কৰাকে নুবুজায়। দেশ-তথা ৰাজ্যৰ আৰ্থিক অৱস্থা আৰু তাৰ লগত সংগতি ৰাখি বিভিন্ন ক্ষেত্ৰত প্ৰয়োজন হোৱা মানৱ সম্পদ সৃষ্টি কৰাতহে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা উচিত হব বুলি ভবাৰ থল আছে। উদাহৰণ স্বৰূপে, মটৰ মেকানিক, ইলেকট্ৰিচিয়ান, টিভি মেকানিক আদিৰ দৰে আপাত ঃ দৃষ্টিত সৰু সৰু কাম কৰা মানুহো এখন ৰাজ্যৰ বাবে মানৱ সম্পদস্বৰূপে গঢ় দিব পাৰি। ইবোৰৰ ক্ষেত্ৰত **Entrepreneur Motivation and Training Centre** বোৰে আমাক যথেষ্ট সহায় কৰি আহিছে। কিন্তু এই অনুষ্ঠানবোৰৰ গুৰুত্ব আমাৰ সমাজৰ প্ৰত্যেকজন লোকে এতিয়া বুজি নুঠাৰ ফলত সেইবোৰৰ অস্তিত্বহে মাথোঁ আছে। অন্যথা মানৱ সম্পদ গঢ় দিবলৈ সৃষ্টি কৰা এনে অনুষ্ঠানবোৰ আমি নিজেই ধ্বংস কৰি কম্পিউটাৰ দক্ষ মানৱ সম্পদ সৃষ্টিৰ বাবে জয়ঢোল বজোৱা কিমান উচিত হ'ব, তাক কোৱা নিষ্প্ৰয়োজন। □

মা কল্যাণী বুকষ্টল্ এণ্ড ষ্টেচনাৰী
ইয়াত স্কুল কলেজৰ কিতাপ বহী কলমৰ উপৰি অফিচৰ লাগতিয়াল সামগ্ৰী লগতে
P.C.O. আৰু দৈনিক বাতৰি কাকত যোগান ধৰা হয়
উত্তৰ গুৱাহাটী কলেজ নগৰ, গুৱাহাটী - ৩১
PLEASE CONTACT FOR HIRING TATA SUMO & INDICA
Contact No. 2690112 (R) 2699010, 2691271 (PCO), (M) 94351-07221 (Apu)

# আইনষ্টাইনৰ আপেক্ষিকতাবাদ

*শ্ৰী দেৱজিৎ দাস*
*স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)*

যোৱা শতিকাৰ শ্ৰেষ্ঠ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন। যিজন বিজ্ঞানীয়ে আপেক্ষিকতাবাদৰ ওপৰত বিস্তৃত গৱেষণা কৰি বহুতো মূল্যবান তথ্য প্ৰদান কৰি থৈ গৈছে। তেওঁৰ আপেক্ষিকতাবাদৰ মূল কথাটো হৈছে স্থান আৰু সময় দুয়োটা আপেক্ষিক। ১৯০৫ চনত প্ৰকাশ পোৱা তেওঁৰ তত্ত্বৰ ভিত্তি আছিল বক্ৰ স্থানৰ সাধাৰণ তত্ত্ব। এই তত্ত্ব অনুসৰি যিকোনো ভৌতিক স্থানেই বিশাল ভৰৰ ওচৰত ভাজ লয় বা বেঁকা হৈ পৰে। অৰ্থাৎ ভৰ যিমানে বেছি হয় সেই স্থানত ঘটা বক্ৰতাও সিমানে বেছি হয়। এই কথা স্পষ্টভাৱে ধৰিব পাৰি পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণৰ সময়ত। সূৰ্য্যৰ কাষেদি জাকজাক তৰাৰ পোহৰ সূৰ্য্যৰ প্ৰবল ভৰৰ বাবে বেঁকা হৈ পৃথিৱীলৈ আহে।

আইনষ্টাইনৰ সূত্ৰমতে পদাৰ্থৰ বেগ বৃদ্ধি পালে দৈৰ্ঘ্য হ্ৰাস পায়। এই অনুসৰি পোহৰৰ গতিৰ ৫০ শতাংশ বেগত পদাৰ্থৰ দৈৰ্ঘ্য কমিব ১৪ ভাগ, ৯০ শতাংশ বেগত কমিব ৫৫ ভাগ, ৯৯ শতাংশ বেগত কমিব ৮৬ ভাগ। আইনষ্টাইনৰ মতে পোহৰৰ বেগ স্থিৰ কিন্তু প্ৰকৃতিৰ নিয়মানুসৰি পোহৰৰ বেগক একোৱে অতিক্ৰম কৰিব নোৱাৰে। যদিহে অতিক্ৰম কৰিব পাৰে তেন্তে অতীতলৈও ঘূৰি যাব পাৰিব। ইয়াৰ উপৰিও কোনো বস্তুৰ বেগ যেতিয়া পোহৰতকৈ বেছি হয় তেতিয়াই সময়ৰ সোঁত উভতি বয়। নিউটনে সময়ক এক স্থিৰ আৰু অপৰিবৰ্তনীয় অৱস্থা বুলি গণ্য কৰিছিল। কিন্তু আইনষ্টাইনৰ মতে সময় পৰিবৰ্তনশীল। ই গতি বা বেগৰ ওপৰত নিৰ্ভৰ কৰে। বেগ যিমানেই পোহৰৰ বেগৰ ওচৰা-উচৰি হয় সময়ৰ মাত্ৰা সিমানেই কমে। ইয়াৰ ওপৰত নিৰ্ভৰ কৰিয়েই 'টুইন পাৰাডক্স' বুলি বিজ্ঞানৰ এটা পৰিঘটনা আবিৰ্ভাৱ হয়। এইটো এনেধৰণৰ-যদিহে এজন মহাকাশযাত্ৰীয়ে এখন মহাকাশযানত উঠি পোহৰৰ বেগত বা তাৰ সমান বেগত মহাকাশলৈ যাত্ৰা কৰে তেন্তে তিনি-চাৰি দিনৰ মূৰত তেওঁ পৃথিৱীলৈ ঘূৰি আহি দেখিব যে পৃথিৱীত ৪০-৫০ বছৰ পাৰ হৈ গৈছে। যমজ মহাকাশ যাত্ৰীজনে পৃথিৱীত তেওঁৰ যজা ভাতৃক এৰি থৈ গৈছিল। আৰু ঘূৰি আহি দেখে যে তেওঁৰ ভাতৃৰ বয়স তেওঁতকৈ বহুত বেছি হৈ গৈছে। এই সাঁথৰটোৰ উত্তৰ হৈছে যদি এজন মহাকাশযাত্ৰীয়ে পোহৰৰ বেগত যাত্ৰা কৰে তেন্তে তেওঁৰ বাবে সময় মন্থৰ হৈ পৰিব। যেতিয়া তেওঁৰ যঁজা ভাতৃজনৰ বাবে ৪০ বছৰ পাৰ হৈ যাব তেতিয়া মহাকাশযাত্ৰীৰ ভাতৃজনৰ ঘড়ীত দুই-তিনি দিনমানহে সময় পাৰ হব।

আপেক্ষিকতাবাদৰ বিশেষ তত্ত্বৰ দুটা স্বীকাৰ্য্য উল্লেখযোগ্য। প্ৰথমটো হৈছে ' কোনো প্ৰসংগ প্ৰণালীৰ সাপেক্ষে সুষম বেগত চলি থকা যিকোনো প্ৰসংগ প্ৰণালীত ভৌতিক পৰিঘটনাসমূহৰ সূত্ৰসমূহ অপৰিৱৰ্তিত থাকে।' দ্বিতীয়তে 'শূণ্যত পোহৰৰ বেগ সকলো পৰ্যবেক্ষকৰ বাবে সকলো দিশতে সমান, পৰ্যবেক্ষক আৰু পোহৰৰ উৎসৰ বেগৰ ওপৰত ই সম্পূৰ্ণ নিৰ্ভৰশীল নহয়। ই এটা সাৰ্বজনীন ধ্ৰুৱ সংখ্যা। এই সকলোবোৰৰ উপৰিও আপেক্ষিকতাবাদৰ সূত্ৰৰ পৰাই আইনষ্টাইনে দেখুৱাইছিল যে বেগ বৃদ্ধি পালে ভৰৰ বৃদ্ধি হয় আৰু এই বেগ বৃদ্ধিৰ লগে লগে শক্তিৰ বৃদ্ধি ঘটিল। তেওঁ দেখুৱালে $E=mc^2$ । অৰ্থাৎ বস্তুৰ ভৰ শক্তিৰ এটা ৰূপান্তৰ।

স্মৰণীয় যে নিউটনীয় বা গেলিলিঅ'ৰ আপেক্ষিকতাবাদৰ পৰা স্থানহে আপেক্ষিক বুলি জনা গৈছিল কিন্তু আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ পৰা জনা গ'ল যে স্থান আৰু সময় দুয়োটা আপেক্ষিক। ❑





# স্বাধীনোত্তৰ কালত অসমৰ স্ত্ৰীশিক্ষা

*শ্ৰী জোনমণি ভৰালী*
*স্নাতক ৩য় বৰ্ষ (কলা)*

বৰ্তমান স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা দিনক দিনে বৃদ্ধি পাই আহিছে। সমাজত পুৰুষৰ সমানে সমানে খোজ মিলাই চলিব পৰাকৈ মহিলা সকলক শিক্ষা প্ৰদান কৰাটো অতিকৈ প্ৰয়োজনীয়। মহামানৱ মহাত্মা গান্ধীয়ে প্ৰকৃত শিক্ষাৰ বিষয়ে কৈছিলযে, " শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হলে নাৰী শিক্ষাৰ সমস্যা দূৰ কৰিব লাগিব। যেতিয়ালৈকে আমাৰ দেশত প্ৰকৃত মাতৃ শিক্ষয়িত্ৰীৰ সৃষ্টি নহয় তেতিয়ালৈকে আমি যিমানেই স্কুলত শিক্ষা নিদিও লাগিলে শিক্ষা ফলপ্ৰসূ হ'ব নোৱাৰে বুলি কবলৈ মই কুণ্ঠাবোধ নকৰো।"

ভাৰতবৰ্ষত এই স্ত্ৰী শিক্ষাৰ আৰম্ভণি হয় বৈদিক যুগৰ পৰা। বৈদিক যুগত মহিলা পুৰুষৰ সমকক্ষ আছিল। এই যুগত মহিলা সকলকো পুৰুষৰ দৰেই শিক্ষা প্ৰদান কৰা হৈছিল। মহিলাৰ বাবেও "উপনয়ন" অনুষ্ঠান পতা হৈছিল। ভাৰতীয় সামাজিক জীৱনধাৰাৰ পৰিবৰ্তনৰ ফলত মহিলাসকলৰ স্বাধীনতাত বাধা আহি পৰিল আৰু বাল্যবিবাহ, যৌতুক প্ৰথা আদি সমস্যাই উন্নত স্ত্ৰী শিক্ষাৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰিলে। সেইদৰে বৌদ্ধ ভিক্ষু আৰু ভিক্ষুণীসকলে সমপৰ্য্যায়ৰ শিক্ষা লাভ কৰিছিল, যদিও বিস্তৃত শিক্ষা বিস্তাৰ হোৱা নাছিল। বৃটিছ সকলৰ শাসন কালত খৃষ্টান ধৰ্মযাজক সকলে স্ত্ৰী-শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। কুৰি শতিকাৰ আৰম্ভণিত নাৰী শিক্ষাৰ পাতনি মেলিছিল ডঃ এনি বেচান্তে। তেওঁৰ প্ৰচেষ্টাৰ নতুন মানসিকতাক স্থায়ী ৰূপদান দিলে মহাত্মা গান্ধীয়ে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ১৯৪৭ চনত নতুন চৰকাৰ শিক্ষাৰ প্ৰতি সজাগ হৈ উঠিল। ভাৰতবৰ্ষৰ নতুন সংবিধানত উল্লেখ কৰা হল যে লিংগ বৈষম্যতা নোহোৱাকৈ প্ৰতি ভাৰতীয়ই ৬ ৰ পৰা ১৪ বছৰ বয়সলৈকে সাৰ্বজনীন বিনামূলীয়া শিক্ষা লাভ কৰিব। স্ত্ৰীশিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পণ্ডিত জৱাহৰলাল নেহেৰুৱে কৈছিল যে, " এজন লৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালকে শিক্ষিত কৰা।" স্বাধীনোত্তৰ ভাৰতবৰ্ষত গঠিত ৰাধাকৃষ্ণন আয়োগ বা ভাৰতীয় বিশ্ববিদ্যালয় আয়োগে স্ত্ৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ইয়াৰ বিকাশৰ বাবে চৰকাৰী সাহাৰ্য্যৰ কথা উল্লেখ কৰিছিল। কোঠাৰী আয়োগেও স্ত্ৰী শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল।

স্বাধীনতাৰ পূৰ্বে অসমত আনুষ্ঠানিক ভাৱে কোনো স্ত্ৰী শিক্ষানুষ্ঠান স্থাপন হোৱা নাছিল। নিৰক্ষৰতা আৰু অজ্ঞতাই সৰ্বসাধাৰণ লোকৰ মন সমাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰেৰে আৱৰি ৰাখিছিল। সেইবাবে ছোৱালীক স্কুলৰ আনুস্থানিক শিক্ষা দিয়াটো পিতৃ-মাতৃ আৰু সমাজৰ আন লোকে নিবিচাৰিছিল। ১৯ শতিকাত সমাজৰ সীমিত সংখ্যক অভিজাত শ্ৰেণীৰ পৰিয়ালত স্ত্ৰী শিক্ষাৰ প্ৰচলন আছিল আৰু এনে শিক্ষাৰ দ্বাৰা সমাজৰ ধৰ্মীয় আৰু আধ্যাত্মিক প্ৰয়োজন পূৰণ কৰিব পাৰিছিল। আহোম পটেশ্বৰী বৰৰাণী ফুলেশ্বৰীয়ে আছু তীয়াকৈ মহিলা সকলৰ বাবে চাঙেৰে তৈয়াৰী তাঁতশাল শিল্প

অনুষ্ঠান স্থাপন কৰি ব্যৱহাৰিক স্বাক্ষৰতা পাব পৰাকৈ শিক্ষা আগবঢ়াইছিল। ১৮৩৯ চনতেই উজনি অসমৰ শদিয়াৰ বেপ্টিষ্ট মিছনেৰী সকলে ছোৱালীৰ প্ৰাথমিক স্কুল সৰ্বপ্ৰথম বাৰৰ বাবে স্থাপন কৰিছিল। ৫০ বছৰৰ পিছত এই স্কুলৰ সংখ্যা বৃদ্ধি হৈ ১৮৫ খন হয়গৈ। ১৮৫৪ চনৰ উড প্ৰতিবেদনে স্ত্ৰী শিক্ষাৰ বিকাশৰ বাবে বিশেষ উৎসাহ যোগাইছিল যদিও তাৰ প্ৰভাৱ অসমৰ স্ত্ৰী শিক্ষাত পৰা নাছিল। কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত অসমত ছোৱালী হাইস্কুল স্থাপিত হৈ উঠিছিল। এই শতিকাৰ দ্বিতীয় দশকলৈকে অসমত এখনো কলেজ স্থাপন হোৱা নাছিল যদিও ১৯২৯ চনত কটন কলেজত এগৰাকী ছোৱালীৰ নাম ভৰ্ত্তি কৰা হয়। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যাকাত ১৯৩৯ চনত 'গুৱাহাটীত' ৰাধা কান্ত সন্দিকৈ কলেজ স্থাপিত হয়। মাত্ৰ দুগৰাকী ছাত্ৰীৰে আৰম্ভ কৰা এই সন্দিকৈ কলেজত বৰ্তমান তিনিহাজাৰতকৈও অধিক ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰে। স্বাধীনতাৰ পিছত অসমত গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ উদ্যোগত ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হৈ নাৰী শিক্ষাৰ এক অনুকূল পৰিবেশ গঢ় দি তোলে। স্বাধীনোত্তৰ কালছোৱাত নাৰী শিক্ষাৰ অগ্ৰগতি আশাপদ আৰু সম্ভাৱনীয়তাপূৰ্ণ বুলি কবপৰা যায়। শেহতীয়া তথ্য মতে মহিলাৰ সাক্ষৰতাৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ বেছি। বৰ্তমান পৌৰ প্ৰশাসনত মহিলা সকলৰ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। বিবাহৰ বয়স বৃদ্ধি সম্বন্ধীয় আইন, যৌতুক বিৰোধী আইন, ছোৱালীৰ সম্পত্তিৰ অধিকাৰ আইন আদিৰ ব্যৱস্থাই তেওঁলোকৰ সামাজিক স্থান আৰু মান উন্নত কৰি তুলিছে। শেহতীয়া তথ্য মতে সংসদত মহিলাৰ আসন সংৰক্ষণ সম্বন্ধীয় বিধেয়ক উত্থাপনৰো ব্যৱস্থা কৰা হৈছে। এই বিষয়টো কাৰ্য্যকৰী হৈ উঠিলে ভাৰতীয় মহিলাসকল এক ৰাজনৈতিক শক্তি স্বৰূপেও বিবেচিত হৈ উঠিব।

ভাৰত আৰু অসমৰ পুৰুষ মহিলাৰ সাক্ষৰতাৰ হাৰ (শতকৰা হিচাৰত) তলত উল্লেখ কৰা হল-

| ক্ৰমিক নং | বছৰ | ভাৰত | | | অসম | | |
|---|---|---|---|---|---|---|---|
| | | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ |
| ১ | ১৯৮১ | ৫৬.৩ | ২৯.৭ | ৪৩.৫ | × | × | × |
| ২ | ১৯৯১ | ৬৪.১ | ৩৯.২ | ৫২.২ | ৬১.৩০ | ৪৩.০৩ | ৫৩.৪২ |
| ৩ | ২০০১ | ৭৫.৮৫ | ৫৪.১৬ | ৬৪.৮০ | ৭১.৯৩ | ৫৬.০৩ | ৬৪.২৮ |

বৰ্তমান মহিলা সাক্ষৰতাৰ হাৰ যদিও বৃদ্ধি পাই আহিছে, তথাপিও পুৰুষৰ সমান হ'ব পৰাগৈ নাই। কিন্তু, চৰকাৰে ইয়াৰ ওপৰত পদক্ষেপ ল'লে স্ত্ৰী শিক্ষাৰ যথেষ্ট অগ্ৰগতি হ'ব বুলি আশা কৰিব পাৰি। □

সুৰভি বস্ত্ৰালয়
কলেজ নগৰ, গুৱাহাটী - ৩১
বিভিন্ন ধৰণৰ সাজ, পোছাক, ফুল আদিৰ লগত স্কুল, কলেজৰ ইউনিৰ্ফমৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান





# প্ৰকৃতি আৰু মানৱ

*শ্ৰী প্ৰাঞ্জল কাকতি*
*স্নাতক, তৃতীয় বৰ্ষ (কলা)*

প্ৰকৃতিৰ কোলাতেই মানৱৰ জন্ম, আৰু প্ৰকৃতিৰ পৰশ লৈ মানৱৰ ক্ৰমবিকাশ হয়। প্ৰকৃতিয়ে মানৱ আৰু আন আন প্ৰাণীসমূহক জীয়াই থাকিবলৈ পানী যোগান ধৰে। যাৰ অবিহনে প্ৰাণীবোৰ অস্তিত্বহীন।

পৃথিৱীৰ সু-উচ্চ শৃঙ্গ হিমালয়কে আদি কৰি পৰ্বত পাহাৰ, টিলা, হাবি-বননি আৰু আটাইতকৈ বৃহৎ মহাসাগৰকে আদি কৰি সাগৰ, হ্ৰদ, নদ-নদী, জান,জুৰি নিজৰা, বায়ুপানী ইত্যাদিৰ সংমিশ্ৰণত প্ৰকৃতিৰ উদ্ভৱ হৈছে। প্ৰকৃতিৰ মাজতেই প্ৰাকৃতিৰ মনোৰম দৃশ্যবোৰৰ উদ্ভাৱন হৈছে। এইবোৰ অকৃত্ৰিম আৰু অনাদি কালৰে পৰা চিৰ বিদ্যমান। প্ৰকৃতি ৰাজ্যকলৈয়ে মানৱৰ সৃষ্টিৰ প্ৰেৰণা আৰু কল্পনাৰ উৎসৰাজিৰ বিকাশ সাধন হয়। প্ৰকৃতি ৰাজ্যকলৈয়ে কবিৰ কবিতাৰ জন্ম হয়, সাহিত্যিকসকলৰ ন ন সাহিত্যৰ জন্ম, আৰু শিল্পীৰ বিচিত্ৰ চিত্ৰৰ জন্ম হয়। অসমৰ জাতীয় উৎসৱৰ বিহুগীত বিলাকত প্ৰকৃতিক প্ৰাধান্য দিয়া হৈছে। উদাহৰণস্বৰূপে তলত উদ্ধৃত বিহুগীত কেইফাঁকিলৈ মন কৰিব পাৰি—

১। "পৰ্ব্বতত মাৰি যাওঁ ৰাঙলী হৰিণ।"

২। " পৰ্ব্বতৰ মাজতেই মৃগা মেলিছিলোঁ।"

আনহাতে মানৱ জাতিটোৱে পৃথিৱীৰ যিকোনো ঠাইতেই প্ৰথম সাক্ষাতত মানৱ বুলি পৰিচিত হয় আৰু ক্ৰমান্বয়ে প্ৰগতিশীল বা উন্নতশীল মানৱৰ স্বীকৃতি পায়। আধুনিক যুগৰ সভ্যতাৰ উচ্চ শিখৰত উপনীত হৈয়ো মানৱে দানৱৰ অনুৰূপ ধৰি প্ৰকৃতিৰ ওপৰত নিৰ্মম অত্যাচাৰ কৰিছে। ইয়াৰ পৰিণতি স্বৰূপে মানৱ জীৱনৰ আয়ু হ্ৰাস পাবলৈ ধৰিছে।

প্ৰকৃতিৰ বিবিধ উদ্ভিদে মানৱক অত্যাৱশ্যকীয় আপুৰুগীয়া সম্পদৰাজি যোগাইছে। উদাহৰণস্বৰূপে, জীয়াই থাকিবলৈ অম্লজান গেছ এৰি দিছে আৰু আনহাতে মানুহে নিশাহত এৰি দিয়া কাৰ্বন-ডাই অক্সাইড গেছ উদ্ভিদে গ্ৰাস কৰিছে, যাৰ অবিহনে পৃথিৱীৰ ভূ-পৃষ্ঠত অম্লজান আৰু কাৰ্বন-ডাই অক্সাইডৰ ক্ষমতা বাহাল ৰাখিছে। পৃথিৱীৰ বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ ২১শতাংশ আৰু নাইট্ৰজেনৰ পৰিমাণ ৭১ শতাংশ থকা বুলি বৈজ্ঞানিক সকলে থাৱৰ কৰে। বৈজ্ঞানিকসকলে বিভিন্ন পৰীক্ষা নিৰীক্ষাৰ শেষত এনে এটা সমীক্ষাত উপনীত হয়, যিটো সমীক্ষাই পৃথিৱীলৈ জোৱাৰ কঢ়িয়াই আনিব। বৈজ্ঞানিকসকলে পৃথিৱীলৈ এক সতৰ্কিত বাণী "Global Warning" প্ৰেৰণ কৰিছে। পৃথিৱীত অত্যাধিক মাত্ৰাত উষ্ণতা বৃদ্ধি পাইছে। ইয়াৰ প্ৰধান কাৰণ হৈছে, প্ৰধানকৈ বায়ুমণ্ডলত কাৰ্বন-ডাই অক্সাইডৰ মাত্ৰা বৃদ্ধি পাইছে। ১৮৮০-১৯৯৫ চনৰ Data অনুসৰি পৃথিৱীৰ বায়ুমণ্ডলত ১ ডিগ্ৰী ছেঃগ্ৰেডলৈ উষ্ণতা বৃদ্ধি পাইছে। ২০৫০ চনলৈকে ৩ ডিগ্ৰী ছেঃ গ্ৰেডলৈকে উষ্ণতা বৃদ্ধি পাব বুলি বৈজ্ঞানিকসকলে থাৱৰ কৰিছে। আৰু সেই সময়ত পৃথিৱীৰ দুয়ো মেৰুৰ বৰফবোৰ গলিগৈ পানীত পৰিণত হ'ব আৰু বাংলাদেশ, চেন্নাই আদি সাগৰীয় দাঁতি কাষৰীয়া অঞ্চলবোৰ পানীৰ তলত লীন হ'ব আৰু মানুহৰ কৃষি উপযোগী মাটিসমূহ

বিনষ্ট হ'ব বুলি বৈজ্ঞানিকসকলে মন্তব্য আগবঢ়াইছে। মানুহে জধে মধে গছ-লতিকাবোৰ কাটি ধ্বংস কৰাৰ ফলত বৰষুণৰ মাত্ৰা দিনক দিনে ক্ৰমে হ্ৰাস পাইছে। এনে এক পৰিস্থিতি আমাৰ কাম্য নহয়। সেয়ে আমি দলবদ্ধভাৱে এনে এটা ভয়াবহ সংকটৰ সন্মুখীন নহবলৈ একমত পোষণ কৰি সময় থাকোতেই সতৰ্কিত হ'বৰ হল। " এডাল বৃক্ষ কাটিলে, দুডাল বৃক্ষ ৰোপণ কৰা" এইযাৰ কথা দেশৰ প্ৰত্যেকজন সচেতন নাগৰিকে মৌলিক কৰ্ত্তব্য বুলি মানি চলিলে নতুন প্ৰজন্মই এক সুস্থ পৰিৱেশ পাব আৰু ভিন্ন মহামাৰীৰ দ্বাৰা সংক্ৰমিত হোৱা ধ্বংসলীলাৰ কবলৰ পৰা মুক্ত হ'ব।

পৃথিৱীৰ আভ্যন্তৰীণ খণ্ডত লুপ্ত হৈ থকা তেল, কয়লা, গেছ আদি ৰাসায়নিক পদাৰ্থবোৰ সদব্যৱহৃত হোৱাৰ ফলত পৃথিৱীৰ ভাৰসাম্যতা হ্ৰাস পাইছে। যাৰ ফলস্বৰূপে অত্যাধিক হাৰত ভূইকপঁ, আগ্নেয়গিৰিৰ উদ্‌গীৰণ আদি প্ৰাকৃতিক দুৰ্যোগ সমুহৰ সৃষ্টি হৈছে। উদাহৰণস্বৰূপে ১৯৯৯ চনত উৰিষ্যাত হোৱা প্ৰলয়ংকাৰী ঘূৰ্ণীবতাহ আৰু ৰাজস্থানৰ ভূইকপঁ।

বায়ুমণ্ডলত এৰি দিয়া নানা ধৰণৰ ৰশ্মিয়ে কয়লাখনি, ৰিফাইনেৰী আৰু নানা উদ্যোগৰ পৰা নিতে উদ্‌গাৰিত হোৱা গেচবোৰে বায়ুমণ্ডলক ডাঙৰ চহৰৰ নলী নৰ্দমাৰ প্ৰদূষিত পানীতকৈও বেছি প্ৰদূষণৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে পৃথিৱীৰ বায়ুমণ্ডলত অ'জন গেছৰ ভাৰসাম্যহীনতা নাইকীয়া হৈছে। যাৰ ফলত " আলট্ৰা ভায়োলেট" ৰশ্মি অবাধে বায়ুমণ্ডলত সিচঁৰতি হৈ প্ৰকৃতি আৰু মানৱ, জীৱ-জন্তুৰ পক্ষে মাৰাত্মক ৰোগৰ সৃষ্টি কৰিছে। ১৯৮৪ চনৰ ডিচেম্বৰ মাহত ভূপালত সংঘটিত হোৱা 'ইউনিয়ন কাৰ্বাইড" কোম্পানীৰ গেছ দূৰ্ঘটনা স্মৰণীয়। মানৱে বিভিন্ন ধৰণৰ পৰমাণু বোমা বৰ্ষণ কৰাৰ ফলত বিভিন্ন মহামাৰীৰৰ সৃষ্টি হৈছে।

উদাহৰণস্বৰূপে, দ্বিতীয় মহাসমৰসময়ত হিৰোছিমা আৰু নাগাছাকিত হোৱা পৰমাণু বোমা বিস্ফোৰণৰ ফলত আজিয়ো তাৰ বহুলোকে জীয়াতু ভুগিব লগীয়া হৈছে। বোমা বৰ্ষণৰ ৩২ বছৰ পিছলৈকো বায়ুমণ্ডলত তেজস্ক্ৰিয় বিকিৰিণ হৈ এক লাখ মানুহে মৃত্যুক সাৱটি লবলগীয়া হয় আৰু অস্বাভাৱিক ৰোগত বিকাৰ গ্ৰস্ত হয়। "ভাৰতীয় কৃষি গৱেষণা পৰিষদ"ৰ এটা সমীক্ষা মৰ্ম্মে কীটনাশক দ্ৰব্যত বহুলভাৱে প্ৰয়োগ কৰা "বেঞ্জিন হেক ক্ল'ৰাইজ" নামৰ ৰাসায়নিক দ্ৰব্যবিধ ভাৰতত ১৯৪৯ চনৰ পৰা পোণ প্ৰথম বাৰৰ বাবে ব্যৱহৃত হয় আৰু ইয়াৰ বৰ্তমানলৈকে ৫৫,০০০ টন ব্যৱহাৰ কৰা হৈছে। এই মাৰাত্মক দ্ৰব্যবিধে জীৱ জন্তুৰ শৰীৰত প্ৰৱেশ কৰি কৰ্কট ৰোগ আৰু বিভিন্ন ধৰণৰ মহামাৰীৰ সৃষ্টি কৰিছে। আৰু প্ৰকৃতিৰ বিহঙ্গম সৌন্দৰ্য্যৰাজিক মৰুভূমিত পৰিণত কৰিছে।

প্ৰকৃতিৰ ওপৰত মানুহে অবাধে চলোৱা অত্যাচাৰৰ বাবে মানুহে নিজৰ কাৰণে কেঞ্চাৰ ৰোগকে আদি কৰি নানাবিধ জটিল মহামাৰীৰ সৃষ্টি কৰিছে আৰু আকস্মিক ভাৱে মৃত্যুক নিমন্ত্ৰণ জনাইছে। এইবোৰ ছবি আমাৰ সন্মুখত প্ৰদৰ্শন কৰা হৈছে।

" হে মানৱ, যদি তুমি সৃষ্টিৰ পৰা বিলোপ হ'ব নিবিচৰা তেনেহলে প্ৰকৃতিক অৱহেলা আৰু প্ৰকৃতিৰ ওপৰত নিৰ্মম অত্যাচাৰ নকৰিবা।" ❑





# প্ৰেমেই সেৱা আৰু সেৱাই শান্তি (মাদাৰ টেৰেছা)

*ময়ুৰী বৰুৱা*
*স্নাতক ২য় বৰ্ষ*

কলিকতা মহানগৰীৰ চিকিৎসালয় এখনৰ সন্মুখৰ পথৰ দাঁতিত এজনী মূমুৰ্ষ ৰুগ্না তিৰোতা পৰি আছিল। তাইৰ শৰীৰত হোৱা ঘাঁবোৰ পৰুৱা আৰু নিগনিয়ে অবাধে খাই আছিল। এনেতে সেই বাটেদি পাৰ হৈ যাব খোজা এগৰাকী খ্ৰীষ্টান সন্যাসীনী সেই ঠাইত ৰৈ গ'ল। মুমূৰ্ষ মানুহজনী দেখা পাই তেওঁ লৰালৰিকৈ চিকিৎসালয়খনলৈ গৈ মানুহজনীক তালৈ নি অকণমান পৰিচৰ্য্যা কৰিবলৈ অনুৰোধ জনালে। কিন্তু কোনো চিকিৎসালয়েই তাইৰ দায়িত্ব লবলৈ সন্মত নহল। উপায়ান্তৰ হৈ সন্ন্যাসিনী গৰাকীয়ে তেওঁৰ নিজৰ ঘৰলৈকে মানুজনীক লৈ গ'ল। তাইক মৰম স্নেহ কৰি অলপ পৰিচৰ্য্যা কৰিলে আৰু অলপ সময় পাছতে তেওঁৰ হাততে মানুহজনীৰ মৃত্যু হ'ল। মানুহজনীৰ মৃত্যুয়ে সন্ন্যাসিনীজনীৰ মনত এনে প্ৰভাৱ পেলালে যে তাৰ ফলত তেওঁৰ জীৱনৰ গতিয়েই সলনি হৈ গ'ল। সেই সন্ন্যাসীগৰাকী আছিল বিশ্বৰ সৰ্বত্ৰতে পৰিচিতা মহিয়সী নাৰী মাদাৰ টেৰেছা।

১৯১০ চনৰ ২৭ আগষ্টত যুগোশ্লাভিয়াৰ স্কেপে্ থে নামৰ ঠাইত এটি কৃষক পৰিয়ালত জন্মলাভ কৰা মাদাৰ টেৰেছা পূৰ্বৰ নাম আছিল এগ্নেচ গনদজা বোৱাদজিয়ু। চমুকৈ এগ্নেচ। ১৯১৩ চনৰ পাছতহে তেওঁ টেৰেছা নাম গ্ৰহণ কৰে। মানুহৰ প্ৰতি দয়ালু হ'বলৈ, মানুহক ভাল পাবলৈ, মানুহৰ সততাত আস্থা ৰাখিবলৈ আৰু মনত অসৎ চিন্তাক প্ৰশ্ৰয় নিদিবলৈ এগ্নেচক মাকেই শিকাইছিল।

মানুহক সেৱাৰ মাজেদি ভগৱানৰ সেৱাত নিজকে অৰ্পণ কৰাৰ মানসিকতাই সৰু কালতেই এগ্নেচৰ মনত গঢ় লৈছিল। সেই সময়ত তেওঁলোকৰ দেশৰ মিছনেৰি সকলে ভাৰত, বিশেষকৈ বংগদেশত তেওঁলোকৰ সেৱাৰ কাম-কাজ পৰিচালনা কৰি আছিল। ১৯২৮ চনৰ নৱেম্বৰ মাহত তেওঁ ভাৰতলৈ আহিছিল। দাৰ্জিলিঙত কিছুদিন থাকি কলিকতাৰ চেন্টমেৰী বালিকা বিদ্যালয়লৈ ভূগোলৰ শিক্ষয়িত্ৰী হৈ আহিছিল আৰু দ্বিতীয় মহাসমৰৰ পাছত তেওঁ সেই বিদ্যালয়ৰ অধ্যক্ষাৰ পদত অধিস্থিত হৈছিল। এতিয়া এগ্নেছ মাদাৰ টেৰেছা নামেৰে জনাজাত হ'ল।

১৯৫০ চনৰ ৭ অক্টোবৰত তেওঁ সেৱাৰ অনুষ্ঠান " মিছনেৰিজ অৱ চেৰিটি' প্ৰতিষ্ঠা কৰিলে। সেয়েহে সাধাৰণ মানুহৰ ভাৱ বিনিময়ৰ তেওঁ ভাষা আৰু চিকিৎসা সম্পৰ্কে তেওঁ প্ৰশিক্ষণ লৈছিল। এতিয়া মাদাৰ টেৰেছাই শুভ্ৰ শাৰী পৰিহিতা এগৰাকী ভাৰতীয় মাতৃৰূপত নিজকে আৱিস্কাৰ কৰিলে। তেওঁৰ মতে, নাৰী হ'ল ভাৰতীয় মাতৃৰ প্ৰতীক। তেওঁৰ বিশ্বাস মতে, দৰিদ্ৰজনক ভাল পাবলৈ আমি নিজেও দৰিদ্ৰ হৈ ল'ব লাগে। দৰিদ্ৰজনেই হ'ল ভোকাতুৰ জীৱ, ৰোগাক্ৰান্ত শিশু। শিশুক ভালপায় কাৰণেই তেওঁ দৰিদ্ৰ জনকো ভালপায়।

মাদাৰ টেৰেছাৰ উদ্দেশ্য মানৱ সেৱাহে, সমাজসেৱা নহয়। আৰম্ভণিতে মিচনেৰিজ অৱ চেৰিটিয়ে ইয়াৰ দুটা শাখাৰ যোগেদি সেৱাৰ পাতনি মেলিলে শাখা দুটা আছিল অনাথ আশ্ৰম আৰু নিৰ্মল হৃদয়। তেওঁৰ মতে, মানুহৰ ওঁঠৰ হাঁহি বিৰিঙাব পৰাটোহে প্ৰকৃত সহানুভূতি আৰু তেওঁৰ অনাথ আশ্ৰমৰ প্ৰতিষ্ঠাৰ এয়ে মূল-নীতি আছিল। মহানগৰীৰ চিকিৎসালয়খনৰ সন্মুখৰ পৰা বুটলি অনা মুমূৰ্ষ অৱস্থাৰ পৰিচয়হীনা মানুহজনীয়ে মাদাৰ টেৰেছাক 'নিৰ্মল হৃদয়' স্থাপনৰ অনুপ্ৰেৰণা যোগাইছিল। হিন্দু, মুছলমান বা খ্ৰীষ্টান, এই বিবেচনাৰে মানুহক মৰম কৰা অনুচিত। মৃত্যুৰ সময়ত মুখত পানী এটোপ দিবলৈ বা মৰমৰ মাত একাষাৰ শুনাবলৈ যাৰ কোনো নাই, তেনে মুমূৰ্ষ জনক নিৰ্ম্মল হৃদয়লৈ অনা হয়। ১৯৫৭ চনত পাঁচজন কুষ্ঠৰোগীক লৈ " নিৰ্ম্মল নিকেতন'ৰ সেৱা আৰম্ভ কৰা হয় । " নিৰ্ম্মল নিকেতন" মিছনেৰী অৱ চেৰিটিৰ অন্য এটা উল্লেখযোগ্য প্ৰতিষ্ঠান ।এই কেন্দ্ৰলৈ প্ৰশিক্ষণ প্ৰাপ্ত ভগ্নীসকল আহিছিল।

বৰ্ত্তমান শতিকাত এইডছ ৰোগ মানুহৰ আতংকৰ কাৰণ হৈ পৰিছে। " মিছনেৰিজ অৱ চেৰিটি'য়ে ঠায়ে ঠায়ে এইড্ছ্ ৰোগীৰ কাৰণেও সেৱা কেন্দ্ৰ স্থাপন কৰিছে। যুদ্ধ বিগ্ৰহ বা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বিগ্ৰহত পৰা লোক সকললৈ এই প্ৰতিষ্ঠানে সহায় আগবঢ়াই আহিছে। বৰ্তমান এই প্ৰতিষ্ঠান গোটেই ভাৰততে বিয়পি পৰিছে। 'মিছনেৰিজ অৱ চেৰিটি' আৰম্ভ কৰোতে মাদাৰ টেৰেছা নিজেই একমাত্ৰ কৰ্মী বা সেৱিকা আছিল। বৰ্তমানে কেইবা হাজাৰো প্ৰশিক্ষণপ্ৰাপ্ত ভগ্নী এই কাৰ্য্যত ব্ৰতী হৈছে।

আজিৰ বিশ্বত মাদাৰ টেৰেছা এগৰাকী মহিয়সী নাৰী যাক সকলোৱে শ্ৰদ্ধা কৰে। ১৯৬২ চনত তেওঁ " পদ্মশ্ৰী" সন্মান পায়। ১৯৭২ চনত জৱাহৰলাল নেহেৰু এৱাৰ্ড পায়। ১৯৭৯ চনত তেওঁ শান্তিৰ নবেল বঁটা পায়। ভাৰত চৰকাৰৰ সৰ্বশ্ৰেষ্ঠ সন্মান " ভাৰতৰত্ন" বঁটা পায় আৰু ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ " অৰ্ডাৰ অৱ মেৰিট' তেওঁলৈ আগবঢ়োৱা হয়। এনেবোৰ বঁটাৰ যোগেদি তেওঁ আগবঢ়োৱা মহান সেৱাৰ বিশ্বজোৰা স্বীকৃতি দিয়া হৈছিল। মাদাৰ টেৰেছা এগৰাকী বিশ্বমাতৃ এইগৰাকী মহান মানৱপ্ৰেমীৰ ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰত কলিকতাত মহাপ্ৰণয় ঘটিল।

এই বিনন্দীয়া পৃথিৱীখনত আমি মানুহৰ দৰে সুখে শান্তিৰে থাকিবলৈ শিকা উচিত। কিন্তু আমাৰ অন্তঃকৰণ মানৱ প্ৰেমেৰে ওপচাব নোৱাৰিলে সেই সুখশান্তি মৰীচিকা হৈ ৰ'ব। মাদাৰ টেৰেছাৰ মতে প্ৰেমেই সেৱা আৰু সেৱাই শান্তি। তেল শলিতা যোগাৰ কৰি বন্তি গছ জ্বলাই আন্ধাৰৰ বিৰুদ্ধে যুঁজ কৰাতহে শান্তি পোৱা যায়। মহিয়সী মাদাৰ গৰাকীয়ে তেনে এগছ বন্তিকে জ্বলাই থৈ গৈছে। □

**Spoken English শিক্ষক হেমন্ত ডেকাৰ পৰা তেখেতৰেই এখন অমূল্য গ্ৰন্থ**
**"Spoken English" অসমৰ সকলো কিতাপৰ দোকানতেই পোৱা যায়।**
**IRM, SC Goswami Road, Panbazar, Guwahati-1,**
**☎ : 2602653 (O), 98640-39850 (M)**





# কালজয়ী শিল্পী মাইকেল এঞ্জেলো

*শ্ৰী ভাৰতী দাস*
*স্নাতক ১ম বৰ্ষ (কলা)*

সেয়া আছিল ইংৰাজী ১৪৭৫ চন। সেই বছৰৰ ৬ মাৰ্চ তাৰিখে ফ্লোৰেন্স নগৰৰ এটা অতি দৰিদ্ৰ পৰিয়ালত বিৰাট সম্ভাৱনাৰ অঙ্কুৰ ৰূপে মাইকেল এঞ্জেলোৱে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ আছিল লাডোভিকো ব্যোনাৰোটি আৰু মাতৃ আছিল ফ্ৰান্সেস্কা ডি মেৰী। মাইকেলৰ জন্মৰ সময়ত মাকৰ শাৰীৰিক অৱস্থা অতিশয় দূৰ্বল আছিল। সেয়েহে মাইকেলক ডাঙৰ কৰিবৰ বাবে এগৰাকী ধাত্ৰী নিয়োগ কৰিবলগীয় হৈছিল। সেই ধাত্ৰীগৰাকীৰ মৰম চেনেহ আৰু আলপৈচানতে মাইকেল ডাঙৰ দীঘল হ'বলৈ ধৰিলে। ভৱিষ্যতে যে মাইকেল এজন বিখ্যাত শিল্পী হ'ব তাৰ প্ৰমাণ সৰুতেই পোৱা গৈছিল। কিয়নো চিত্ৰবিদ্যাৰ প্ৰতি মাইকেল অতি সৰুৰে পৰা আকৃষ্ট হৈছিল। ৰং আৰু তুলিকাৰে হিয়া আকুল কৰা আহ্বান তেওঁ সৰুতেই শুনিছিল। দেউতাকৰ যথেষ্ট আপত্তি থকা সত্বেও মাইকেলে সৰুতেই নিজকে এজন চিত্ৰ শিল্পীৰূপে গঢ়ি তোলাৰ সংকল্প লৈছিল। কিন্তু সেই সময়ত চিত্ৰবিদ্যাৰ স্থান অতি নিম্নস্তৰত আছিল। আনকি চিত্ৰবিদ্যাক বংশৰ মৰ্য্যদাহানিকৰ বৃত্তি বুলি চিহ্নিত কৰা হৈছিল। এই হীন বৃত্তিৰ পৰা পুতেকক আঁতৰাই আনিবৰ কাৰণে দেউতাকে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু যাৰ অন্তৰত অসীম বল আছে তেওঁক পৃথিৱীৰ কোনো শক্তিয়ে সংকল্পচ্যুত কৰিব নোৱাৰে। তেৰ বছৰ বয়সত মাইকেল এঞ্জেলো গিয়াবালাদায়ো ভাতৃসকলৰ ওচৰত তেওঁলোকৰ সহকাৰী হিচাবে মাহিলি বেতনৰ বিনিময়ত সহকাৰী চিত্ৰকৰ হিচাবে নিযুক্তি ললে। ইয়াতে মাইকেল নিজৰ সাধনাতে একান্তভাৱে নিমগ্ন হৈ পৰিল। এইদৰে তিনিটা বছৰ পাৰ হৈ গ'ল।

চিত্ৰ শিল্পৰ প্ৰতি থকা অসীম আকৰ্ষণৰ মাজতে হঠাতে মাইকেলৰ মন মূৰ্ত্তি গঢ়া শিল্পৰ প্ৰতি আকৰ্ষিত হয়। মূৰ্ত্তি গঢ়া শিল্পৰ প্ৰতি অহা দূৰ্ব্বাৰ আকাঙ্খাক কাৰ্য্যকৰী ৰূপ দিবৰ সুবিধাও তেওঁ অযাচিতে পালে। মাইকেল এঞ্জেলো আৰু সেই সময়ৰ বিখ্যাত ব্যক্তি লোৰেঞ্জো ডি-মেডিচিৰ মিলনক শিল্পৰ ইতিহাসৰ "মণিকাঞ্চন সংযোগ" বুলিব পাৰি। মাইকেল অতি সোনকালে লোৰেঞ্জোৰ দ্বাৰা স্থাপিত ভাস্কৰ্য্য বিদ্যালয়ত সোমাই পৰে। কিন্তু অতি পৰিতাপৰ কথা যে মাইকেলক অনুপ্ৰেৰণা দিয়া লোৰেঞ্জোৰ হঠাতে মৃত্যু হয় আৰু অনুষ্ঠানটিও বন্ধ হৈ যায়। উপায়হীন হৈ মাইকেলে সেই ঠাই ত্যাগ কৰে। সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ বিশ বছৰ।

ইয়াৰ পাছত তেওঁ 'বলেনো' নগৰত পদাৰ্পণ কৰে আৰু কেইটামান মূৰ্ত্তি নিৰ্মাণ কৰি কিছু স্বীকৃতি লাভ কৰে। সেই সময়ত ফ্লোৰেন্স মহাসভাৰ বাবে এটা আধুনিক সভাগৃহ নিৰ্মাণৰ আঁচনি লোৱা হৈছিল আৰু সেই গৃহটি কলাসন্মত ৰুচি জ্ঞানেৰে সজাই তুলিবৰ কাৰণে কেইজনমান নামজ্বলা শিল্পীক নিৰ্বাচন কৰা হৈছিল। সেই শিল্পীসকলৰ মাজত তেওঁৰ নামো আছিল। ইয়াৰ পাছত তেওঁ ১৪৯৬ চনৰ জুন মাহৰ শেষৰফালে শিল্পীৰ স্বৰ্গ ৰোমলৈ গ'ল। তাত মাইকেলে এজন ৰোমান ভদ্ৰলোকৰ কাৰণে 'কিউপিড় আৰু ব্যেকাচ' প্ৰতিমূৰ্ত্তি আৰু এজন ফৰাচী ভদ্ৰলোকৰ কাৰণে "যীশুৰ মৃতদেহৰ ওপৰত ক্ৰন্দনৰতা মেৰী" মূৰ্ত্তি তৈয়াৰ কৰে। এই দুই মূৰ্ত্তিৰ বলীষ্ঠ প্ৰকাশ ভঙ্গীয়ে ৰোম নগৰত তেওঁৰ নাম বিখ্যাত কৰি তুলিলে। কিন্তু ইতিমধ্যে বাপেকৰ অনুৰোধ অগ্ৰাহ্য কৰি মাইকেল নিজৰ জন্মভূমিলৈ ঘূৰি আহে।

মাইকেলৰ জীৱনৰ এক মহান ক্ষণ আছিল, সেয়া হ'ল এক বৃহৎ মাৰ্বলৰ অংশ এটাৰ পৰা বৃহৎ ডেভিদৰ মূৰ্ত্তি কাটি উলিওৱা। এই মূৰ্ত্তিটো চাৰি বছৰ আগেয়ে আগষ্টিনো ডি এন্টোনিত নামৰ জুপতিয়ে আৰম্ভ কৰিছিল। কিন্তু মূৰ্ত্তিটো তেওঁ

অসম্পূর্ণ অৱস্থাত এৰি দিছিল। এই মূৰ্ত্তিটো এজন মানুহৰ জীৱন কালত সম্পূৰ্ণ কৰিব পৰাটো অসম্ভৱ বুলি ভবা হৈছিল। এই প্ৰত্যাহ্বানক তেওঁ সহজভাৱে গ্ৰহণ কৰিলে আৰু সেই বৃহৎ মূৰ্ত্তিটো সম্পূৰ্ণ কৰি মানুহৰ ভ্ৰম ভাঙি দিলে আৰু তেওঁ অজস্ৰ শ্ৰদ্ধা আৰু আকুণ্ঠ স্বীকৃতি পালে। এই মূৰ্ত্তিয়েই তেওঁৰ জীৱনলৈ শিল্পীৰ পূৰ্ণ স্বীকৃতি আনি দিলে।

সেই সময়ত ৰোমৰ পোপ আছিল দ্বিতীয় জুলিয়াচ। তেওঁ এটি অতুলনীয় সমাধি মন্দিৰ নিৰ্মাণ কৰাৰ সংকল্প লৈছিল আৰু এই দায়িত্ব মাইকেলৰ ওপৰত দিছিল। মাইকেলে প্ৰথমতে সেই সমাধি মন্দিৰৰ চিত্ৰ এখন আঁকি লৈছিল আৰু উৎকৃষ্ট মাৰ্বল পাথৰ নিৰ্বাচন কৰি তেওঁ সেই সমাধি মন্দিৰৰ কামত হাত দিছিল। কিন্তু সমাধি মন্দিৰৰ কাম সম্পূৰ্ণ নৌহওঁতেই পোপ নানা যুদ্ধ বিগ্ৰহত লিপ্ত হবলগীয়া হৈছিল। সেইবাবে তেওঁ এই মন্দিৰৰ কথা পাহৰি গৈছিল। তদুপৰি, মাইকেলৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰাত, আনকি তেওঁ পোপৰ পৰা পাবলগীয়া পাৰিশ্ৰমিকো সময়মতে নোপোৱাত, আৰ্থিক অনাটনত পৰি বাধ্য হৈ তেওঁ ৰোম নগৰ ত্যাগ কৰিবলগীয়া হয়। যুদ্ধ শেষ হোৱাত পোপে তেওঁক পুনৰ ৰোমলৈ নিমন্ত্ৰণ কৰিলে। পুনৰ এই কাম চলাৰ চাৰি মাহ মানৰ পিছতে পোপৰ মৃত্যু হয়। তেওঁৰ উত্তৰাধিকাৰীসকলে তেনে এক ব্যয়বহুল সমাধি মন্দিৰ নিৰ্মাণৰ পক্ষপাতি নোহোৱাৰ কাৰণে ব্যয় হ্ৰাস কৰি এটি মজলীয়া ধৰণৰ সমাধি মন্দিৰ নিৰ্ম্মাণ কৰালে।

মাইকেল সৰুতেই ৰং আৰু তুলিকাৰ প্ৰেমত পৰিছিল। তেওঁ মাজে মাজে চিত্ৰও অংকন কৰিছিল আৰু সেই চিত্ৰসমূহৰ মাজতো তেওঁৰ প্ৰতিভাৰ সম্পূৰ্ণ বিকাশ হৈছিল। তেওঁ সৰ্বশ্ৰেষ্ঠ চিত্ৰসমূহ অংকন কৰিছিল " চিষ্টাইন" মঠৰ চাঁদত। এই মঠৰ চাঁদত চিত্ৰ অংকন কৰিবৰ কাৰণে মাইকেলে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। এই মঠৰ চূড়া অতি ওখ আছিল আৰু ইয়াৰ ওপৰ ভাগত ছবি আঁকিবৰ কাৰণে অতি ওখ চাং ব্যৱহাৰ কৰা হৈছিল। সেই চাঙতে ওপৰলৈ মুখ কৰি শুই শুই অসীম কষ্ট আৰু ধৈৰ্য্যৰে তেওঁ চিত্ৰসমূহ আঁকিছিল। সুদীৰ্ঘ চাৰিবছৰৰ কঠোৰ শ্ৰম আৰু চেষ্টাৰ ফলত তেওঁ এই কাম সম্পূৰ্ণ কৰিলে। এই চিত্ৰসমূহত তেওঁ বাইবেলৰ অন্তৰ্গত বিশ্ব সৃষ্টিৰ পৰা মহাপ্লাৱন পৰ্য্যন্ত কাহিনী ভাগ ৰূপায়িত কৰিছিল। যিদিনা এই চিত্ৰসমূহ সম্পূৰ্ণ কৰি মাইকেল মঠৰ বাহিৰলৈ ওলাই আহিছিল তেতিয়া তেওঁৰ দেহ পঙ্গু হৈ পৰিছিল, আনকি তেওঁৰ শাৰীৰিক গঠন কিঞ্চিৎ বেকাঁ হৈ পৰিছিল। কিন্তু এই জীৱন্ত চিত্ৰসমূহে তেওঁক অভিনন্দন জনাই অমৰত্ব দান কৰিলে।

মাইকেল আছিল প্ৰতিভাৰ যাদুঘৰ। জীৱনৰ পদে পদে বাধা বিঘিনি পাই তেওঁ সংসাৰৰ প্ৰতি উদাস হৈ পৰিছিল। তিনি কুৰি বছৰ বয়সত তেওঁ বিধবা ভিক্টোৰীয়া কেলোপাৰ প্ৰেমত পৰিছিল। কিন্তু অতিশয় পৰিতাপৰ কথা এয়ে যে কেইবছৰ মানৰ পাছতেই ভিক্টোৰীয়াৰ মৃত্যু হৈছিল। তেওঁৰ অন্তৰত হোৱা বেদনাক দুটা চনেটৰ মাজেৰে প্ৰকাশ কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত প্ৰায় ১০০ টা মান চনেট পোৱা গৈছে।

এদিনাখন এজন যাজক বন্ধুৱে এই চিৰকুমাৰ শিল্পী গৰাকীক প্ৰশ্ন কৰিছিল যে তেওঁৰ মৃত্যুৰ পাছত এই অৰ্থ সম্পদৰ গৰাকী কোন হ'ব? তেওঁ হাঁহি হাঁহি উত্তৰ দিছিল, " মোৰ সৃষ্টিৰ এই কলা সমূহেই মোৰ পত্নী। "তেওঁ মোক সদায় সংগ্ৰাম কৰিবলৈ প্ৰেৰণা যোগাই থাকে। মই এৰি যোৱা কলা সম্পদ সমূহেই হ'ব মোৰ সন্তান। যদিও এইবোৰ বৰ উপযুক্ত বা মূল্যবান নহয়, তথাপি মই ক্ষন্তেকৰ কাৰণে হ'লেও সিহঁতৰ মাজতেই জীয়াই থাকিম।"

সঁচাকৈয়ে সেই মহান শিল্পী জনাৰ মনৰ ইচ্ছাই সত্যত পৰিণত হ'ল। এই যুগজয়ী শিল্পী গৰাকীয়ে ৯০ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়। শিল্পৰ ইতিহাসৰ এই নায়কজন মৰিও অমৰ হৈ ৰ'ল। ❑





# যুক্তি শক্তিক জাগ্ৰত ৰূপ প্ৰদানৰ লক্ষ্য লক্ষ্যৰে..............

*শ্ৰী নৰজ্যোতি বৰা*
*স্নাতক দ্বিতীয় বৰ্ষ*

ছক্ৰেটিছে কেৱল আনকহে প্ৰশ্ন সুধিছিল। কিন্তু তেওঁ নিজে সেই প্ৰশ্নবোৰৰ উত্তৰ দিয়া নাছিল। এই কথাটোৱে মানুহক বিৰক্ত তথা কিছু অস্বস্তি কৰিছিল। মানুহবোৰে মনত কিছুমান গুৰুতৰ প্ৰশ্ন নিজে কৰিছিল-"তুমি নিজেই যদি প্ৰশ্নবোৰৰ উত্তৰ নাজানা তেন্তে আনক প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰিছা কিয় ? তুমিতো জিজ্ঞাসুৰ দৰে নম্ৰ হৈ প্ৰশ্ন সোধা নাই; তুমি প্ৰশ্ন সুধিছা জেৰা কৰা ন্যায়ালয়ৰ উকিলৰ দৰে। প্ৰশ্নৰ উত্তৰ পোৱাটো বা পাই সন্তুষ্ট হোৱাটো তোমাৰ উদ্দেশ্য নহয়; তোমাৰ উদ্দেশ্য হ'ল আনক মুৰ্খ বুলি প্ৰমাণ কৰাটো।

কিন্তু আনক মুৰ্খ বুলি প্ৰমাণ কৰাৰ উদ্দেশ্য ছক্ৰেটিছৰ একেবাৰেই নাছিল। তেওঁৰ উদ্দেশ্য আছিল প্ৰত্যেক মানুহৰ মনত যুক্তি সহকাৰে চিন্তা কৰিব পৰাৰ যি শক্তি সুপ্ত হৈ থাকে তাক জাগ্ৰত কৰি তোলা। চিন্তা শক্তি জাগ্ৰত হ'লে মানুহে নিজেই চিন্তা কৰিবলৈ আৰম্ভ কৰিব আৰু তেতিয়া তেওঁৰ সকলো প্ৰশ্নৰ উত্তৰ তেওঁৰ মনৰ ভিতৰৰ পৰাই ওলাব। ছ ক্ৰেটিছে নিজকে তুলনা কৰিছিল ধাত্ৰীৰ লগত। ধাত্ৰীয়ে নিজে গৰ্ভধাৰণ নকৰে। কিন্তু তেওঁ আনৰ গৰ্ভৰ পৰা সন্তান বাহিৰ কৰি অনাৰ কামত সহায়কাৰিণীৰ ভুমিকা লয়। ঠিক সেইদৰে ছক্ৰেটিছে নিজে কোনো প্ৰশ্নৰ উত্তৰ নিদিয়ে। কিন্তু আনক উপৰ্যুপৰি প্ৰশ্ন কৰি তেওঁ মনৰ পৰা শুদ্ধ উত্তৰটো ওলাই অহাত সহায় কৰে। কথোপকথনৰ দ্বাৰা সত্যৰ সন্ধান কৰা এই পদ্ধতিটোৰ লগত ছক্ৰেটিছৰ নাম জিলিকি উঠিল বহু অজ্ঞ মানুহৰ মনত। ছক্ৰেটিছৰ মন্তব্য আছিল যে- " বেছিভাগ মানুহৰ মনতে সুপ্ত হৈ থাকে জ্ঞানাৰ্জনৰ প্ৰতিভা।"

ছক্ৰেটিছে মানুহক শিক্ষা দিছিল ঃ

"তুমি যে একো নাজানা সেইটো জনাই হ'ল প্ৰকৃত জ্ঞান।"

" জীৱনটো যদি পৰীক্ষা কৰি চোৱা নহয় তেন্তে তেনে জীৱন জীয়াই থকাৰ যোগ্য নহয়।"

"যি মানুহে গোটেই পৃথিৱীখনক পৰিচালনা কৰিব খোজে তেওঁ প্ৰথমে পৰিচালনা কৰিব লাগিব নিজক।"

'আটাইতকৈ সুখী মানুহ হ'ল সেইজন-যিজনে অতি কম বস্তুক লৈয়েই সন্তুষ্ট হৈ থাকিব পাৰে।" ❑

Prop - Shree Narayan Deka
Rajaduar, North Guwahati, Guwahati - 781030 (Assam)
Contact :- 98640-89886 (M), 0361-2690430 (R)
GANESH TIMBER, HARDWARE & GROCERY HERE FOUND ALL KIND OF WOOD, HARDWARE ALL GOODS & GROCERY ALL ITEM
(TIN, PALUT, C.I. SHEET ETC.)

# ডাইনোচৰ

*শ্ৰী ৰাজেশ চেতিয়া*
*উঃ মাঃ প্ৰথম বৰ্ষ (কলা)*

বহুদিনৰ আগতে পৃথিৱীত কিছুমান অতিকায় বৃহৎ জন্তুৱে বাস কৰিছিল। কৌটি বছৰতকৈও বেছিদিন আগতে ডাইনোচৰ নামে প্ৰাণী পৃথিৱীত আছিল। সকলোবিলাক প্ৰাণীৰ ভিতৰত এই ডাইনোচৰ বিলাকেই অতি প্ৰতাপী আছিল। ডাইনোচৰ গোটেইবিলাক একে বিধৰ নাছিল। ইহঁতৰ ভিতৰত কিছুমান উদ্ভিদভোজীআৰু কিছুমান মাংসভোজী আছিল। ডাইনোচৰবিলাকৰ ভিতৰত আটাইতকৈ ভয়ংকৰ আছিল ওলোচ'ৰাচ। আকাৰত ইহঁত প্ৰকাণ্ড আছিল আৰু দীঘলে ত্ৰিশ ফুটতকৈও বেছি আছিল। ওলোচ'ৰোচৰ পিছত আৰু এবিধ অতি ভয়ংকৰ আৰু প্ৰকাণ্ড জীৱৰ সৃষ্টি হৈছিল সেইবিধ হ'ল 'টাইৰেনোচৰাচ'। ইহঁতে সম-সাময়িক প্ৰাণীবিলাকৰ প্ৰাণত ত্ৰাসৰ সঞ্চাৰ কৰি গোটেইখনতে দপদপাই ফুৰিছিল। ইহঁত মাংসহাৰী আছিল আৰু আন প্ৰাণীবিলাক খাই ধ্বংস কৰিছিল।

ডাইনোচৰবিলাক আছিল সৰীসৃপ। পণ্ডিতসকলে অনুমান কৰিছে যে পৃথিৱীখন বৰ্তমান অৱস্থালৈ অহাৰ আগতে বহুত সাল-সলনি হৈছিল। পৃথিৱীৰ ওপৰ-ভাগত পৰিবৰ্তন হোৱাৰ লগে লগে উদ্ভিদবিলাকৰো সাল-সলনি ঘটিছিল। পৃথিৱীখন সলনি হোৱাত নতুনকৈ হোৱা উদ্ভিদবিলাক খাব নোৱাৰাৰ ফলতে তৃণভোজী ডাইনোচৰবিলাক মৃত্যুৰ মুখত পৰাটো সম্ভৱ। তৃণবোজী জন্তুবোৰ মৰি হজি নাইকীয়া হলত মাংসহাৰী ডাইনোচৰবিলাকো আহাৰৰ অভাৱত মৰিব লগাত পৰে। দহ লাখ বছৰৰ আগতে পৃথিৱীত ডাইনোচৰ আছিল। সেইবোৰৰ ভিতৰত আটাইতকৈ ডাঙৰ প্ৰজাতিৰ নাম আছিল 'মেমহা'। এই ডাইনোচৰ বিলাক দেখিবলৈ প্ৰকাণ্ড হাতীৰ দৰে আছিল। ইহঁতৰ দাঁতবিলাক হাতীৰ দাঁততকৈও দীঘল আছিল আৰু গাত দীঘল দীঘল নোম আছিল। ইহঁতে বৰফৰ প্লেচিয়াৰৰ মাজত বাস কৰিবলৈ লৈছিল। তাৰ পিছত ইহঁতে দলে দলে নাইকিয়া হল। ডাইনোচৰ বিলাক কিয় ধ্বংস হৈ নাইকিয়া হল তাক মাত্ৰ অনুমানহে কৰিব পাৰি, সঠিকভাৱে ক'ব নোৱাৰি। অনুমান কৰা যায় যে পৃথিৱীৰ জলবায়ুৰ সাল-সলনি হোৱাৰ ফলস্বৰূপে নতুন জলবায়ুৰ সৈতে সিহঁত খাপ্ খাব নোৱাৰা হৈ পৰিল। ফলত জীয়াই থাকিবৰ বাবে নিজৰ মাজতে প্ৰতিযোগিতা হ'ল আৰু পৰস্পৰৰ মাজত মৰা-মৰি কৰি শেষ হ'বলৈ ধৰিলে আৰু চাৰিওফালে অৱস্থাৰ লগত নিজকে খাপখুৱাই লব নোৱাৰি এই অতি প্ৰকাণ্ড জীৱবিলাক মৰি পৃথিৱীৰ পৰা বিলুপ্ত হ'লগৈ। পণ্ডিতসকলে এই তিনিটা কাৰণৰ ফলত ডাইনোচৰ নাইকীয়া হ'ল বুলি অনুমান কৰিছে।

এনেকৈয়ে পৃথিৱীৰপৰা অতিকায় জীৱবিলাক নাইকিয়া হ'ল আৰু সিহঁতৰ ঠাইত সৰু সৰু স্তন্যপায়ী জীৱবিলাকৰ বিকাশ হ'ল। এই জীৱবিলাক চাৰিওফালৰ অৱস্থাৰ সৈতে নিজকে খাপ খুৱাব পৰাৰ বাবেই পৃথিৱীত জীয়াই আছে। □





# যৌৱনৰ পিছল বাটত বিশেষকৈ আমাৰ ক্ষেত্ৰত

*শ্ৰী প্ৰাঞ্জল বৰুৱা*
*উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

যৌৱনকালেই হৈছে জীৱনৰ ভেটি গঢ়াৰ গঠনাত্মক সময়। জীৱনৰ বহল পথাৰখনত মানুহ হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে সৃষ্টি ধৰ্মী প্ৰতিভা বিকাশ কৰি যুগজয়ী খ্যাতি লাভ কৰাৰ সময়ো আহি পৰে যৌৱন কালতে। জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ সঠিক পথৰ সন্ধানত আগবঢ়োৱা সময়েই হৈছে যৌৱনকাল।

যৌৱন। জীৱনৰ সৌন্দৰ্য্যপূৰ্ণ সুখেৰে ভৰা এক বৰ্ণময় সময়। শৈশৱৰ কাপোৰ সাজ সলাই জীৱনৰ উন্নত স্তৰলৈ গতি কৰা এছোৱা জটিল সময়। দেহমনত পৰিবৰ্তনৰ জোৱাৰে জীৱনটো নতুনকৈ উপলব্ধি কৰিবলৈ শিকোৱা সকলোৰে চকুত লগাকৈ দেহৰ পৰিবৰ্তনৰ জোৱাৰ অহাৰ সময়। দেহৰ এই পৰিবৰ্তনে মনলৈও প্লাৱন আনে। ভাব উচ্ছাসত মতলীয়া হৈ যৌৱনত বহু যুৱক-যুৱতীয়ে কেতিয়াবা গোটেই পৃথিৱীখনকে কল্পনা পুৰী বুলি ভাবিবলৈ লয়। জীৱনৰ ৰংবোৰ মিঠা, ধুনীয়া আৰু আনন্দদায়ক বুলি ভাবি সকলোতে সুন্দৰতাৰ প্ৰকাশ বিচৰাৰ সময়ে হৈছে যৌৱন। সেয়ে যৌৱনক বলিয়া বসন্ত বুলিও কোৱা হয়। বসন্তৰ আগমনত বৰদৈচিলাই হিল-দল ভাঙি বিস্তৰ ক্ষতি কৰাৰ নিচিনাকৈয়ে যৌৱনৰ দোমোজাত কোনো কোনোৱে হেৰুৱাই পেলাব জীৱনৰ প্ৰকৃত মাদকতা, ৰূপ ৰস গোন্ধৰে ভৰা এই পৃথিৱীখন কেতিয়াবা তেওঁলোকৰ বাবে কাঁইটেৰে ভৰি পৰে। অহেতুক দুখ ভয় আৰু যন্ত্ৰণাৰে পীড়িত হৈ মানসিক ভাৰসাম্য হেৰুৱাই পেলায়। অন্যহাতেদি এই সময়ছোৱা হৈছে এক সন্ধিক্ষণ। যি সন্ধিক্ষণে বাল্যকালৰ পৰা বয়স্ক কাললৈ লৈ যায়। যৌৱনপ্ৰাপ্ত সময়ছোৱাতে লৰা ছোৱালীৰ দেহ মনলৈ অহা পৰিৱৰ্তনৰ আবেগিক আচৰণতো প্ৰভাৱ পেলায়। মনত হোৱা এই বৈপ্লৱিক পৰিৱৰ্তনৰ জোৱাৰৰ বাহ্যিক প্ৰকাশ ঘটিবলৈ ধৰে মানসিক অস্থিৰতা, কল্পনা প্ৰৱণতা, দিবাস্বপ্ন, দুঃসাহসিক কৰ্মকলাপ আদিৰ জৰিয়তে। জীৱনৰ এই বয়ঃসন্ধি কালেই বুদ্ধি বিকাশৰো উপযুক্ত সময়। সামাজিক চেতনাৰ বিকাশ, সমাজৰ আদৰ্শ, মূল্যবোধ, অনুশাসন আদিৰ লগত সংগতি সাধন কৰি জীৱনক প্ৰতিষ্ঠা কৰা সময়ো এইখিনিয়ে। স্বাধীনচিতীয়া মনোভাৱেৰে কথা আৰু কাম কৰিবলৈ বিচাৰে। পোছাক-পৰিচ্ছদ পিন্ধা, চলা-ফুৰা, কথা-বাৰ্তা সকলোতে চকুত লগা পৰিৱৰ্তনৰ প্ৰকাশ ঘটে। অন্যহাতে যৌৱন কালেই হৈছে জীৱনৰ ভেটি গঢ়াৰ গঠনাত্মক সময়। শিক্ষা-দীক্ষাৰে মহীয়ান হৈ দেশৰ এজন উপযুক্ত নাগৰিক হিচাপে নিজকে গঢ় দিয়াৰ সময়ো এইখিনিয়ে। জীৱন দৰ্শনৰ উপলব্ধি, নৈতিক চেতনাবোধ, আত্মনিৰ্ভৰশীল মনোভাৱ আদিয়ো এই সময়তে মনত ভুমুকি মাৰেহি। জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ সঠিক পথৰ সন্ধানত আগবঢ়োৱা সময়েই যৌৱন কাল। যৌৱনৰ বতাহে ডেকা-গাভৰুৰ মনবোৰো চঞ্চল কৰি তোলে। আৱেগিক আলোড়ন সৃষ্টিয়ে কেতিয়াবা ডেকা গাভৰুবোৰক অনিয়ন্ত্ৰিত কৰি তোলে অনুভূতিৰ পৰিতৃপ্তিৰ বাবেই। তেওঁলোকে যৌন জীৱনৰ ৰহস্য উদঘাটন কৰিবলৈ ব্যাকুল হৈ পৰে। প্ৰেমৰ অনুভূতিয়ে মনবোৰ উদ্বেলিত কৰি বিপৰীত লিঙ্গৰ প্ৰতি আকৰ্ষণ বঢ়াই তোলে। ৰোমান্টিক হৈ পৰা মনবোৰে জীৱন লগৰীৰ সান্নিধ্য বিচাৰি মনবোৰ ভাৰাক্ৰান্ত কৰে। কেতিয়াবা এই সপোন কল্পনাবোৰ দিঠক কৰিব নোৱাৰি কোনো কোনোৱে আত্মহত্যাৰ পথো বাছি লয়। আকৌ যৌৱনৰ এই সময়ছোৱাতে কোনো কোনো ডেকা গাভৰুৱে হতাশাবোধত ভুগি কেতিয়াবা কৰ্মসংস্থাপনৰ সঠিক পথৰ সন্ধান কৰিব নোৱাৰে। বিপ্লৱী পথাৰখনত খোজ পেলায়। আত্মীয় স্বজনৰ মায়া মমতা পাহৰি তেওঁলোকে গতি কৰে বহু দূৰলৈ। এয়াই যৌৱনৰ মায়া। ইয়াতে নিহিত থাকে অন্তৰৰ ঘাত-প্ৰতিঘাত, প্ৰেম-বিৰহ, পোৱা নোপোৱাৰ হিচাপ-নিকাচ। একো একোখন হৃদয়ৰ ডায়েৰীৰ পুঞ্জীভূত বেদনাই হৈছে যৌৱন কাল। □

কথাশিল্প

# এটি চৰিত্ৰৰ সৈতে একাত্মতা

*বনিমা তালুকদা*
*প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভা*

অলপ আগতে মায়ে দি যোৱা খবৰটোৱে মোৰ গা কঁপাই তুলিলে। ক'ব নোৱাৰাকৈয়ে বুকুৰ কোনোবাখিনি
বেদনা অনুভৱ কৰিলো। দুয়োটা চকু মোৰ চলচলীয়া হৈ পৰিল। খবৰটো অন্য একো নহয়, আমাৰ ঘৰত 'পাৰ্টটাইম' কৰ
নুৰ নামৰ মানুহজনীৰ মৃত্যুৰ বাতৰি। কোনোবাই ভাবিব পাৰে এজনী সাধাৰণ মানুহকলৈনো ইমান বেদনা কিয়? কিন্তু
মোৰ মনত নুৰে যেন এক বেলেগ স্থান অধিকাৰ কৰিছিল।

নুৰ আছিল এজনী বঙালী মুছলমান তিৰোতা। নগৰবেৰাৰ ভিতৰৰ কোনোবা এখন গাওঁৰ পৰা গুৱাহাটীত সংগ্ৰা
কৰিবলৈ আহিছিল। আনবিলাকৰ দৰে তায়ো জীয়াই থকাৰ সংগ্ৰামত নামি পৰিছিল। দেখিবলৈ অতি মৰমলগা অমায়ি
স্বভাৱৰ নুৰক দেখি প্ৰথম দিনাই আমাৰ মৰম লাগিছিল। আমাৰ ঘৰত কাম কৰা আয়েশা বায়ে তাইৰ অসুখ হওঁতে নুৰ
তাইৰহে কাম কৰিবলৈ আনি দিছিল। লাহে লাহে নুৰৰ লগত মোৰ এক ক'ব নোৱাৰা সম্বন্ধ গঢ়ি উঠিছিল। তাইৰ জীৱন
সকলোবোৰ কথা মোৰ আগত ক'বলৈ আৰম্ভ কৰিছিল। তাই কৈছিল যে তাইৰ ঘৰৰ অৱস্থা ভাল হোৱা বাবে আৰু তা
দেখিবলৈ ধুনীয়া হোৱা বাবে গাওঁৰ খেতি-বাতি থকা ধনী মানুহ এজনে তাইক বিয়া কৰাইছিল। কিন্তু নিয়তিৰ কি নিষ্ঠু
পৰিহাস! এমাহ নৌহওঁতেই মাছ মাৰিবলৈ গৈ পানীত ডুবি গিৰিয়েকৰ মৃত্যু ঘটিছিল। মানুহজনৰ মৃত্যুৰ পিছত অমঙ্গলীয়া
আখ্যা দি গিৰিয়েকৰ ঘৰৰ মানুহবোৰে তাইক খেদি দিছিল। উপায়-নাপাই তাই মাকৰ ঘৰত আশ্ৰয় লৈছিল। কিন্তু! মাকৰ ঘৰৰ
মানুহেও তাইক ৰখিবলৈ টান পালে। আৰ্থিক ভাবে দুৰ্বল ককায়েক বৌয়েকহঁতে তাইক এটা বোজা বুলি ভাবি ললে। সেয়েহে
তাই নিজৰ জীৱন নিজৰ ভৰিত থিয় হৈ পাৰ কৰিব বুলি মন দৃঢ় কৰি গাওঁৰে তিৰোতা বাণুৰ লগত গুৱাহাটী চহৰ পাইছিল। তাই
শুনিব পাইছিল গুৱাহাটীত কাম কৰিলে হেনো বহুত বহুত পইচা পায়। কিন্তু! গুৱাহাটীত আহি তাই কাম পাইছিল যদিও তাই
নিৰাপত্তাহীনতাত ভুগিছিল। তাইৰ ওপৰত বানুৰ গিৰিয়েক কাদেৰৰ চকু পৰিছিল। কিবা এটা বিপদ হোৱাৰ আগতে তাই
আব্দুলক জীৱন সঙ্গী কৰি লৈছিল। আব্দুল বৰপেটাৰ কোনোবা ভিতৰৰ গাওঁৰ পৰা আহিছিল। সন্তান জন্ম দিবলৈ গৈ
ঘৈণীয়েকৰ মৃত্যু ঘটিছিল। তিনি বছৰীয়া চাকিনাক লৈ সি গুৱাহাটীত থাকিবলৈ লৈছিল। বিপত্নীক আব্দুল আৰু মাতৃহাৰা
চাকিনাক দেখি নুৰৰ মন উথলি উঠিছিল। ইতিমধ্যে আব্দুলৰ লগত তাইৰ নিকাহ হৈ গৈছিল। মোৰো বিয়া হৈ গৈছিল।
ক্ৰমান্বয়ে কৰ্মব্যস্ত জীৱন তথা গাৰ্হস্থ্য জীৱনত মই নিমজ্জিত হৈ পৰিছিলো। মাৰ ঘৰলৈ কেতিয়াবা গলে নুৰক দেখা পাইছিলো।
নুৰক দেখি অনুমান কৰিছিলো তাইৰ মুখৰ উজ্জ্বলতা যেন বহু পৰিমাণে কমি গৈছে। মাহঁতৰ ঘৰত থকা দিনকেইটা তাইক
একান্তমনে কাম কৰি যোৱা দেখিব পাইছিলো। তাই যেন আগতকৈ বহু পৰিমাণে গহীন হৈ গৈছে। তাইক খাবলৈ দিয়া চাহৰ
জলপান, ভাতৰ বস্তু আদি টোপোলা এটাত ভৰাই লোৱা দেখিবলৈ পাইছিলো। এই বোৰ কালৈ নিবি বুলি সুধিলে তাই গিৰিয়েক
আৰু ছোৱালীজনীলৈ বুলি কৈছিল। তোৰ গিৰিয়েৰে জানো কাম নকৰে? তই কিয় তাক খুৱাব লাগে? 'এদিন মই ধমক দি





কোৱা কথাষাৰত তাই মোলৈ একেথৰে চাই আছিল। 'মই কাম কৰি পইচা আৰ্জন কৰো কাৰণে সি একো নকৰে, উল্টাই মোক মাৰে। কামৰ পৰা আহোতে কিয় দেৰি হল, কলৈ গৈছিলি ইত্যাদি কথা সুধি মোৰ ওপৰত অত্যাচাৰ কৰে' - এইবুলি তাই হুকহুকাই কান্দি উঠিছিল আৰু চাদৰখন আতঁৰাই পিঠিত ফুলি থকা ৰঙা ৰঙা আচবোৰ মোক দেখুৱাইছিল। মোৰ গা শিয়ৰি উঠিছিল। "তই কিয় তাক এৰি গুচি নাযাৱ? মই এই বুলি কওঁতে তাই মোক কৈছিল 'কলৈ যাম, কোনে মোক আশ্ৰয় দিব? আমাৰ তিৰোতা মানুহৰ জীৱন এনেকুৱাই। তেতিয়াৰ পৰা মই আৰু তাইক একো কোৱা নাছিলো। ইতিমধ্যে মই মাতৃত্বৰ পথত আগবাঢ়িছিলো। মাৰ পৰা শুনিব পাইছিলো নুৰও গৰ্ভৱতী হৈছে। মাহঁতৰ ঘৰলৈ দুদিনমানৰ কাৰণে আহি পুনৰ নুৰক লগ পাইছিলো। তাইক আগতকৈ উজ্জ্বল দেখিছিলো। তাই লাজ লাজ কৰি তাইৰ মাতৃত্বৰ পথলৈ আগবঢ়া খবৰটো দিছিল। মই তাইক গিৰিয়েকে কেনেকুৱা ব্যৱহাৰ কৰে বুলি সোধোতে তাইৰ গিৰিয়েকে সুযোগ বুজি তাইৰ ওপৰত হাত তোলে বুলি তাই কৈছিল। মোক ডাক্তৰে খাবলৈ দিয়া কিছুমান কেলচিয়াম আৰু আইৰণৰ টেবলেট তাইক দিছিলো। আহিবৰ সময়ত মাক তাইক অলপ ভালকৈ ভাত দিবলৈ কৈছিলো। তাই মোক কৈছিল "দিদি, মোৰ বাচ্চাটো যদি আল্লাই ভালকৈ দিয়ে, তাক লৈ মই জীয়াই থাকিব পাৰিম।" মই গুচি আহিছিলো। সময়ত মোৰ ল'ৰা এটা জন্ম পালে। ল'ৰাৰ জন্মৰ পিছত মই পুনৰ মাৰ ঘৰলৈ গলো। মোৰ লৰাটোৰ কাপোৰবোৰ তাইক নুৰলৈ মন কৰিলো তাই যেন এবাৰ মোৰ লৰাটোলৈ চায়, এবাৰ নিজৰ পেটটোলৈ চায়। মোৰ লৰাটোৰ কাপোৰবোৰ তাইক মই বা মায়ে ধুবলৈ বাধা দিলেও তাই প্ৰতিবাদ কৰি কয়, " এইখিনি কৰিলে মোৰ একো কষ্ট নহয়, অলপ কষ্ট কৰিলে বাচ্চা জনম দিবৰ সময়ত কষ্ট নাপায়।" এমাহ মান পিছত নুৰ গাওঁত যাবলৈ ওলাল। যাবৰ সময়ত তাই কৈ গল ' বাচ্চা জনম পোৱাৰ পিছত তাই আকৌ আহিব। মা- মই দুয়োটাই অলপ টকা আৰু কিছু কাপোৰ-কানি তাইক যাবৰ সময়ত দি পঠালো। প্ৰায় তিনিমাহমান পিছত এটা দেৰমহীয়া মান কেচুৱা কোলাত লৈ তাই আমাৰ ঘৰত উপস্থিত হ'ল আৰু মাক কাবৌ কাকূলি কৰিব ধৰিলে তাইক যেন মায়ে কামত ৰাখে। তাই কেছুৱাটোলৈয়ে কাম কৰিব বুলি কলে আৰু গাওঁৰ পৰা এটা লৰা কেচুঁৱা চাবৰ বাবে অনা বুলিও তাই কলে। উপায় নেপাই মা আৰু পিছফালৰ আন্টিয়ে তাইক কামত ৰাখিলে।

এমাহমান পিছত ক্ৰমান্বয়ে নুৰক দূৰ্বল হৈ যোৱা দেখি, অকৰ্মণ্য গিৰিয়েকৰ লগত থকাতকৈ গাওঁত গৈ চিকিৎসা কৰিবৰ বাবে মায়ে তাইক কলে। অৱশেষত তাই গলগৈ। মা আৰু আন্টিয়ে যাবৰ সময়ত কিছু পইচা দি পঠালে। সময়ৰ ব্যস্ততাত নুৰৰ কথা আমি পাহৰাৰ দৰে হ'ল। মাহঁতেও নুৰৰ অনুপস্থিতিত বেলেগ এজনী মানুহক কামত লগালে। কিন্তু! আজি গিৰিয়েক আহি নুৰ মৰা খবৰটো মাক দিলে। মায়ে আহি মোক কলে। জীৱন সংগ্ৰামত জীয়াই থাকিবলৈ চেষ্টা কৰা নুৰৰ মৃত্যুয়ে মোৰ মন খন্তেকৰ বাবে কঁপাই তুলিলে। 'ববী, তই ইয়াত বহি কি কৰি আছ? বুলি মায়ে মতাতহে মোৰ সম্বিত ঘূৰি আহিল। মই লগে লগে কৌতুহল সামৰিব নোৱাৰি মাক সুধি পেলালো - 'মা, নুৰৰ লৰাটোৰ এতিয়া কি হ'ব? মাতৃ মনৰ কঁপনিয়ে মোক এই কথা সুধিবলৈ বাধ্য কৰালে! 'ল'ৰাটোক বোলে নুৰৰ বায়েকে ডাঙৰ কৰিম বুলি লৈ গৈছে'। মায়ে কোৱা কথাষাৰ শুনি মোৰ মনটো অকনমান হলেও আনন্দিত হৈ উঠিল এই কথা ভাবি অন্ততঃ নুৰৰ ঘৰৰ মানুহে যে নুৰৰ পুতেকক বদমাচ বাপেকটোৰ হাতত তুলি দিয়া নাই---। □

# শেষ উপহাৰ

*শ্ৰী চন্দনা বড়ো*
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

ৰাতিপুৱা বিছনাৰ পৰা উঠি নিশাই খিৰিকীৰ ওচৰলৈ গৈ সন্মুখৰ ফুলনিখনলৈ চাই থাকোতে হঠাৎ তাইৰ মনত পৰিল-আজি 'পাচ জুলাই'- এই বিশেষ দিনটোতেই আজিৰপৰা যোল্ল বছৰ পূৰ্বে নিশাৰ জন্ম হৈছিল আৰু সেই একেই তাৰিখতে আজিৰপৰা বাৰ বছৰ পূৰ্বে তাইৰ মৰমৰ দেউতাকৰ এক সন্ত্ৰাসবাদীৰ আক্ৰমণত মৃত্যু হৈছিল। তাই বিছনাৰ কাষতে থকা আৰামী চকীখনত বহি দেউতাকৰ ফটোখন এপলক নেত্ৰেৰে চাইচাই ভাব সাগৰত বুৰ গ'ল। তাইৰ মানসপটত ভাহি উঠিল এখন কাহানিবাই ভাঙি চুৰমাৰ হৈ যোৱা স্মৃতিৰ দাপোন।

সেইদিনা আছিল নিশাৰ চাৰি বছৰীয়া জন্মদিন। দেউতাকে ৰাতিপুৱাই অফিচলৈ বুলি ঘৰৰপৰা ওলোৱাত নিশাই দেউতাকক আগচি ধৰি অফিচলৈ যাবলৈ মানা কৰিছিল। কিন্তু দেউতাকে কণমাণি নিশাক সন্ধিয়া সোনকালে ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দি অফিচলৈ ওলাই গ'ল। সেইদিনা সন্ধিয়া নিশাই দেউতাকে আগদিনাই আনি দিয়া মৰমলগা ফ্ৰকটো পিন্ধি পখিলা উৰাদি উৰি ফুৰিছিল। সকলোৱে তাইৰ ফ্ৰকটোৰ প্ৰশংসা কৰিছিল। দেউতাকে তাইক দিয়া উপহাৰটো সঁচাকৈয়ে প্ৰশংসনীয় আছিল। বগা ৰঙৰ কাপোৰত সৰু সৰু ৰঙা ৰঙৰ গোলাপ আৰু সেউজীয়া পাতবোৰে তাইৰ কোমল মনটোত সেইদিনা সঁচাকৈয়ে ৰং সানি দিছিল।

তাইৰ আজিও মনত আছে সেই অভিশপ্ত ৰাতিপুৱাটো। পাচ জুলাইৰ দিনা গোটেই নিশাটো দেউতাক আহি নোপোৱাত সিহঁতে (নিশা, মাক আৰু দাদাক অসীম) উজাগৰে কটাই দিছিল যদিও কণমাণি নিশা আৰু দহ বছৰীয়া ককায়েক অসীমৰ চিলমিল টোপনি আহিল। মাকেও সিহঁতৰ ওচৰতে বহি আছিল। লাহে লাহে পৃথিৱীৰ বুকুলৈ নামি আহিল হেঙুলী কিৰণ। কিন্তু কোনেও ভবাই নাছিল সেই কিৰণ ক্ষন্তেক পিছতে এচপৰা ক'লা ডাৱৰলৈ ৰূপান্তৰিত হ'ব।

পাঁচমান বজাত হঠাৎ ফোনটো বাজি উঠিল। মাকে ফোনটো উঠাই হেল্ল' বুলি কোৱাত সিফালৰপৰা কনিষ্টবল নবীনৰ মাত ভাহি আহিল। নবীনে ক'লে বাইদেউ, ছাৰৰ এক্সিডেন্ট হৈছে, কিন্তু চিন্তাৰ কাৰণ নাই। আমি তেখেতক লৈ গৈ আছো। ইতিমধ্যে নিশা আৰু অসীমেও সাৰ পাই উঠিছিল। সিহঁতে মাকক সুধিলে- মা, দেউতাৰ ফোন নেকি? দেউতা কিয় অহা নাই? দেউতা ক'ত আছে? কিন্তু মাকে সিহঁতৰ প্ৰশ্নৰ উত্তৰ দিবলৈ নাপাওঁতেই কলিং বেল বাজি উঠিল। মাকে দুৱাৰখন খুলি দেখিলে গাড়ীৰপৰা কাৰোবাৰ ডেডবডি এটা কেইজনমান পুলিছে নমাই আছে। মাকৰ বুজিবলৈ বাকী নাথাকিল। বগা কাপোৰেৰে আবৃত দেহটোৰপৰা কাপোৰখন অলপ গুচাই দিয়াত উচ্চপদস্থ আৰক্ষী বিষয়া অনুপম বৰুৱাৰ মুখখন দেখাৰ লগে লগেই তেখেতৰ সহধৰ্মিনী কবিতা ঢলি পৰিল।

ইফালে নিশাই অসীমক অজস্ৰ প্ৰশ্নবাণ নিক্ষেপ কৰিবলৈ ধৰিলে-"মা কিয়পৰি গ'ল? মাক কিয় পানী ঢালি আছে? সি নিশ্চুপ হৈ ৰ'ল। শোকে তাক বোবা কৰি পেলাইছিল। চকুৰে চকুলো ববলৈ ধৰিলে। নিশাই এইবাৰ দেউতাকক অভিমান কৰি ক'বলৈ ধৰিলে- দেউতা তুমি কিয় নামাতা? প্লিজ, উঠানা! দাদাক গালি পাৰাচোন। মই কিবা সুধিলেও সি নামাতে। চোৱানা দেউতা কিয় মাক পানী ঢালিছে! তুমি মানা কৰাচোন! মাৰ ঠাণ্ডা লাগিব নহয়! তুমি কিয় একো নোকোৱা, তুমি মোক বেয়া পাইছা নেকি? মই কিন্তু তোমাক খুব বেয়া পাইছো। কাৰণ তুমি মোৰ জন্মদিনত ঘৰলৈ নাহিলা এতিয়া আহিছা তাকো শুই আছা।"

অসীমে তাৰ ধৈৰ্য্যশীল মনটোক বান্ধি ৰাখিব নোৱাৰিলে। সি নিশাক সাৱটি ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে। তাই কিন্তু একো বুজি নাপালে। মাথো সকলোৰে নিৰ্বাক মুখবোৰলৈ একেথৰে চাই ৰ'ল।

এনেতে মাকে তাইক মাত লগোৱাত তাই বাস্তৱ জগতলৈ ঘূৰি আহিল। দেউতাকৰ ফটোখন চাই নিজকে কৈ উঠিল- "দেউতা আজিও মই তোমাৰ সেই স্নেহসিক্ত 'শেষ উপহাৰটো' হিয়াৰ মাজত সযতনে সাঁচি ৰাখিছো।" ❑





# জীৱন

*শ্ৰী হিমাক্ষী ডেকা*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

জীৱন এক নিষ্ঠুৰ সত্য, হাঁহি কান্দোন, মৰম-ভালপোৱা, সুখ-দুখ যাৰ কোনো শেষ নাই। অথচ এয়া কি জীৱনক জানিবলৈ, বুজিবলৈ আৰু তাৰ বিশাল ৰহস্যৰ গুপুত সম্ভেদ বিচাৰি নিঃকিন মানৱৰ সীমাহীন নিষ্ফল প্ৰয়াসেই নেকি জীৱন?

জীৱন কেতিয়াবা থমকি ৰয় জানো? কোনোবাই জানো স্থবিৰতা আনি দিব পাৰে এই গতিশীলতাৰ? সেই প্ৰশ্নৰ উত্তৰ নাই। জীৱনৰ গতিত আমিবোৰ আগুৱাইছো।

ডাৱৰৰ পৰা টোপাটোপে খহা নিয়ৰবোৰ পুৱাৰ ৰাঙলী আভাত জলমলাই উঠে সেইজীয়া দুবৰিত পৰি জলমলাই উঠাৰ আনন্দত পৰশিত হৈ পাহৰি থাকে হেৰাই যোৱাৰ প্ৰতিশ্ৰুতিৰ কথা। মৰুভূমিৰ বুকুত দুপৰৰ উজ্বল খেলাত নিমগ্ন হৈ তৃষ্ণাতুৰ পথিকৰ আকুলতাত খোজ বিলাক আগবঢ়াই দিয়ে সুবিশাল জলধাৰা বিচাৰি যেন কোনো নিৰিবিলি স্বপ্নৰ সূদূৰ প্ৰদৰ্শনী। তপত বালিৰ প্ৰতি খোজতে মৰুদ্যানৰ স্বপ্ন, কিন্তু সেয়া যে মাথো মৰীচিকা।

আমি নাজানো আমাৰ লক্ষ্য ক'ত- উদিত সুৰুযৰ হেঙুলী ৰশ্মিৰ দিশে নে - পশ্চিমত বিদায় ল'বলৈ ওলোৱা বেলিৰ পিছে পিছে ৰাতিৰ আন্ধাৰৰ ফালে? জীৱনৰ ধূলি ধূসৰিত পথত আশাৰ মৰীচিকা খেদি ফুৰোতেই হেৰাই যায় ঠিকনাবোৰ। আমি যে গমেই নাপাওঁ মৰীচিকাৰ সপোনত দিক্‌ভ্ৰান্ত হৈআমি অস্তগামী-সুৰুযতে বিচাৰি পাওঁ নবোদিত সুৰুযৰ অনুভৱ আৰু পাহৰো নোপোৱাৰ বিষাদ। হেৰুওৱাৰ বিষাদতে অনুভৱ কৰো পোৱাৰ বিষাদক আৰু তেতিয়াই আমি পিন্ধি লওঁ কিছুমান উৎসৱৰ সাজ। একেটা ভুলকেই বাৰে বাৰে, অথচ সুধিবলৈ পাহৰি যাওঁ- 'আকাশ তোৰ বিশালতা কিমান?"

জীৱনৰ পৰা আমি কি পাওঁ? যদি কিবা পাওঁ সেয়া আন একো নহয় মাথোঁ শূন্যতা। শূন্যতাই যেন আমাৰ জীৱন বোধৰ পৰিচয়। আশাহীন হৈ পৰা মূহূৰ্তবোৰত আমি প্ৰত্যেকেই যেন অনুভৱ কৰো জীৱনৰ এক-বিৰাট শূন্যতা। নিসংগ হৈ পৰা মূহূৰ্তবোৰত পান কৰো আলেকজেণ্ডাৰ চেলকাৰ্কৰ সেই অকলশৰীয়া স্মৃতিৰ টুকুৰাবোৰ। তেতিয়াই বিশ্বাস হেৰুৱায় পেলাওঁ নিজৰ ওপৰত, সকলোৰে ওপৰত। গছকি গছকি ভাঙি পেলাওঁ অতি নিষ্ঠুৰভাৱে, নিৰ্মমতাৰে অতদিনে মনৰ কোনোবা কোণত সাঁচি ৰখা সেউজীয়া সপোনবোৰ। সপোন ভঙা গঢ়াতেই ব্যস্ত হৈ বাস্তৱৰ পৰা আঁতৰি আহি ধাবিত হওঁ অন্ধকাৰ গুহাৰ মাজেদি অকলশৰে। সেই বিষাদতে হেৰুৱাওঁ বিশ্বাস। তথাপি আকৌ সাজু হওঁ এক দীঘলীয়া যাত্ৰাৰ বাবে, নতুন উদ্যমৰ আমোঘ মন্ত্ৰেৰে-নীৰৱতাৰ সুৰুঙাইদি, বোধ আৰু বিবেকৰ নতুন পথেৰে——। ❑

# দূঃস্বপ্ন

শ্ৰী লক্ষী দাস
স্নাতক ১ম বৰ্ষ (কলা)

সিদ্ধাৰ্থই কথাটো এবাৰ পুনৰ ভাবি চালে। তাৰ ভাৱ হ'ল সি ঠিকেই কৰিছে। কিয়নো সি মনত কৰিছিল সিদ্ধাৰ্থ আৰু প্ৰশান্ত দুয়ো বন্ধু আছিল। সিদ্ধাৰ্থৰ দেউতাক আৰু প্ৰশান্তৰ দেউতাক দুয়ো স্কুলৰ শিক্ষক আছিল আৰু দৰমহা কিন্তু সিদ্ধাৰ্থৰ দেউতাকে বেছি পাইছিল। কিন্তু প্ৰশান্তৰ দেউতাকে কম পাইছিল। কিন্তু এদিন কালক্ৰমত প্ৰশান্তৰ দেউতাকৰ মৃত্যু হয় আৰু দেউতাকৰ চাকৰিটো পুতেকে পায় আৰু দেউতাকৰ জীৱন বীমাৰ পইচা খিনিয়েদি সিহঁত সিদ্ধাৰ্থহঁততকৈও বেছি ধনী হৈ পৰে। এদিন সিদ্ধাৰ্থ গাড়ীৰ বাবে ৰৈ থকা দেখি প্ৰশান্তই তাক নিজৰ নতুনকৈ কিনি অনা হিৰ' হোন্দাখনত উঠাই লৈ সিহঁতৰ ভঙা ঘৰটোৰ ঠাইত নতুনকৈ সজা দুইতলীয়া ঘৰটোলৈ লৈ যায় আৰু বগা বস্ত্ৰ পৰিধান কৰা মাক ওলাই আহি সিদ্ধাৰ্থক মৰম আদৰেৰে চাহ-জলপান আৰু নানা বিধ মিঠাইৰে তাক ভোজন কৰায়। সি তেতিয়া ভাবিছিল যে কি প্ৰশান্তহঁতৰ ঘৰত আগতে একাপ লাল চাহ দিবলৈ চেনিও নাছিল এতিয়া সিহঁতে আলহী গলে মিঠাইৰে চাহ দিয়ে। তাৰ পিছত প্ৰশান্তই সিদ্ধাৰ্থক নিজৰ গাড়ীয়েদি সিদ্ধাৰ্থহঁতৰ ঘৰত তাক থৈ যায়। তেতিয়া সিদ্ধাৰ্থই ঘৰত আহি ভাৱে যে তাৰ দেউতাকো যদি ঢুকায় তেতিয়া সিও দেউতাকৰ চাকৰিটো পাব আৰু দেউতাকৰ জীৱন বীমাৰ পইচা খিনিয়েদি সিও এখন গাড়ী আৰু এটা সুন্দৰ ঘৰত থাকি মাকৰ লগত সুন্দৰভাৱে জীৱন নিৰ্বাহ কৰিব পাৰিব। আৰু সি ভাবিলে দেউতাকৰ মৃত্যুৰ বয়স হোৱা নাই। গতিকে সিয়ে যদি দেউতাকক বিষ বা কিবা বিষাক্ত বস্তু খোৱাই দি মাৰি পেলাই............। তাৰ পিছত তাৰ হঠাতে প্ৰশান্তৰ মাকে পিন্ধা বগা বস্ত্ৰখনলৈ চকু পৰিল। সি ভাবিলে যে যদি তাৰ দেউতাক ঢুকাই তেতিয়া তাৰ মাকেও আলহীৰ আগত বগা বস্ত্ৰখন পিন্ধি আহিব লাগিব আৰু মাকৰ কপালৰ সৌন্দৰ্য্য বৃদ্ধি কৰা সেই ডাঙৰকৈ লোৱা ৰঙা ফোঁটটোৱে নাথাকিব। সেই কথা ভাবি সি থিৰ কৰিলে যে সি যি পৰিস্থিতিত আছে তাতেই সি সন্তুষ্ট আৰু তাৰ এই দূঃস্বপ্ন সি ত্যাগ কৰিলে। ❑

**(যোৰা কলেজ সপ্তাহ উপলক্ষে পতা খিতাতে লিখা গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)**





# মাঁ

শ্ৰী ৰিমঝিম গোস্বামী
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

সিদ্ধাৰ্থই কথাটো এবাৰ পুনৰ ভাবি চালে। তাৰ ভাৱ হ'ল সি ঠিকেই কৰিছে।

সিদ্ধাৰ্থৰ যেনে নাম, স্বভাৱ চৰিত্ৰয়ো ঠিক তেনেকুৱায়ে। সকলোৱে পৰা অমায়িক, বুদ্ধিমান আৰু উদাৰ স্বভাৱৰ সিদ্ধাৰ্থই নিজৰ একমাত্ৰ লগৰী মাকক খুব ভাল পায়। তাৰ যেতিয়া মাত্ৰ দুবছৰ বয়স তেতিয়াই এক মটৰ দুৰ্ঘটনাত দেউতাকৰ মৃত্যু ঘটে। মাকৰ মূৰত যেন সৰগখনহে ভাঙি পৰে। সেই ফুলকুমলীয়া লৰাটোৰ মুখলৈ চাই মাকে কিবাকৈ ধৈৰ্য্য ধৰে আৰু সেই তেতিয়াৰে পৰা নানা ঘাত প্ৰতিঘাতৰ মাজেৰে সিদ্ধাৰ্থক ডাঙৰ কৰে। সি এতিয়া এজন চফল ডেকা ৰূপে গুণে লৰাটোলৈ চালে সকলোৰে মৰম লাগে।

যৌৱনৰ দুৱাৰদলিত ভৰি দিয়া সিদ্ধাৰ্থৰ মন ফাগুণৰ বতাহৰ দৰে উৰি ফুৰিছিল। কলেজৰ বিভিন্ন ল'ৰা-ছোৱালীৰ লগ লাগি সিদ্ধাৰ্থইয়ো বহু ভাল বেয়া কাম কৰি ফুৰিছিল।

কলেজতে তাৰ পৰিচয় ঘটে ধনী ঘৰৰ কন্যা ৰীতাৰ লগত। সিহঁত দুয়োটা প্ৰথমে ভাল বন্ধু আছিল কিন্তু পিছলৈ সিহঁতৰ মাজত প্ৰণয়ৰ সম্পৰ্ক গঢ় লৈ উঠে। সিহঁত দুয়োটাই ইজনে সিজনক খুব পছন্দ কৰে কিন্তু সিদ্ধাৰ্থই মাকৰ কথা মনত পেলাই শিয়ৰি উঠে কিয়নো মাকে তাক ইমান কষ্ট কৰি পঢ়াইছে আৰু যদি সি পঢ়া শুনা নকৰি আন বাহিৰা কথাত মূৰ ঘমাই থাকে মাকে নিশ্চয়ে মনত খুব দুখ পাব।

যেতিয়া ৰীতাই সিদ্ধাৰ্থৰ কথা দেউতাকক কলে, তেতিয়া প্ৰথমে যদিও দেউতাকে ইতস্ততঃবোধ কৰিছিল, কিন্তু পুত্ৰী প্ৰেমত তেওঁ তাইক ক'লে যে, সিদ্ধাৰ্থৰ লগতে তাইক বিয়া দিব কিন্তু বিয়াৰ পাছত সিদ্ধাৰ্থই তেওঁলোকৰ ঘৰতে থাকি তেওঁৰ কামত সহায় কৰিব লাগিব।

ৰীতাই আহি এই কথাষাৰ সিদ্ধাৰ্থক ক'লে। সিদ্ধাৰ্থ প্ৰথমে আনন্দিত হ'ল কিন্তু পিছত সি কিবা এটা ভাবি ঘৰলৈ গুছি আহিল।

ঘৰত আহি সিদ্ধাৰ্থই মাকৰ মুখখন দেখি যেন ভয় খাই গ'ল। সকলোৱে পৰা অকলে নানান কষ্টৰ মাজেৰে যুঁজ দি মাকে তাক ডাঙৰ কৰিলে আৰু যেতিয়া এইবাৰ তাৰ মাকক সুখ দিয়াৰ সময় আহিছে, নিজৰ ভৰিত নিজে থিয় দিয়াৰ সময় আহিছে আৰু সি এতিয়া লোকৰ সহায়ত থিয় হ'ব লাগিব। লোকৰ সম্পত্তিৰ অধিকাৰী হৈ মাকৰ আগত কিদৰে মুখ উলিয়াব পাৰিব? শেষত, সি ঠিক কৰিলে যে, সি ৰীতাক পাহৰি পেলাব আৰু মাকৰ ইচ্ছা অনুযায়ীয়ে নিজৰ ভৰিত নিজে থিয় দিব। সিদ্ধাৰ্থই কথাটো এবাৰ পুনৰ ভাবি চালে। তাৰ ভাৱ হল সি ঠিকেই কৰিছে। কথাষাৰ ভৱাৰ লগে লগে তাৰ চকুৰে এক আনন্দৰ চকুলো আহিল। সি এবাৰ মৃত দেউতাকৰ ফটোৰ আগত প্ৰণাম জনাই মাকক গৈ আনন্দত সাৱটি ধৰিলে। মাকে প্ৰথমে একো বুজি পোৱা নাছিল, কিন্তু তেওঁ এক অজান আনন্দত পুলকিত হৈ পৰিল। ❑

(মহাবিদ্যালয় সপ্তাহ উপলক্ষে খিতাতে লিখা গল্প প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)

# প্ৰেম

*ৰাজীৱ দেউৰী*
*স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)*

আকৌ এজনী ছোৱালীৰ হৃদয় আজি মই ভাঙি চুৰ মাৰ কৰি দিলো। ছোৱালীজনী যে দেখাত বেয়া তেনে নহয় দেখাত তাই ভালেই কিন্তু কিয় জানো মোৰ ভাল নালাগে। মই যেন কোনোবা এজনী ছোৱালীৰ কাৰণে বৈ আছো যাক আজিলৈকে বিচাৰি পোৱা নাই। কিন্তু কোন সেই নাৰী? সিদিনাখন সপোনতো তাইক দেখা পাইছিলো, কিন্তু মুখখন দেখাৰ আগতেই সাৰ পাই গলো। ক'ত বিচৰা নাই মই তাইক, যতেই যাও তাতেই বিচাৰো কিজানিবা লগ পাইয়েই যাওঁ। কিন্তু নাই আজিলৈকে মই বিফলতাৰ বাহিৰে একো পোৱা নাই। অনুপেতো মোৰ নামটোৰ পিছত 'সপোন প্ৰেমিক' বিশেষণটো লগাই দিছেই। কিন্তু মোৰ বিশ্বাস আছে যে মই কৰবাত নহয় কৰবাত সেই সপোন কুঁৱৰীক বিচাৰি পামেই। কেতিয়াবা মই ভাবো মই বাৰু মৰুভূমিত মৰীচিকা বিচাৰি আছো নেকি? কিন্তু এবাৰো মই ইয়াৰ সু উত্তৰ পোৱা নাই।

আজি দেওবাৰ, গতিকে কৰবাত ফুৰিবলৈ যাওঁ বুলি ওলাওতে মনত পৰিল যে আজিচোন পিংকীৰ জন্মদিন। ৰাতিপুৱাই আহি তাই মাতি থৈ গৈছিল। নগলে হেনো তাই খুউব বেয়া পাব, মোক হেনো কেতিয়াও আৰু নামাতে। পিংকী হল অনুপৰ একমাত্ৰ ভনীয়েক। সেইফালৰ পৰা তাই মোৰো ভন্টি। অনুপ আৰু মই দুয়ো সৰুৰে পৰা খুউব ভাল বন্ধু। সিহঁতৰ ঘৰৰ আটায়ে মোক খুউব মৰম কৰে। আমাৰ ঘৰতো তাক মা দেউতাই নিজৰ লৰাৰ দৰে মৰম কৰে। গতিকে আজি সিহঁতৰ ঘৰলৈ নগলে বেয়া পাব বুলিয়েই মই সিহঁতৰ ঘৰলৈ ওলালো। ঘৰ পাই দেখো মানুহবোৰ প্ৰায় গৈ শেষ হৈছেই। মাত্ৰ পিংকীৰ দুজনীমান বান্ধৱীহে আছে। মোক দেখা পাইয়ে তাই আৰম্ভ কৰিলে।

ঃ 'অ' ৰাজদা এতিয়াহে তুমি সময় পালা। নাহিলেও হ'লহেঁতেন চোন। তাইৰ কথাত অভিমানৰ সুৰ।

ঃ কি কৰিম অ' পিংকী, আজি যে তোমাৰ জন্মদিন মই পাহৰিয়েই গৈছিলো।

ঃ হয় নেকি অ' সপোন প্ৰেমিক। কৰবাৰ পৰা আহি অনুপেও যোগ দিলে- "পিছে আজিনো তুমি সপোনত কি দেখিলা?"

ঃ ৰচোন ব' সকলো সময়তে ঠাট্টা কৰি নাথাকিবি।

তেনেতে খুড়ীদেউ অৰ্থাৎ অনুপৰ মাক আহিল চাহ জলপান লৈ। মাকক দেখি সকলো ঠাণ্ডা হৈ গল। সকলোকে জলপান বিলাই মাকে ক'বলৈ ধৰিলে?

ঃ কি অ' তহঁতচোন একেবাৰে ঠাণ্ডা হৈ গলি। মই অহাই ডিষ্টাৰ্ব হৈছে নেকি? ৰবি মই ওলাই গৈছো।

ঃ নাই নাই খুড়ীদেউ একো অসুবিধা হোৱা নাই - মই ক'লো।

মাকে চাহ জলপান দি হাঁহি হাঁহি ওলাই গ'ল। চাহ তাহ খাই উঠাৰ পিছত অনুপেও মোক তাৰ কোঠালৈকে মাতি সি নতুনকৈ অনা কিতাপখন দেখুৱাবলৈ থিয় হৈ তাৰ কোঠালৈ যাবলৈ ওলাইছেহে মোৰ পিংকীৰ কাষত থকা ছোৱালীজনীলৈ চকু গ'ল। এক মূৰ্হতৰ বাবে মই যেন নিজকে পাহৰি গ'লো। যেন সৰগৰ 'পৰী' এজনী এই ধৰালৈ নামি আহিছে। তাইক বৰ্ণনা কৰিবলৈ মই যেন ভাষাই বিচাৰি পোৱা নাই। হয় এইজনীয়েই মোৰ সেই সপোন কুঁৱৰী যাক আজিলৈকে কতো বিচাৰি পোৱা নাছিলো। মন্ত্ৰমুগ্ধৰ দৰে মই তাইৰ ফালে চাই থাকিলো। কিমান সময় যে মই তেনেকৈ আছিলো গমেই নাপালো। ভাগ্য ভাল যে ছোৱালীজনীয়ে গম নাপালে। অনুপে আহি মাত দিয়াত হে মোৰ জ্ঞান ঘূৰি আহিল।

অনুপক কিবা কম বুলি মুখ মেলোতে দেখিলো সি মিচিকিয়াই আছে। পিংকীৰ ফালে চাই দেখো তায়ো মোৰ ফালে চাই হাঁহি আছে। তাৰ মানে ইহঁতে সকলো কথা গম পালেই।





ৰাতি শুৱৰ সময়তো মোৰ ছোৱালীজনীৰ কথাকে বাৰে বাৰে মনলৈ আহিব ধৰিলে। ৰাতিপুৱাই মই ছোৱালীজনীৰ কথা পিংকীক সুধিম।

পিছদিনাখন ৰাতিপুৱাই উঠি মুখ হাত ধুই,চাহ জলপান খাই অনুপহঁতৰ ঘৰলৈ গ'লো। মোক দেখি পিংকীয়ে কবলৈ ধৰিলে।

ঃ আহা আহা ৰাজ দা, মই জানিছিলো তুমি আজি আহিবাই।

ঃ গম পাইছাই যেতিয়া এতিয়া মোক সহায় কৰা। মই কলো। " ছোৱালীজনীৰ নাম কি? ক'ত আছে, ঘৰৰ কথা সকলোবোৰ কোৱা এতিয়া।"

পিংকীয়ে ক'বলৈ ধৰিলে, তাইৰ নাম ৰশ্মি বৰুৱা, ঘৰ ৰজাদুৱাৰত। মাক দেউতাকৰ একমাত্ৰ সন্তান। পঢ়াতো খুউব চোকা। মোৰ লগতে এইবাৰ তাই উচ্চতৰ মাধ্যমিক চুড়ান্ত বৰ্ষৰ ছাত্ৰী। আজিলৈকে তাইক বহুতো লৰাই প্ৰেম নিবেদন কৰিছে যদিও তাই কাকো আজিলৈকে ভাল পোৱা নাই। চমুকৈ ৰশ্মিৰ কাহিনী এয়াই।

ঃ আচ্ছা, পিংকী, তুমি মোক তাইৰ লগত চিনাকি কৰি দিবানে?

ঃ অহাকালি আমি শিব মন্দিৰলৈ যাম। তালৈ ৰশ্মিও আহিব তেতিয়া চিনাকি কৰি দিম হবনে?

ঃ হ'ব দিয়া।

পিছদিনাখন ভালকৈ গাপা ধুই মন্দিৰলৈ বুলি ওলালো। মন্দিৰ পাই দেখো পিংকী এতিয়াও আহি পোৱাই নাই। গতিকে মন্দিৰৰ খটখটিটোত বহি সপোন কুঁৱৰীৰ অপেক্ষা কৰিবলৈ ধৰিলো। কিছুসময় পিছত পিংকী আৰু ৰশ্মি দুয়ো মন্দিৰৰ ভিতৰৰ পৰা ওলাই আহিল। তাৰমানে ইহঁতে কেতিয়াবাই এইখিনি পালে।

ঃ ৰাজ দা আৰু অলপমান সময় পলম কৰিলে আপুনি হয়তো আমাক লগ নাপালেহেঁতেন। পিংকীয়ে প্ৰসাদ অলপমান মোৰ ফালে আগবঢ়াই দি ক'লে।

পিংকীৰ প্ৰস্তাৱতে তিনিও আহি মন্দিৰৰ কাষৰ ডাঙৰ শিলটোত বহিলো। কিছুসময়ত পিছত পিংকীয়ে আমাক দুয়োকে মানে ৰশ্মি আৰু মোক চিনাকি কৰি দিলে।

ঃ ৰাজদা এয়া মোৰ বান্ধৱী ৰশ্মি বৰুৱা আৰু ৰশ্মি এইয়া মোৰ দাদাৰ বন্ধু মানে মোৰ দাদা ৰাজ দা।

পৰিস্থিতি বুজি পিংকীয়ে চেগুল জোৰ পাহৰিলে বুলি আমাৰ কাষৰ পৰা উঠি মন্দিৰলৈ বুলি গল। দুটা এটা সৰু সুৰা কথাৰে দুয়ো প্ৰথমতে কথা পাতিবলৈ ধৰিলো। আচলতে এই পিংকীয়ে মোৰ বিষয়ে তাইক ইতিমধ্যে সকলো কৈছেই।

ঃ পিছে ৰাজ দা আপুনি আপোনাৰ সপোন কুৰঁৰীক বিচাৰি পাইছেনে?

ৰশ্মিৰ মুখত ৰাজ দা সম্বোধনটো শুনি ভালে লাগিল। 'সপোন কুৰঁৰী' তাৰমানে পিংকীয়ে এইটোও ৰশ্মিক আগতীয়াকৈ কৈ দিছে। এবাৰ ভাবিলো কওঁ নেকি তুমিয়ে মোৰ সেই সপোন কুৰৰী' বুলি পিছে নোকোৱাটোকে ভাল হ'ব বুলি ভাবি কলো।

ঃ বিচাৰি পালো কিন্তু এতিয়া ছোৱালীজনীক কোৱাটোহে সমস্যা।

ঃ তোমালোক লৰাবোৰৰ সেইটোৱে ডাঙৰ দোষ, কাৰোবাক ভাল পাইছা কৈ দিয়া। হয় বা নহয় সেয়া পিছৰ কথা।

ঃ কম ব'বা, পিছে এতিয়া নহয়।

ইতিমধ্যে পিংকীয়ে আহি পালে, গতিকে ঘৰলৈ বুলি উঠিলো। সিদিনাখনৰ পিছত ৰশ্মি আৰু মই নানা ঠাইত লগ হব ধৰিলো। কেতিয়াবা নদীৰ পাৰৰ বালি চাপৰিত, আকৌ কেতিয়াবা মন্দিৰত। এইদৰে দুয়োৰে মাজত ভাল বন্ধুত্ব গঢ়ি উঠিল যদিও আজিলৈকে মই তাইক ভাল পাওঁ বুলি ক'ব পৰা নাই। ইতিমধ্যে ৰশ্মিৰ পৰীক্ষাও কাষ চাপি আহি আছে গতিকে দেউতাকে তাইক ঘুৰিবলৈ প্ৰায় মানা কৰি দিছে। ফলত তাইক লগ ধৰাটোও কঠিন হৈ পৰিল।

আজি ৰশ্মিৰ পৰীক্ষা শেষ হ'ব গতিকে তাইক লগ ধৰাৰ কথা ভাবি ৰাস্তালৈ ওলাওতে দেখিলো হাতত চিঠিৰ টোপোলা এটা লৈ হলধৰে আমাৰ ফালে আহি আছে। হলধৰ মোৰ সহপাঠী আছিল। দেউতাক ঢুকুৱাৰ পিছত ঘৰৰ সমস্ত দায়িত্ব সিয়ে মূৰ পতি ল'ব লগা হ'ল। গতিকে পঢ়াশুনা বাদ দি এই পিয়নৰ চাকৰিটোৱে কৰিব ললে।

ঃ কি অ' হলধৰ কোনফালে ওলালা ?

ঃ তোমাৰ নামত চিঠি এখন আহিছে অ' ৰাজ।

ঃ মোৰ নামত ?

কোনে দিব পাৰে বাৰু ? মোৰতো কোনো দুৰণিৰ বন্ধু বান্ধৱী নাই। কথাটো ভাবি থাকোতে হলধৰে কেতিয়া মোক চিঠিখন দি মোৰ পৰা বিদায় লৈ গল গমেই নাপালো। চিঠিখনৰ ওপৰৰ নামটো পঢ়ি চালো হয় চিঠিখন মোৰেই হয়। পঠাওতাৰ ঠিকনা চাই দেখো যোৰহাটৰ কোনোবা বেংকৰ পৰা আহিছে। মইতো কেতিয়াও বেংকৰ পৰা ঋণ লোৱা নাই। ঘৰৰ পৰাও লোৱা নাই, তেন্তে...... যি হয় হব বুলি চিঠিখন খুলি চাই আনন্দত মতলীয়া হৈ পৰিলো। হয়তো, কথাটো মই পাহৰিয়েই গৈছিলো। যোৱাবাৰ বেংকৰ চাকৰি এটাৰ বাবে পৰীক্ষা দিছিলো। পৰীক্ষাত মই সুখ্যাতিৰে উত্তীৰ্ণ হৈছো, মোক ইন্টাৰভিউৰ বাবে পৰহি ১১ বজাত উপস্থিত হ'ব দিছে। কথাটো পঢ়ি মনৰ আনন্দতে মা দেউতা সকলোকে কৈ অনুপহঁতৰ ঘৰলৈ লৰ দিলো এই সুখবৰটো শুনাবলৈ।

ঘৰলৈ ঘূৰি আহি ভাবিলো আজি মই ৰশ্মিক লগ নধৰো। কাইলৈ সিহঁতৰ ঘৰলৈ গৈ নিজেই সকলো কম। সিদিনা দেউতাৰ চকুত আনন্দৰ ৰেখা দেখা পাইছিলো। মাক'তো কবই নালাগে। কাক যে কোৱা নাই কথাটো। মনৰ আনন্দতে দেউতাই সিদিনা মাংস আনি বাহিৰে বাহিৰে অনুপকো নিমন্ত্ৰণ কৰি আহিল। ভাত পানী-খাই অনুপক মই এটা আগতীয়াকৈ টিকট কৰিব ক'লো। অৱশ্যে সিদিনা সি আমাৰ ঘৰতে থাকিল।

পিছদিনাখন মোৰ ৰাতি দহ বজাত বাছৰ সময়। গতিকে আবেলি ৰশ্মিৰ ঘৰলৈ গ'লো। ৰশ্মিক সিদিনা খুব ধুনীয়া লাগিছিল। ভাবিলো আজি প্ৰপোজ দিয়েই দিও। মোক দেখিয়েই তাই চিঞৰি উঠিল, " ৰাজদা কেতিয়াকৈ খুৱাবা ! মিঠাই আনিছানে ?" 'মিঠাই ?" তাৰ মানে পিংকীয়ে কৈ দিলেই। এই ছোৱালীবোৰো যে আৰু এটা কথা পেটত ৰাখিব নোৱাৰে।

ঃ নাই অ' খবৰটো দিবলৈকে আহিছিলো, কিন্তু তুমিচোন গম পাইছাই

ঃ অ'তো ইমান সুখবৰ এটা নোপোৱাকৈ থাকিমনে ?

এইদৰে দুটা এটা কথা পাতি থাকোতে মাকে দুয়োকে চাহ দি গ'ল। ভাবিলো এইটো উত্তম সময়, কাৰণ মোৰ খবৰটো শুনি মোতকৈ বেছি তাইহে আনন্দিত হোৱা দেখা পালো। গতিকে ইফালে সিফালে চাই আৰম্ভ কৰিলো।

ঃ ৰশ্মি, বহুদিন ধৰি তোমাক এটা কথা কম বুলি ভাবি আছো। কিন্তু ক'ব পৰা নাই, নাজানো কিয় ? ৰশ্মি মই তোমাক ভালপাও ৰশ্মি, মই বিচাৰি ফুৰা সেই সপোন কুৱঁৰী আন কোনো নহয় তুমিয়েই ৰশ্মি।

কথাখিনি ক'বলৈ ক'ৰপৰা যে সাহস আহিলে ধৰিবই নোৱাৰিলো। ৰশ্মিৰ উত্তৰলৈ মই বাট চালো। এইমাত্ৰ আনন্দত নাচি থকা ছোৱালীজনী নিমিষতে কলা ডাৱৰে ঢকা আকাশখনৰ নিচিনা হ'ল। বহুত সময় দুয়ো একো নোকোৱাকৈ তেনেকৈ বহি থাকিলো। তাৰ পিছত তাই লাহে লাহে আৰম্ভ কৰিলে।

ঃ কোৱা ৰাজদা, এনেকুৱা এটা কথাকবলৈ ওলোৱা বাবে তুমি মোক বেয়া নাপাবা। তোমাক মই কেতিয়াও সেই চকুৰে চোৱা নাই। তোমাক মই এজন ভাল বন্ধু হিচাপেহে ভাল পাওঁ। মই প্ৰেমক কেতিয়াও বিশ্বাস নকৰো। অকল প্ৰেমেৰেই পেট নভৰে ৰাজ দা। বেংকৰ সাধাৰণ চাকৰিয়াল এটাৰ লগত বিয়া হৈ মই মোৰ জীৱন ধ্বংস কৰিব নোৱাৰো। মোক ক্ষমা কৰিবা ৰাজদা।





এইবুলি কৈ তাই মোৰ কাষৰ পৰা গুচি গ'ল। ঘৰলৈ আহোতে গোটেই ৰাস্তাটো মই এটা কথাকে ভাবি আহিলো। ইমান দিনে দেখি থকা মোৰ সপোনৰ ঘৰটো ভাঙি তাই চুৰমাৰ কৰি দিলে। পাঁচ হাজাৰ টকাৰে জানো মানুহে সংসাৰ চলোৱা নাই ? জীৱনৰ সকলো আশা নোহোৱা হৈ গ'ল......... ।

চাকৰিটোৰ ইন্টাৰভিউ নিদিও বুলিয়ে ভাবিছিলো, কিন্তু মা দেউতাৰ কথা ভাবিয়েই যোৰহাটলৈ আহিলো। আজি প্ৰায় পাঁচবছৰে হল ঘৰলৈ নাই যোৱা, কিনো যাম ? আগৰ কথাবোৰ মনত পৰিলে মনতো এতিয়াও কান্দি উঠে। যোৱাকালি মাৰ চিঠি এখন আহিছিল, দেউতাৰ হেনো খুব টান যাব লাগে। গতিকে আজি পুৱাই ঘৰলৈ বুলি আহিলো। ঘৰ পাই দেখো দেউতাৰ গা খুব বেয়া নহয়............তাৰমানে মোক মিছাকৈ মাতি পঠিয়াইছে। ঘৰৰ একমাত্ৰ ল'ৰা যদি বছৰ বছৰ ধৰি ঘৰলৈ নাহে মাক দেউতাকৰ কেনে লাগিব বাৰু ! চাহ পানী খাই এনেয়ে এবাৰ অনুপহঁতৰ ঘৰলৈ গ'লো। অনুপ, মাক দেউতাক কোনো নাই, অকল পিংকীহে ঘৰত আছিল। মোক দেখা পাইয়ে তাই কবলৈ ধৰিলে, " আৰে ৰাজ দা কেতিয়া আহিলা ? ডাঙৰ মানুহ হৈ গলাতো মাতিবই নোখোজা।"

ঃ নহয় অ' সময়ে পোৱা নাছিলো। বহুত কাম জানা।

থৈ দিয়া তোমাৰ কাম। এইদৰে দুটা এটা কথা পাতি যেতিয়া মই তাইক ৰশ্মিৰ কথা সুধিলো তাই একেবাৰে গহীন হৈ গ'ল। এইদৰে চুপ চাপ থকা দেখি সুধিলো, " কি হলনো একো নকলা যে, তাই ভালে আছেতো।

ঃ ৰাজ দা তুমি যোৱাৰ পিছত মই তাইক বহু বুজাইছিলো কিন্তু নাই...... মুম্বাইৰ এজন ব্যৱসায়ীৰ লগত তাইৰ যোৱা বছৰ বিয়া হৈ গ'ল।

কথাকেইটা শুনি মোৰ মূৰত কোনোবাই জোৰেৰে হাতুৰীৰে কোবোৱা যেন লাগিল। অন্তৰৰ কোনোবাখিনিত যেন হাঁহাকাৰ কৰি উঠিল।

পিংকীয়ে মোৰ অৱস্থাৰ কথা গম পাই বুজাব ধৰিলে, " ৰাজ দা যি হ'ল হ'ল তুমি আৰু তাইক কেতিয়াও নোপোৱা। খূড়া খুড়ীৰ খুব কষ্ট হৈছে। ভাল ছোৱালী এজনী চাই বিয়া পাতি লোৱা। পাহৰি যোৱা ৰশ্মি নামৰ কোনোবা ছোৱালী তোমাৰ জীৱনলৈ আহিছিল বুলি।

ঃ নহয় অ' পিংকী, ৰশ্মিক মই কেতিয়াও পাহৰিব নোৱাৰিম। তাইক মই সঁচা কৈ ভাল পাইছিলো। প্ৰেম মানেইযে বিবাহ সেইটো নহয়। সঁচা অন্তৰেৰে কাৰোবাক ভাল পাই যি সুখ পোৱা যায়, তাক বিয়া কৰালেও পোৱা নাযায়। মোৰ প্ৰেমে কেতিয়াও প্ৰতিদান বিচৰা নাছিল। মই তাইক আগতেও ভাল পাইছিলো, এতিয়াও পাওঁ আৰু আগলৈকো পাই থাকিম। এইবুলি কৈ দুখমনেৰে মই পিংকীৰ পৰা বিদায় লৈ আহিব ওলালো।

এজন দাৰ্শনিকৰ দৰে কোৱা কথাকেইটা শুনি পিংকীয়ে কলে, 'কি পবিত্ৰ তোমাৰ প্ৰেম ৰাজ দা। মই ভাবিছিলো আন দহজনৰদৰে তুমিও এজন, কিন্তু নহয় তুমি সকলোতকৈ ওপৰত। তোমাৰ নিচিনা এজন লৰাৰ প্ৰেমক তাই অস্বীকাৰ কৰি তাই বহু ভু ল কৰিলে। আজিকালিৰ যুগত এনে সঁচা প্ৰেম খুব কমেই পোৱা যায়। কিন্তু এনে প্ৰেমক পায়ো যিজনে চিনিব নোৱাৰে তাৰ নিচিনা দুৰ্ভগীয়া আন কোনো নাই।

পিংকীয়ে আৰু কিবা কিবি কৈছিল যদিও মোৰ কাণত নোসামাল। এখোজ দুখোজকৈ মই ঘৰলৈ আহিলো। ঘৰ পাই দেখিলো ঘৰটো আৰু আগৰ দৰে থকা নাই। ঘৰটোৰ বেৰবোৰো উৱলি গৈছে, খুটা বোৰো পোকে খাইছে। পাৰিলে অহাবাৰলৈ ভালকৈ এটা নতুনকৈ ঘৰ সাজিব লাগিব। ঘৰটো চিমেন্ট আৰু কংক্ৰিটেৰে সাজিব লাগিব যাতে খুটাবোৰ পোকে খাব নোৱাৰে। কথাটো ভাবি মনটো অলপ ভাল লাগিল। □

# কথাত কটা যায়- কথাত বটাঁ পায়

*জোনালী কলিতা*
*উচ্চতম মাধ্যমিক প্ৰথম বৰ্ষ*

ঈশ্বৰে জীৱ শ্ৰেষ্ঠ মানুহক এটি আচৰিত শক্তি দিছে। সেইটো হ'ল বাকশক্তি। মৰমসনা কথাৰে এই বিশাল বিশ্বখনকে আপোন কৰি ল'ব পাৰি আৰু কটুকথাৰ ফলত আপোন জনো পৰ হৈ পৰে।

মহাভাৰতৰ যুদ্ধখনো গা বেজ বেজাই যোৱা এফাঁকি তিতা কথাৰ বাবেই হ'বলৈ পাইছিল।

যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ সময়ত ইন্দ্ৰপ্ৰস্থ নগৰীখন এনেদৰে চকুত লগাকৈ সজাই পৰাই তুলিছিল যেন এখন দ্বিতীয় স্বৰ্গপুৰীহে। ৰাজভৱন বাট ঘাট, বজাৰ-সমাৰ সকলোবোৰৰ ৰূপেই চকুত চমক লগাই তুলিছিল। কৰ্মপটু বাটে সকলে ৰাজভৱনটোক এখন স্বপ্নলোক যেন কৰিছিল। চোতালখন ইমান চিকুণ ফটিকেৰে সাজিছিল যে দেখিলে তাক পানীৰে চপচপীয়া হৈ থকা যেনহে লাগে। আকৌ চোতালৰ চাৰিওফালে এনেকৈ নানা বৰণীয়া পানীৰে পাৰ বান্ধি দিছে যে তাক দেখিলে "নানাৰঙী মণি-মুকুতা" যেনহে দেখা গৈছিল।

দুৰ্যোধনে শকুনিৰ সৈতে যুধিষ্ঠিৰৰ ৰাজভৱনৰ চাৰিওফালে ঘূৰি ঘূৰি চকু ফুৰাবলৈ ধৰিলে। সঁচাকৈয়ে ইয়াৰ কাৰুকাৰ্য্য বাছকবনীয় হৈছিল। কিন্তু দুৰ্য্যোধনৰ মনত হিংসাৰ ভাৱ থকা হেতুকে তাৰ শোভাই তেওঁৰ চকু জুৰ পেলাব নোৱাৰিলে। ধুনীয়া বস্তু দেখি মন ভাল লাগিব লাগে। কিন্তু তেওঁ মুখ বিকটাই তাচ্ছিল্যৰ হাঁহি এটাহে মাৰিলে। তেওঁৰ সেই বিদ্ৰূপ হাঁহিত ৰাজভৱন ৰণৰণাই গৈছিল।

দ্ৰৌপদীয়ে ওপৰ মহলাৰ পৰা দুৰ্য্যোধনৰ সেই অস্বাভাৱিক হাঁহি শুনাত তেওঁৰ মনে মনে খঙো উঠিছিল। ৰাজভৱনৰ চাৰিওফালে ঘূৰিপকি চাই দুৰ্য্যোধন চোতাললৈ আহিল। ফটিকেৰে চিকুণকৈ সজা চোতালখন পানীৰে চপচপীয়া হৈ থকা পুখুৰী বুলি ভাবি তেওঁ চুৰিয়াখন কোচাই লৈ যাব ধৰিলে। তাকে দেখি দ্ৰৌপদীৰ খিলখিলাই হাঁহি উঠিল। দ্ৰৌপদীৰ হাঁহিত দুৰ্যোধনে লাজ পাই বেগা বেগিকৈ আগুৱাই গ'ল।

দুৰ্য্যোধনে চোতালৰ পৰা গৈ যি ঠাই পালে সেইটো আকৌ এটা পুখুৰী নে চোতাল একো তৰ্কিব নোৱাৰি ধুপুচকৈ পানীত পৰি গ'ল। চুৰিয়া-চাপকন পানীত তিতি বুৰি তেনেই জুৰুলি জুপুৰি হৈ তেওঁ পাৰলৈ উঠি আহিল। দুৰ্য্যোধনৰ এনেকুৱা মুৰ্খামিত দ্ৰৌপদী আৰু তেওঁৰ সহচাৰী সকলৰ হাঁহিৰ খিলখিলনি উঠিল। দুৰ্য্যোধনক তিতা কাপোৰেৰে জুৰুলি-জুপুৰি হৈ থকা দেখি দ্ৰৌপদীয়ে হাঁহি হাঁহি ক'লে- 'অন্ধৰ পুত্ৰ অন্ধই হয়।"

দ্ৰৌপদীৰ এই কটুকথাই দুৰ্য্যোধনক এপাট বিষ সনা কাড়ে বিন্ধা দি বিন্ধিলে। দ্ৰৌপদীৰ হাঁহিত তেওঁ অপমানিত হৈ মনে মনে প্ৰতিজ্ঞা কৰিলে- " যেতিয়ালৈকে দ্ৰৌপদীক মুকলি সভাত অপমান কৰিব নোৱাৰো তেতিয়ালৈকে মোৰ মনত একোৰে আনন্দ দিব নোৱাৰিব।"

দুৰ্য্যোধনৰ এই প্ৰতিজ্ঞাও মহাভাৰতৰ যুদ্ধৰ এটি কাৰণ বুলি কব পাৰি। ❑





# 'নাক'ৰ পৰিদৰ্শনৰ প্ৰস্তুতি ঃ এটি টোকা

*- হাচমত আলী*
*উপাধ্যক্ষ*

কেবাবছৰ ধৰি ভাৰপ্ৰাপ্ত অধ্যক্ষৰ জৰিয়তে কলেজ চলি থকাৰ পিচত এক বিশেষ পৰিস্থিতিত ৰাজ্যিক বাচনি কমিটিৰদ্বাৰা নিৰ্বাচিত ব্যক্তিৰদ্বাৰা এই কলেজৰ অধ্যক্ষৰ পদটো পূৰাবলৈ কৰা আপ্ৰাণ চেষ্টাত উচ্চ ন্যায়ালয়ে অধ্যক্ষৰ বাচনি-তালিকাখন সাময়িকভাৱে স্থগিত ৰখাত এনে প্ৰচেষ্টাত চেঁচা পানী পৰিল। ফলত ১ ডিচেম্বৰ, ২০০৩ তাৰিখে কলেজৰ জ্যেষ্ঠতম প্ৰবক্তা হিচাপে মই অধ্যক্ষৰ কাৰ্য্যভাৰ ললো। এয়া আছিল এক সন্ধিক্ষণ আৰু জটিল পৰীক্ষাৰ সময়; 'নাক'ৰ পৰিদৰ্শনৰ বাবে আমি তেতিয়ালৈকে কোনো বিশেষ প্ৰস্তুতি কৰা নাছিলো। এদল কৰ্মঠ সহকৰ্মীৰ তৎপৰতাত দিনে-নিশাই কাম কৰি কলেজৰ 'আত্ম-অধ্যয়ন' (Self Study) ৰিপোৰ্টটো সম্পূৰ্ণ কৰি ২৭ ডিচেম্বৰৰ দিনা পঠিয়াবলৈ সমৰ্থ হলো। এতিয়া চিন্তা আহিল-কলেজৰ জৰাজীৰ্ণ ঘৰ-দুৱাৰ, এলান্ধুৰে আৱৰিথকা লেব'ৰেটৰী আৰু ইয়াৰ যন্ত্ৰ-পাতিবোৰৰ অভাৱ, অবৈজ্ঞানিকভাৱে সজাই ৰখা পুথিভঁৰালটো, কলেজৰ দুখ-লগা পৰিবেশটো 'নাক'ৰ পৰিদৰ্শনৰ আগে আগে কেনেদৰে উন্নত কৰিব পৰা যায়। তাতে আকৌ কলেজৰ আৰ্থিক অৱস্থা তেনেই দুৰ্বল। সুখৰ কথা যে কলেজৰ শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, কলেজৰ শুভাকাঙ্খী ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান আদি তথা চৰকাৰৰ এক উমৈহতীয়া প্ৰচেষ্টাত ইমান বছৰে ভোগী থকা কলেজৰ অভাৱবোৰৰ প্ৰায়খিনিয়েই প্ৰায় সন্তোষজনকভাৱে মাত্ৰ কেইমাহমানৰ ভিতৰতেই পূৰণ কৰি কলেজখনত এটি অধ্যয়নৰ পৰিবেশ গঢ়িব পৰা গ'ল। এই চমু সময়চোৱাৰ ভিতৰত হোৱা কামবোৰ এনে ধৰণৰঃ

(১) কলেজৰ অনাশিক্ষক কৰ্মছাৰীবৃন্দই কেবাহেজাৰ টকা খৰছ কৰি তেওঁলোকৰ তত্ত্বাৱধানতেই কলেজৰ মূলগেটৰপৰা ভিতৰলৈ সোমোৱা পথটো পকা কৰি দিয়ে। কলেজ কৰ্তৃপক্ষৰদ্বাৰা কলাভৱ নৰপৰা সমাজ বিজ্ঞান ভৱনলৈ যোৱা আৰু বিজ্ঞান ভৱনলৈ যোৱা পথ দুটা নিৰ্মান কৰা হয়।

(২) কলেজৰ শিক্ষকগোটে তেওঁলোকৰ টকাৰে কলেজৰ সমুখৰ দ হৈ থকা পথাৰখনত প্ৰায় ২০০ ট্ৰাক মাটি পূৰণ কৰি ইয়াক উন্নত কৰে। ইয়াৰোপৰি তেওঁলোকে কলেজত এটা ফটোষ্টেট মেচিন আৰু আটাইকেইটা বিষয়ৰ বিভাগীয় কমনৰুমত একোটাকৈ কিতাপ ৰখা আলমীৰা যোগান ধৰে।

(৩) কলেজৰ জ্যেষ্ঠপ্ৰবক্তা শ্ৰী শিখা কাশ্যপে তেখেতৰ পিতৃ-মাতৃৰ স্মৃতিত ইমান বছৰে ভোগীথকা খোৱাপানীৰ অভাৱ পূৰাবলৈ কলেজৰ 'ড্ৰিংকিংৱাটাৰ প্ৰজেক্টটো' সম্পূৰ্ণকৈ দান কৰে।

(৪) কলেজৰ বাবে অতি আৱশ্যকীয় হোৱাত অফিচৰ বাবে এটি কম্পিউটাৰ কিনা হ'ল। ইয়াৰ মূল্যৰ সিংহভাগেই কলেজৰ শিক্ষক-কৰ্মচাৰীয়ে তেওঁলোক পৰীক্ষাৰ মাননীৰপৰা আগবঢ়াইছে।

(৫) সময়ৰসতে সমানে আগবাঢ়ি যাবলৈ বুলি কলেজত আৰম্ভ কৰা 'কম্পিউটাৰ ট্ৰেইনিং চেন্টাৰ'টোৰ এটা স্থায়ী লেব'ৰেটৰীভৱন নিৰ্মাণ কামৰ উপৰিও তাত ব্যৱহাৰৰ বাবে কম্পিউটাৰ যোগান ধৰা হ'ল। এই ক্ষেত্ৰত আমালৈ উত্তৰ গুৱাহাটীস্থ বটলিংপ্লেন্টে সহায় আগবঢ়াই আমাক কৃতাৰ্থ কৰিছে।

(৬) এটি দীঘলীয়া চাইকেল আস্থান নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰীসকলে চিৰদিনে ভোগী থকা অভাৱৰ সিংহভাগ পূৰণ কৰা হ'ল।

(৭) প্ৰতিটো বিভাগৰ বাবে শিক্ষকৰ কমনৰুম আৰু বিভাগীয়কোঠা একোটাকৈ কৰা হ'ল পুৰণি কোঠাত পাৰ্টিচন দি আৰু মেৰামতি কৰি। লগতে সমাজ বিজ্ঞান ভৱনটোৰ আধাঅংশৰেই বাকী থকা চিলিং দিয়া হ'ল আৰু মজিয়া আৰু বাৰান্দা পকা কৰা হ'ল।

(৮) জৰাজীৰ্ণ হৈ পৰা গোটেই কলাভৱনটোৰ চিলিং, বেৰ, দুৱাৰ, খিৰিকি আদিৰ মেৰামতি ঘৰটোৰ ৰং কৰা হ'ল।

(৯) বিজ্ঞান বিভাগৰ প্ৰতিটো লেব'ৰেটৰীৰ সম্পূৰ্ণকৈ মেৰামতি কৰি তাত বিজ্ঞানসন্মত ডেস্ক-বেঞ্চ, ৱকিং টেবুল আদিৰ দিহা কৰা হ'ল।

(১০) পুৰণি বিজ্ঞানভৱনটোৰ কৰিড'ৰত সোমালেই ঘোপমৰা এন্ধাৰ হোৱাত ঘৰটোৰ ভিতৰভাগ সম্পূৰ্ণৰূপে মেৰামতি কৰি আৰু ৰং দি আন্ধাৰ আঁতৰোৱা হ'ল।

(১১) কলেজৰ কোনো কন্‌ফাৰেঞ্চৰুম নথকাত মাত্ৰ তিনদিনৰ ভিতৰতেই ৰসায়ন বিভাগৰ এটা ডাঙৰ কোঠা মেৰামতি আৰু প্লাষ্টাৰিং কৰি সেইটো এটা উপযোগী কনফাৰেঞ্চৰুম কৰা হ'ল।

(১২) প্ৰাণীবিজ্ঞান বিভাগৰ গাতে লাগি পৰি থকা ঘোপমৰা এন্ধাৰ ভঙাচিঙা কোঠা এটাক মেৰামতি কৰি সেইটো প্ৰাণীবিজ্ঞান বিভাগৰ মিউজিয়াম কৰা হ'ল। তাৰোপৰি M. P. অনুদানৰ সহায়ত প্ৰাণীবিজ্ঞান বিভাগৰ বাবে এটি প্ৰশস্ত লেব'ৰেটৰী গৃহ নিৰ্মাণ কৰা হ'ল।

(১৩) কলেজৰ দঃপূব দিশত থকা বিজ্ঞান বিভাগবোৰলৈ সোমোৱা পথটোৰ মেৰামতিৰ লগতে এটা বৃহৎ গেটৰ দিহা হ'ল।

(১৪) মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈয়ে হাতত লোৱা "বুনিয়াদ আচনি"ৰ অধীনত আৰু স্থানীয় বিধায়ক তথা মন্ত্ৰী শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাৰ কলেজে অনুদান পোৱা ১০ লাখ টকাৰ প্ৰায় আধাখিনি পোৱাত সেই টকাৰে কলেজৰ ক্লাছৰুমৰ অভাৱ পূৰণ কৰিবলৈ এই ঘৰৰ নিৰ্মাণৰ প্ৰায় আধাখিনি কাম সমাধা কৰা হ'ল।

(১৫) কলেজৰ পৰিথকা পুৰণি কেন্টিন ঘৰটো মেৰামতি কৰি তাক ছাত্ৰ জিৰণি কোঠা সজোৱা হ'ল আৰু তাত খেলৰ সামগ্ৰী যোগান ধৰাত আজি ইমান বছৰে ছাত্ৰসকলে ভূগি থকা অভাৱ পূৰণ হ'ল।

(১৬) মাত্ৰ ছয়দিন সময়ৰ ভিতৰতে কলেজ ছাত্ৰ-ছাত্ৰী তথা কৰ্মচাৰীৰ চাহিদা পূৰণ কৰিবলৈ এখন উপযোগী কলেজ কেন্টিনৰ দিহা কৰা হ'ল।

(১৭) কলেজৰ পাইখানা আৰু প্ৰসাৱগাৰাৰ মানদণ্ড তেনেই নিম্নখাপৰ হোৱাত আটাইবোৰৰ মেৰামতি কৰি ব্যৱহাৰৰ উপযোগী কৰি তোলা হ'ল।

(১৮) আধৰুৱা হৈ থকা প্ৰেক্ষাগৃহটোৰ বাহিৰৰ সন্মুখভাগৰ ওৱাল তথা ভেটিৰ আশিংক প্লাষ্টাৰ কৰা হ'ল।

(১৯) কলেজৰ খেলপথাৰখনৰো সামান্য উন্নতি কৰি তাত থকা কাঠৰ গো'লপষ্ট সলনি কৰি লোৰ গো'ল পেষ্ট লগোৱা হয়।

(২০) সমাজবিজ্ঞান ভৱনৰ কাষত থকা খোলা পথটো বন্ধ কৰিবলৈ তাত ৱাল আৰু লোৰ গেটৰ দিহা কৰা হ'ল।

(২১) কলেজ চৌহদৰ ৱাল তথা গেট আৰু সমাজ বিজ্ঞান ভৱনটোৰ ৰং দিয়াৰ উপৰিও সমাজ বিজ্ঞান ভৱন, কলা ভৱন আৰু প্ৰেক্ষাগৃহৰ মামৰে খাই নষ্ঠ হ'ব ধৰা টিনপাতত ৰং দিয়া হ'ল।

(২২) উদ্ভিদ বিজ্ঞান বিভাগৰ বাবে অতি প্ৰয়োজনীয় "বটানিকেল গাৰ্ডেন"ৰ আৰম্ভণি কৰা হ'ল।

(২৩) শ্ৰেণী কোঠাৰ থকা অভাৱ পূৰাবলৈ প্ৰায় ৫০ যোৰ লোৰ ফ্ৰেমযুক্ত ডেক্স-বেঞ্চ আৰু ডাঙৰ শ্ৰেণীকোঠাৰ বাবে "লেকচাৰ প্লেটফৰ্মৰ যোগান ধৰা হল। লগতে পুৰণি আৰু ভঙা ফটা ব্লেক বৰ্ডবোৰৰ ঠাইত নতুন ব্লেক বৰ্ড যোগান ধৰা হল।

(২৪) নৃতত্ব, প্ৰাণীবিজ্ঞান, উদ্ভিদবিজ্ঞান, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, ইলেকট্ৰনিক বিভাগৰ অতি লাগতিয়াল লেব'ৰটৰী সামগ্ৰীবোৰ যোগান ধৰা হল।





(২৫) আটাইকেইটা বিভাগতে শিক্ষকসকলে তেওঁলোকৰ ধন ভাঙি নিজাববীয়াকৈ বিভাগ জাননীফলি আৰু প্ৰাচীৰ পত্ৰিকাখনিৰ দিহা কৰিছে। তাৰোপৰি তেওঁলোকৰ সিংহভাগ দানৰ জৰিয়তে প্ৰত্যেকৰে একোটাকৈ বিভাগীয় চেমিনাৰ লাইব্ৰেৰীয়ে গঢ় লৈছে।

(২৬) কলেজৰ মুল পুথিভৰালটোৰ কিতাপবোৰ পুৰণি আলমিৰাৰ ভিতৰত থকাত ই বিজ্ঞান সন্মত নোহোৱা বাবে সেইবোৰৰ ঠাইত "বুক চেল'ভ" দিয়া হল। লগতে অৰ্হতাপূৰ্ণ ব্যক্তি নিয়োগ কৰি পুথিভৰালৰ প্ৰায় সৰহখিনি কিতাপৰে বিজ্ঞানসন্মত ভাৱে শ্ৰেণীকৰণ আৰু চিনাক্তকৰণ 'কাৰ্ড তৈয়াৰ কৰা হল।

(২৭) প্ৰায় ২৫ বছৰ ধাৰ মৃত অৱস্থাত থকা উত্তৰ গুৱাহাটী মহাবিদ্যালয় " কো-অপাৰেটিভ' পুনৰ জীৱিত কৰি কাৰ্য্যক্ষম কৰা হল।

(২৮) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৃংখলা বজাই ৰাখিবলৈ কলেজৰ ইউনিফৰ্ম বলবৎ কৰা হ'ল।

(২৯) নাকৰ পৰিদৰ্শন দলটোক সন্মুখীন হবলৈ আমাৰ বাবে সবাতোতকৈ দুৰ্বল দিশটো আছিল কলেজত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ হোৱাটো। কলেজৰ Infra Structure ৰ কম দিনতে উন্নতি কৰিলেও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কোনো মেজিক কৰি হঠাতে 'বঢ়াব নোৱাৰি তথাপি এটা পৰীক্ষা হিচাবে লৈ কলেজৰ আটাইখিনি শিক্ষকৰ সহায়ত উত্তৰ গুৱাহাটী আৰু ইয়াৰ আশে-পাশে থকা এক বৃহৎ এলেকাত প্ৰতিখন গাওঁতে এক "হ'ম-টু-হ'ম" জৰীপ কাৰ্য্য সমাপন কৰালো, যাৰ জৰিয়তে কলেজত ভৰ্ত্তি হব পৰা ছাত্ৰ-ছাত্ৰীখিনিৰ এটি হিচাপ আৰু এই কলেজলৈ পঢ়িবলৈ অহাত তেওঁলোকৰ আসোঁৱাহ কি ইত্যাদি বোৰ কথা জনাৰ সুবিধা হল। কিন্তু এই জৰীপৰ পৰা আয়ত্ব কৰা তথ্যবোৰৰ ভেটিত ভৱামতে বিজ্ঞানিক ভাবে বিশ্লেষণ কৰি চাবলৈ টেবুলবোৰ সম্পূৰ্ণ কৰিব পৰা ন'গল সময়ৰ অভাৱত আৰু পিছলৈ দায়িত্বৰ পৰা বিৰত হৈ থকাৰ ফলত সিযিকি নহওক' তুলনামুলক ভাৱে এই বছৰ কলেজত ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিছু বৃদ্ধিহোৱাটোত আমি সন্তোষিত হৈছিলো আৰু জৰীপ কাৰ্য্যই ইয়াত ইন্ধন জোগাইছিল বুলি আমি বিশ্বাস কৰিছিলো।

গোটেই শৈক্ষিক সময়ছোৱাত শিক্ষক সকলে কলেজৰ উন্নতিমুলক বিভিন্ন কামত লাগি থকাৰ উপৰিও তেওঁলোকে নিজৰ গৱেষনা কাৰ্য্য বা বিভাগীয় Extension Activitr বজায় ৰাখিছে আৰু কলেজৰ নিজৰ ক্লাছবোৰৰ প্ৰতি আওকান দিয়া নাই এই কথাৰ প্ৰমাণৰূপে আমি কব পাৰো যে প্ৰায় একদশকৰ ভিতৰতে এই বছৰ সকলোবোৰ ফাইনেল পৰীক্ষাত কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ ফলাফল সবাতোকৈ সন্তুষজনক হৈছে।

২০০৪ চনৰ ৮ আৰু ৯ চেপ্তেম্বৰত প্ৰফেচাৰ এ,পি, পাড়ি (অৱসৰ প্ৰাপ্ত উপাচাৰ্য্য বেহৰামপুৰ বিশ্ববিদ্যালয়) প্ৰফেচাৰ এম, চৌধুৰী (ত্ৰিপুৰা বিশ্ববিদ্যালয়) আৰু ড০ এচ, ভৌমিক (অধ্যক্ষ, আচাৰ্য্য পি, চি ৰয় কলেজ) ৰ দ্বাৰা গঠিত নাকপিয়েৰ টিমে আমাৰ কলেজ পৰিদৰ্শন কৰি যায় যাৰ ফলত আমি বি গ্ৰেড পাবলৈ সক্ষম হওঁ। ৯ চেপ্তেম্বৰৰ দিনা পৰিদৰ্শনকাৰী দলে উত্তৰ গুৱাহাটী ত্যাগ নকৰোতেই নিশা ৯ বজাত কলেজ পৰিচালনা সমিতিৰ সভাপতিয়ে অধ্যক্ষ পদৰ কাৰ্য্যভাৰ আশিংকভাৱে তেওঁৰ হাতত চমজাই দিবলৈ তীব্ৰ দাবী কৰিছিল যদিও মই তেনে নীতিবৰ্হিভূত কামটো নকৰিলো আৰু ১৫ চেপ্তেম্বৰত নতুনকৈ জইনকৰা ৰেগুলাৰ অধ্যক্ষৰ হাততহে কাৰ্য্যভাৰ চমজাই দিও। ১ ডিচেম্বৰ ২০০৩ তাৰিখৰ পৰা ৩১ আগষ্ট ২০০৪ লৈকে এই সময়চোৱাৰ ভিতৰতহে মই কলেজৰ পৰিচালনাৰ সমিতিৰ সম্পাদক তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাম কৰিবলৈ সমৰ্থ হৈছিলো কিয়নো ৩১ আগষ্টৰ পৰা অধ্যক্ষৰ কাৰ্য্যভাৰ চলাই থকাৰ বাবে আৱশ্যকীয় D.H.E. ৰ স্বীকৃতি নাছিল। তথাপিও ছাত্ৰ-ছাত্ৰী সকলৰ অসীম মৰম আৰু ৩২ বছৰে এই কৰ্মস্থানে মোক আহাৰ যোগাই থকা ঋণৰ বিনিময়তে নাকৰ পৰিদৰ্শন দলটিক মই "ভূৱা" অধ্যক্ষৰূপে মুখা-মুখী হলো। □

## কবিশিল্প

### দুটা কবিতা

*শ্ৰীনলিন চন্দ্ৰ বৰা*
*মুৰব্বী অধ্যাপক, উদ্ভিদ বিদ্যা বিভাগ*
*উত্তৰ গুৱাহাটী মহাবিদ্যালয়*



### ফুলৰ কুঁকি

তগৰ চম্পা জবা হাচনাহানা;
শেৱালী নেৱালী ধতুৰা কঠনা।
বকুল গোলাপ জিনিয়া ডালিয়া;
খৰিকাজাই কাঞ্চন জয়ন্তী পিটুনিয়া।
অশোক গধুলি গোলাপ পঞ্চি ইক্‌জৰা;
পদুম লিলি জুনুকা নয়নতৰা।
ৰজনীগন্ধা গুটিমালী কৰবী পলাশ;
ৰাজঘন্টা মদাৰ গুলঞ্চ বাগান-বিলাশ।
ডেফ'দিল নাৰ্জী আৰ্জিমোন থানবাৰজিয়া;
পাৰিজাত ঘন্টাকৰ্ণ এট্ৰিহিনাম ছালবেৰিয়া।
ডেনডেলিয়ন কছমছ মেগনলিয়া কপৌ;
কেলেনডুলা হলিহোক ডেইজী ভাটৌ।
সূৰ্য্যমুখী জ্যোতি অপৰাজিতা ৰ'দডেনড্ৰন;
ৰাধাচূড়া কৃষ্ণচূড়া পপি আছে অগনন। ❑

(সাধাৰণতে দেখা আৰু জনা কিছুমান ফুলৰ নাম
'ফুলৰ কুঁকি'ত সন্নিবিষ্ট কৰা হৈছে-লিখক)

### উদ্ভিদ!!

মাটি ভেদি ওলাল দুটি কুঁহিপাত
প্ৰকৃতিয়েও সেউজ ৰং বুলালে তাত!!
বয়সৰ লগে লগে ঠাল-ঠেঙুলীৰে
চৌদিশ কৰি জাতিষ্কাৰ।
ফলে-ফুলে মোহিত কৰিলে
এই মানৱৰ সংসাৰ!!
জীৱশ্ৰেষ্ঠ মানৱেও নতশিৰ কৰি
হাঁহাকাৰ কৰে ইয়াৰ গুণা-গুণ বিচাৰি!!
উদ্ভিদ অবিহনে পৃথিৱীত
হ'ব অনাহাৰ-অনাবৃষ্টি
লোপ পাব মানৱ সংস্কৃতি!! ❑





### স্বাধীনতা এই পথেৰে বহু দূৰ

*শ্ৰী গোবিন্দ দাস*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

ডেকাসকল
উদ্দেশ্যনো কি?
বন্দুক বাৰুদৰ ধোঁৱা উৰুৱাই
কি বিচাৰিছা তোমালোকে
স্বাধীনতা......................??

কি দৰেনো আহিব
এই স্বাধীনতা
নৰহত্যা নে বিস্ফোৰণেৰে
নে আতংকৰ সৃষ্টিৰে আহিব
এই স্বাধীনতা?

ক্ষান্ত হোৱা
নমচিবা আৰু শিৰৰ সেন্দুৰ
নকৰিবা মাতৃক পুত্ৰহাৰা।।
কাণত বাজি উঠা নাইনে
বতাহ জাকত ভাহি অহা
কান্দোনৰ কলৰোল
এবাৰো চকু পৰা নাইনে
নিৰীহ লোকৰ কেচাঁ তেজবোৰত?

বন্ধুসকল
ক্ষান্ত হোৱা তোমালোক
স্বাধীনতা এই পথেৰে বহু দূৰ।। ❑

### বেদনা

*শ্ৰী নিপু দাস*
*উঃমাঃ দ্বিতীয় বৰ্ষ*

মোৰ বুকুত কি হ'লে,
মোৰ দুখ মোৰ আনন্দ।
কিহে ব্যাপক কৰি তোলে,
মোৰ অনুভৱে অনুভৱে।
তোমাৰ মনৰ গুণ গুণ শব্দ,
এনেকৈ উৰুৱালে।
যেন তাৰ ঢৌ বাগৰি যায়
মোৰ বুকুৰ ভিতৰে বাহিৰে।
সম্ভৱত তোমাৰ প্ৰগলভ্ প্ৰেমে,
মোক ছাই কৰি পুৰি নিব ক্ৰমে।

## 'মাইনাচ-পইন্ট'

*শ্ৰী মিতাচা বৰুৱা*
*উঃমাঃ দ্বিতীয় বৰ্ষ*

মই ভৰা নাছিলো, আৰু আজিওঁ নেভাবো
মই নহ'লে কাৰোবাৰ জীৱনৰ ছন্দ পতন হ'ব,
স্থবিৰ হব গতিশীল সময় আৰু..........
হেৰুৱাব জীয়াই থকাৰ অৰ্থ,
মইতো কাৰো জীৱন বৃত্তৰ কেন্দ্ৰ নহয়
তুমি নেভাবিবা.................
মই আবেগিক হৈছো, কথাবোৰ আবেগসনা হৈছে।
মানসিকতা অপৰিবৰ্তিত আজিওঁ,
তাহানি যি ভাৱিছিলো, আজিওঁ তাকে ভাবো,
তাকেই বিশ্বাস কৰো আন্তৰিকতাৰে।
মোৰ এটি অনুৰোধ...................... ?
মোৰ ভাৱনাত যতি নেপেলাবা,
বিশ্বাসৰ সৌধ থান-বান নকৰিবা,
মোক মোৰ ম'তেই ভাবিবলৈ দিয়া,
মোক মোৰ সতেই থাকিবলৈ দিয়া,
মই সেই সময় নহয়; সেই গতি নহয়,
মই সেই কবি নহয়; সেই শিল্পী নহয়,
মই সেই অতীতৰ ৰজা-মহাৰজা নহয়,
মই মাথোঁ.................................... ?
মই মাথোঁ............................................ ? □



## শিশুৰ সংগ্ৰাম

*শ্ৰী নিলাক্ষী শৰ্মা*
*উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)*

মনত আছেনে বাৰু
সৌ সিদিনাৰ পোন্ধৰ আগষ্টৰ
দিনৰ কথা ?
কিছুমান নিষ্পাপ শিশুৰ
হত্যাৰ কথা !
তেওঁলোকে জানিছিল নে বাৰু
স্বাধীনতা কি সংগ্ৰাম কি ?
অথচ আগবাঢ়ি গৈ আছিল,
কিন্তু প্ৰচণ্ড বতাহ এজাকে
তেওঁলোকক উৰুৱাই নিলে
দূৰ-দিগন্তলৈ আৰু.......... !
সিদিনাৰ পুৱাৰ বেলিটোৱে
তেওঁলোকৰ ৰক্তেৰে যেন ফাকুখেলিব খুজিছিল
দূৰ আকাশৰ জোনটোৱে যেন নাওঁ হৈ
বাউলি মাতিছিল দূৰ দিগন্তলৈ....... ! □





## জীৱন

*শ্ৰী আদিত্য ভূঞা*
*উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)*

জীৱনত আছে বহুতো দুখ
যদিও আমি কৰো সুখ
সপোনত আছে বহুতো সুখ
যদিও আমি কৰো দুখ।
দিঠকত ভাবো বহুতো কথা
কিছু হে হয় সফল,
সপোনত দেখো নভবা কথা
সকলো নহয় বিফল।
তথাপি জীৱন বেদনাৰে ভৰা
ভগবানৰেই দান
সপোনো নহয় আশাৰ তৰা
এনেকৈয়ে ধৰো প্ৰাণ। □

## নিষ্ঠুৰ - হৃদয়

*ভূপঙ্কজ নাথ*
*উঃমাঃ দ্বিতীয় বৰ্ষ*

মোৰ বুকুত, বেদনাৰ এই স্থায়ী ভাস্কৰ্য্য
এদিন নহয় এদিন অৱশ্যে...............
মোক এৰি যাবইতো লাগিলহেঁতেন তুমি;
যাবৰ বাবেইতো আহিছিলা তুমি মোৰ জীৱনলৈ
তথাপি বৰ নিষ্ঠুৰ, বৰ নিৰ্দয় তুমি;
যোৱাৰ পৰতো তোমাৰ খিল-খিল হাঁহিৰে
এবাৰলৈকো ফুলি উঠিবলৈ নিদিলা মোৰ বুকুত,
তুখৰ সেউজীয়া বাগিছা এখন।
মইতো ভুল কৰা নাছিলো,
কজলা তোমাৰ চাৱনিৰে নিচুকাই মোৰ
হৃদয় সাগৰৰ উত্তাল দুখৰ ঢৌ।
তুমিতো বুকুৰ যন্ত্ৰনাৰে,
পূৰণ কৰিবলৈকো নিদিলা মোক। □

## কম্পিউটাৰ

*শ্ৰী নিপামণি শইকীয়া*
*স্নাতক তৃতীয় বৰ্ষ (কলা)*
*ৰাজনীতি বিজ্ঞান বিভাগ*

সমস্ত জ্ঞানৰ ভৰাল তুমি কম্পিউটাৰ,
যুগান্তকাৰী পৃথিৱীত তুমিয়ে দিয়া সত্যৰ সন্ধান।
নশলাগি নোৱাৰি তোমাৰ কৰ্ত্তৃত্ব,
চিৰযুগমীয়া হৈ ৰব তোমাৰ এই অস্তিত্ব।
মানৱেই তোমাৰ সৃজন সক্ষম।
অথচ মানৱেই তোমাৰ ব্যতিক্ৰম।
বুজন পৰিমাণৰ কৰ্ত্তৃত্ব তুমি কৰা বহন,
আগন্তুক পৃথিৱীৰ তুমিয়ে লক্ষ্য চৰম।
বিগত বৰ্ষৰ তুমিয়েই নতুন প্ৰজন্ম,
চলন্ত পৃথিৱীত তোমাতেই ভৰসা সমস্ত।
নিৰাশকাৰী পৃথিৱীক তুমিয়ে দিছা সকাহ
আশাবাদী কৰিবলৈ তুমিয়ে দিব লাগিব উচ্ছাস।
বিজ্ঞানবাদী বিশ্বত বৰ্তমান যিহৰ বিস্তাৰ
মোৰ বিশ্বাস সেয়া মাথো কম্পিউটাৰ। □

## মানৱতাৰ সন্ধানত

*শ্ৰী চিন্তু শৰ্মা*
*উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)*

এদিন পুৱা
হাতত খালী টোপোলা
এখনি ৰিক্ত হৃদয় লৈ
খোজ দিলো
প্ৰেম আৰু মানৱতাৰ সন্ধানত।
ভিৰৰ মাজেৰে
চহৰৰ গলিবোৰেৰে
বোৱতি নদীৰ পাৰে পাৰে
সেউজীয়া দলিছাৰ ওপৰে ওপৰে
আগবাঢ়িলো।
বিচাৰি মানুহ, মৰম আৰু মানবতা।
সন্ধ্যালৈ...................
মোৰ কাপোৰত তেজৰ চেকুৰা
টোপোলাবোৰত উত্তাল হিংস্ৰতা
দুচকুত জয়াল অস্থিৰতা
মই উভতিলো
জীৱিত কংকালবোৰৰ মাজেৰে
তেজ বোৱা নদীৰ পাৰে পাৰে
মন্দিৰ মছজিদৰ ধ্বংসস্তূপ আৰু
যুদ্ধক্ষেত্ৰৰ মৃত, অৰ্দ্ধমৃত
সৈন্যবোৰৰ দেহৰ ওপৰেৰে
মই উভতিলো
পালো মৃত মানৱতা। ☐

## কামনা

*শ্ৰী টিঙ্কু বৰ্মন*
*উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)*

আকাশত উৰে দুপাখি মেলি
আনন্দমনে জাক পাতি পাতি
কেতিয়াবা ভাবো জানা সখী
সিহঁতৰ দৰে হ'ব পাবো নেকি সুখী?
কিন্তু খন্তেকতে এই আশা যায় ভাঙি,
সংসাৰৰ মায়াই আছে যে মোক আৱৰি,
প্ৰভু, কৰিছো তোমাক কাকুতি-মিনতি,
শীঘ্ৰে নিয়া মোক মোহ-মায়াৰ পৰা উদ্ধাৰি।।
সংসাৰৰ মায়াত পৰি নেথাকো আৰু জী
দুখৰ বাদে ইয়াৰ পৰা পাইছোৰেই বা মই কি?
কেতিয়াবা আহে ক্ষন্তেকীয়া সুখৰ ৰেঙনি,
তাকো ধাকি পেলায় দুখৰ ডাঁৱৰে আহি।।
নেলাগে, নেলাগে প্ৰভু,
মোক এনে মায়াসক্ত জীৱন।
যদিহে হয় দয়াৰ সাগৰ তুমি,
দিয়া মোক পক্ষীৰ দৰে আনন্দময় জীৱন এটি।
প্ৰভু,
এয়ে মোৰ আশা
এয়ে মোৰ কল্পনা,
এয়ে মোৰ জীৱনৰ একমাত্ৰ কামনা।। ☐





## এটি দুখে ভৰা আবেলিত

*কঙ্কনজ্যোতি তামুলী*

দুখবোৰ দোলৰ খাই আছে মোৰ পদুলিত
আত্মজ চৰাইবোৰে মোক কবি বুলি জানি
তাৰে গীতেৰে উপচাই দিলে
এটা দুখে ভৰা আবেলিত
চৌপাশে এতিয়া হালধীয়া আবেলি
সোণাৰুৰ প্ৰেমত পৰিলে নে অস্তগামী সুৰুজ
পুখুৰীত মেটেকা ফুলিলে কোনোৱে নাচায়
সিহঁতৰ মাজত হয়তো নাথাকে প্ৰেমত পৰাৰ সৌৰভ
নৈ-পৰীয়া বতাহজাকে চম্পা গাভৰু হোৱাৰ বতৰা দিলে,
মই সামৰি থলো মোৰ হৃদয়
গাভৰুৰ সৈতে হাৰি গৈছিলো
এখন শীতল যুদ্ধত এটা দুখে ভৰা আবেলিত.... । ☐

## আত্মজাহ

*শ্ৰী নয়ন বৰগোহাঁই*
*দ্বাদশ শ্ৰেণী*

এইয়া কাৰ মৃতদেহ
মাতো মাতো কৰা
হাঁহিৰে ভৰা এখনি মুখ।
হয়তো মোৰ ককাই
নতুবা মোৰ ভাই
হত্যা কৰিলে কোনে?
এয়াইতো এজন অসমীয়া ডেকাৰ মৃতদেহ।
তাৰো এটি সপোন আছিল জীয়াই থকাৰ
কিন্তু আমি তেওঁক জীয়াই ৰাখিব নোৱাৰিলোঁ।
আই, তুমি নিমাত কিয়?
চাৰিওফালে আজি দুৰ্যোগ
ভাই-ভাইৰ মাজত অঁৰিয়া অৰি,
অসমীয়াৰ মাজত বিভেদ গামী
হিংসাৰ শিখা ঘৰে ঘৰে জ্বলিছে।
অসমী আইৰ কোলাতে প্ৰকৃতিৰ জীয়া ৰূপ ম্লান কৰিছে।
শংখ বজালেই মৃদং বজালেই জানো হ'ব?
আমি বন্ধ কৰিব লাগিব
অসমীয়াৰ ধ্বংস যজ্ঞ। ☐

## মোৰ জীৱন

*শ্ৰী জুলি বৰুৱা*
*উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)*

মোৰ নাম জুলি।
মই থাকো মিলি।।
বিবেক মোৰ ঠাণ্ডা।
নাই কিন্তু ধাণ্ডা।।
অন্তৰ মোৰ কঠুৱা।
নহয় কাৰো ধৰুৱা।।
মই ভাঙো সন্ধি।
থাকো হৈ বন্দী।।
মোৰ নাই ধন।
কৰো কাম বন।।
দেখো মোৰ সকলোটি ভুল।
মোৰ প্ৰিয় সাধনা।
ভক্তি প্ৰিয় জীৱন। ☐

# বিষাদ

*শ্ৰী কৰবী ডেকা*
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

কি যে বিষাদময় জীৱন
নেথাকো নেথাকো লাগিছে মোৰ
মায়াৰূপী এই সংসাৰত।
সকলো ব্যস্ত মাথো নিজৰ বাবেই
নেভাবে কোনেও আনৰ বাবে
কি যে আচৰিত ইয়াৰ লোক
সকলোতকৈ উচ্চজীৱ হৈয়ো
নাইযে অকণো মানৱ জ্ঞান
সকলো ব্যস্ত মাথো
স্বাৰ্থৰ বাবেই
গোটেই জীৱন জুৰি।
এনেকৈ থাকিলে আৰু
নেলাগে বেছিদিন
ধ্বংস হ'বলৈ এই বিশাল পৃথিৱী
এইকথা ভাৱি মোৰ নাইকিয়া হ'ল যে
চকুৰ টোপনি।। ❑





## পৰীক্ষা

*ৰূপাঙ্কৰ দাস*
*স্নাতক প্ৰথম বৰ্ষ*

পৰীক্ষা এই শব্দতো
তিনি আখৰেৰে গঠিত,
পৰীক্ষা ওচৰ চাপিলেই
মন হয় চিন্তিত।
পৰীক্ষাৰ পৰা বচাৰ
উপায় যে নাইকীয়া;
গৰমত হয় ছমহীয়া
ঠাণ্ডাত হয় বছৰেকীয়া।
মায়ে কয় পৰীক্ষা আহিল
"যা পঢ়িবলৈ যা;"
দেউতাই কয় পৰীক্ষা বেয়া হ'লে
" কি ফল হয় চা।"
আমিওঁ কৰো চেষ্টা
পৰীক্ষা ভাল কৰিবলৈ
প্ৰথম দ্বিতীয় তৃতীয় হৈ
ঘৰৰ মান ৰাখিবলৈ। ❑





# জীৱন মধুৰ মধুৰ হল

*ময়ূৰী বৰুৱা*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

লুইতৰ চাপৰিত কহুৱা বাউলী হ'ল
শব্দৰ জোৱাৰত বালি মাহী বলিয়া হ'ল
জীৱন মধুৰ মধুৰ হ'ল!
কইনা দৰাৰ খেলনা বোৰত
মাহ হালধীৰ গোন্ধ ভাল লগা হ'ল
মনবোৰ উদুলি মুদুলি হ'ল
কিবা কিবি ভাল লগা হ'ল
জীৱন মধুৰ মধুৰ হ'ল!
কুলি কেতেকীৰ মাতত
বহাগ অহা যেন লগা হ'ল
শৰতৰ শেৱালীওঁ কৃষ্ণ চুড়াৰ দৰে লগা হ'ল
দেউতাই কবিতা লিখি দিব নলগা হ'ল
জীৱন মধুৰ মধুৰ হ'ল!
দুৱৰি গছকি পখিলা
বিচাৰি আহোতে আহোতে
ফ্ৰক, স্কাৰ্টবোৰ আমনি লগা হ'ল
মন দেখো ময়ূৰী হ'ল
জীৱন মধুৰ মধুৰ হ'ল!!! ❑

# আহ্বান

*হিমাক্ষী চৌধুৰী*
*উঃমাঃ দ্বিতীয় বৰ্ষ (কলা)*

অ, তোমালোক, তোমালোক কোন?
বুজিছো তোমালোক আজিৰ ডেকা,
তোমালোক নতুন মানুহ;
যাৰ হাতে হাতে আছে
একোটা জ্বলি থকা চিগাৰেটৰ টুকুৰা
আৰু একোটা গধুৰ AK47 ৰাইফল।
তোমালোকে চিঞৰা
আমি দেশ উদ্ধাৰ কৰিম,
কিন্তু ক'ত? আজি ধৰণীয়ে
চিঞৰিছে তোমালোকৰ বাবেই
মোক ৰক্ষা কৰা বুলি;
কিন্তু তোমালোকে শুনা নাই!
কেৱল তোমালোকৰ মনত হিংসা,
যি হিংসাই তোমালোকক বলিয়া কৰিছে
আৰু লগতে তোমালোকক সজাইছে
নতুন সাজত।
তোমালোকে পাহৰি পেলাইছা
অসমৰ সংস্কৃতিক,
অসমৰ বৰগীত,
আদৰি লৈছা স্বাৰ্থৰে ভৰা
এক নতুন পৃথিৱীক,
য'ত নাই দয়া, নাই ক্ষমা।
সেয়েহে নতুন প্ৰজন্ম
তোমালোক উভতি আহা
উভতি আহা আগৰ অসমীয়া হৈ
মহাত্মা গান্ধীৰ দৰে
অহিংসা পথেৰে ধৰণী উদ্ধাৰ কৰা।
এয়া যেন মোৰ নহয়
অসমী আইৰ আহ্বান। ❑

## সেই পুৰণি আলিটো

*শ্ৰী গিবিন্দ্ৰ নাথ*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

নৈৰ কাষেৰে বৈ যোৱা আলিটো
হয় এইটোৱেই আলি।
য'ত ধুলিৰ মাজত ওমলি
গৰকি আহিলো
জীৱনৰ বিশটা বসন্ত।
য'ত মুক্ত আকাশৰ তলত
চিলা উৰুৱাই চুবলৈ প্ৰয়াস কৰিছিলো
নীলাভ আকাশ।
য'ত জোনালী গধুলি
সাধুকথাৰ মাজেৰে প্ৰৱেশ কৰিছিলো
গোলাপৰ পাপৰিত।
য'ত প্ৰতিটো আবেলিৰ বতাহে
উৰুৱাই আনিছিল
বনৰীয়া ফুলৰ সুগন্ধি।
য'ত শুকুলা পাৰজাকে বিলাইছিল
শান্তিৰ বতৰা।
কিন্তু, এতিয়া ইয়াত প্ৰতিটো মুহূৰ্তত
পোৱা যায় বোমা-বাৰুদৰ গোন্ধ।
প্ৰতিদিনেই আলিটো ৰাঙলি হয়
কাৰোবাৰ কেঁচা তেজেৰে।
হয় এইটোৱেই সেই আলিটো। ❑

## দুচকুত তোমাৰ অযুত স্বপ্ন

*ধীৰাজ কাকতি*
*স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)*

দুচকুত মোৰ অযুত স্বপ্ন
তৰাফুলহে ফুলে !
তোমাৰ হৃদয়ত
উথলি থাকে,
মৰম সাগৰৰ উত্তাল ঢৌ;
সিঁচি যোৱা মুকুতা
মোৰ হিয়াত।
তুমি নাৰী
জাগ্ৰত জননী,
তোমাৰ সুপ্ত প্ৰকাশেই
এই ধৰণী।
মায়াবিনী তুমি
মায়াৰে মুহিছা
প্ৰলয় ৰুদ্ৰক !
হেজাৰজন শৰবিদ্ধ ভীষ্মৰূপী
প্ৰতি নিশা তুমি আহা,
মোক আঁচলৰ মাজত লৈ
কপালত তোলা
চুমাৰ মৃদু আলোড়ন।
কাণে কাণে কোৱা,
" মোৰ সোণটো !
ফুলি উঠক
দুচকুত তোমাৰ অযুত স্বপ্ন।" ❑





## ধেমাজীত বোমা বিস্ফোৰণ

*ধনবৰ কলিতা*
*দ্বিতীয় বৰ্ষ*

শুকুলা মেঘৰ বুকুফালি
ওলাই অহা সুৰুজৰ কোমল পুৱাত
স্বাধীনতাৰ পতাকা
শান্তিৰ আকাশত উৰাৰ যোৱা
সেই......ফুলৰ কলিৰ দৰে
কলি মেলি ওলাই অহা
কণ কণ শিশুৰ বুকুত
বোমাৰে কোনোবাই খেল খেলিলে।
এই বহল পৃথিৱীৰ বুকুত
অলেখ আশা বুকুত বান্ধি
শিক্ষাৰ দুৱাৰ দলিত খোজ দিয়া
কণ কণ শিশুবোৰ আজি নাই
সিহঁতেতো নাজানে
স্বাধীনতাৰ পতাকাৰ তলত
তেওঁলোকৰ শেষ দিন বুলি
নিৰপৰাধী শিশুক হত্যা কৰি
শান্তি বিচৰা
সেইদল সন্ত্ৰাসবাদী মানুহ নহয়
সিহঁত জানোৱাৰ
সিহত নলী-নৰ্দমাত পৰি থকা
জাবৰ-জোথৰৰ একো একোটা পোক।
ছিঃ..............যিয়ে মানুহক মানুহ বুলি
গণ্য নকৰে
তেওঁলোক এই সমাজৰ যোগ্য হয়নে বাৰু?
যি দৰে
নিৰপৰাধী শিশুৰ সতে
বোমা বাৰুদেৰে খেল খেলিলে
তেনেকৈ এদিন সিহঁতো
জুইত চগা পৰাৰ দৰে
জ্বলি-পুৰি শেষ হব লাগিব
কত মাক দেউতাকৰ বুকু
শুদা কৰি এৰি গ'ল
সেই থুনুক থানাক মাতবোৰ
শামুকীয়া গতিৰ খোজবোৰ
শিমলুৱা হাঁহিবোৰ
আৰু এতিয়াও জিলিকি আছে
জোনাকৰ চোতালত বহি কোৱা সাধুবোৰ
নাই নাই.....
তেওঁলোকৰ মৃত্যু হোৱা নাই
তেওঁলোকে আমাক এৰি
কোনোবা এক চিৰ সুন্দৰ
ৰাজ্যলৈ উভতি গল
আকৌ কেতিয়া আহিব.......?
আকৌ কেতিয়া আহিব......?
গোলাপৰ কলিবোৰ
শান্তিৰ ফুল হৈ ফুলিব ! শান্তি আনিব, আকৌ কেতিয়া আহিব !!!

## তুমি কোন?

*শ্ৰী সুদেষ্ণা চৌধুৰী*
*স্নাতক দ্বিতীয় বৰ্ষ*

হৃদয় বীণাত ঝংকাৰ তোলা
কোন তুমি মহাশ্বেতা?
মন ফুলনিত মধুপান কৰা
কোন দেশৰ পখিলা?
মোৰ আত্মা শিহৰিত কৰা
কোন দিশৰ মলয়া?
সংঘাত জৰ্জৰিত জীৱনত উদিত
বহু সাধনাৰ প্ৰেৰণা
মোৰ বহু আকাংক্ষাৰ আশাৰ
প্ৰাণৰ স্পন্দন তুমি
সৰগৰ মোহনীয়া পৰী,
চিত্ৰ বিচিত্ৰ সাজেৰে
ফুল কোমল সুষমাৰে
থৌকি বাথৌ কৰা
কোন তুমি বাৰু কোৱা!!! □



## মোৰ জীৱনৰ জয়গান

*শ্ৰী পাপৰি বৰগোহাঁই*
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

মোৰ মানস দৃষ্টিৰ বিশাল পৰিধিত
ক্ষুদ্ৰ কেন্দ্ৰ মাথো মানসিকতা,
আশা-আকাংখাৰ অন্তৰালত আঁকি দিয়া হেজাৰ ব্যাসাৰ্দ্ধৰ
গতিবেগ মাত্ৰ মোৰ অন্তিমৰ প্ৰৱণতাত।
যি দেশেৰে মই যাওঁ মোৰ সংগ্ৰামৰ
অমিয়াভৰা স্থিতি আৰু পূৰ্ণতা বিচাৰি,
বাধ্যতাৰ সমাবেশতো মোৰ লক্ষ্যৰ গতি
যোৱা নাই আঁতৰি।
সময় বৃত্তত কেতিয়াবা আশা-নিৰাশাবোৰেই
মোৰ যাত্ৰাৰ নানা ইন্ধন,
যাৰ দহনে ধ্বংস নকৰে
সৃষ্টি কৰে হেজাৰ নতুনৰ।
যদি কেতিয়াবা মোৰ যাত্ৰাৰ মনে ইন্ধন শূন্যতাৰ
সন্মুখীন হৈছে, হতাশা পাইছে,
তেনে হতাশ গ্ৰস্ততাৰ সুযোগতেই মোৰ
আবেগিক মানসিকতাই সৃষ্টি কৰিছে হেজাৰ প্ৰেৰণাৰ।
মোৰ অচল পাখি আৰু ক্ষুদ্ৰ তুলাচনীৰ সান্নিধ্যত
মই আহিছিলো বাবেই আহি আছো,
যোৱাৰ পথেৰেই যাবলৈ প্ৰেৰণা বিচাৰো।। □





## সংকল্প

*শ্ৰী হিমাক্ষী ডেকা*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

নীলা আকাশৰ
সেউজ পথাৰৰ
ওপৰেদি উৰি যোৱা
এজাক পক্ষী,
এনেকুৱাই আছিল
মোৰ মৰমৰ সোণৰ অসমখনি।
এতিয়া মাথোঁ
ই হৈ পৰিছে
এক সুমধুৰ কল্পনা।
বৰ্তমান অসমত আছে মাত্ৰ
বাৰুদৰ ধোঁৱা,
অনাথ শিশুৰ ক্ৰন্দন,
কেচাঁ তেজৰ গোন্ধ।
কোনেনো কৰিলে এই অসমখনিক
একো একোটা শ্বাসৰুদ্ধ প্ৰহাৰ,
এই হিংসা, এই ধ্বংস, এই সন্ত্ৰাস
কোনেনো দূৰ কৰিব
এই অসমখনিৰ পৰা।
এই সকলোবোৰ হিংসাৰ পথ
আমিয়েই দূৰ কৰিব লাগিব,
এই সকলোবোৰ আঁতৰাই নিকা সমাজ
আমিয়েই গঢ়িব লাগিব,
প্ৰলয়ঙ্কৰী অতীত বিভীষিকাক
সমুদ্ৰৰ অটল গৰ্ভত বিলীন কৰি
নতুনত্বৰ বীজ
আমিয়েই সিঁচিব লাগিব,
লঠঙা বিৱৰ্ণ গছবোৰ
পুনৰুজ্জীৱিত কৰি
উদিত হৈ তেজৰ চেকুৰা নথকা
এটা উদ্দীপ্ত সূৰ্য্য
আমিয়েই গঢ়িব লাগিব।
কিয়নো, আমি যে আই অসমীৰ সন্তান। □



## মোৰ প্ৰেমৰ চকুলো

*শ্ৰী প্ৰণীতা শইকীয়া*
*উঃ মাঃ দ্বিতীয় বৰ্ষ*



তুমি কোন?
মই নাজানো
তুমি আছিলা মোৰ হৃদয়ত
মই নজনাকৈ
এটি অবুজ ভাষা হৈ,
গোপনে হৃদয়ৰ কোঁহে, কোঁহে
তুমি আছিলা।
শৰীৰৰ প্ৰত্যেক শিৰা-উপশিৰাই।
তুমি বৈ গৈছিলা
এখনি নদী হৈ
সেউজীয়া সপোন তুমিয়েই ৰছিছিলা
মোৰ নয়ন প্ৰান্তত
কিন্তু অজানিতে কিয়
ফাগুণৰ প্ৰচণ্ড ধুমুহা হৈ গলা
শাওঁনৰ বাৰিষাৰ সৃষ্টি কৰিলা
মোৰ দুচকুত।
কোনে বাৰু উদঙাই চাব
সৰাপাতে ঢাকি থোৱা,
দুশাৰী শিলৰ মাজেৰে বৈ থকা
হৃদয়ৰ উপত্যকা নিজৰা
মোৰ অন্তশীল প্ৰেমবোৰ। ❑

## ধুমুহা

*শ্ৰী পিংকী দাস*
*উঃ মাঃ প্ৰথম বৰ্ষ (কলা)*

দেখিলো এদিন এজাক প্ৰচণ্ড ধুমুহাই
আহিছে আগবাঢ়ি মৌলৈ চাই চাই,
জীৱনটোক যে ৰাখিবৰ উপায় নাই
নাহিবা নাহিবা আৰু আগুৱাই।
ৰচিছিলো বহু সপোন জীৱনক লৈ
জীৱন নদীত আকৌ আহিম মই
ৰচিছিলো এইবোৰ মিছাই মই
নাহিবা নাহিবা আৰু আগুৱাই।
জীৱন বনত সুৰীয়া বাঁহীটি বজাই
গাথিছিলো মালা ধাৰি
আশাৰ ফুলেৰে সজাই
আশা বকুলৰ মালাধাৰী গল যে শুকাই
নাহিবা নাহিবা আৰু আগুৱাই।
কান্দিছো উচুপি অভাগন মই
ইমান নিৰ্দয়া হোৱা কিয় চেনাই
পৰিবনে জুৰ অৱসান হ'লে মই
নাহিবা নাহিবা আৰু আগুৱাই। ❑





# TEACHING

*............... A profession of my choice*

*Dr. Sarbananda Das*
*Principal*

From time immemorial, teaching has been regarded as a noble profession. Inspite of advancement and discoveries of many electronic teaching techniques, the importance of teachers in education has hardly been diminished.

Of course, in the new scenario of education system, inefficient teachers are easily singled out and outright rejected by the highly ambitious students-the real judges of the former.

An ideal teacher should be endowed with many good qualities like sincerity, punctuality, honesty etc besides a good deal of dedication.

But rapid commercialization prevailing in every sphere of modern life has not spared the teaching community too. The honest teachers get frustrated when they see that even the best products of them are deprived of their dues in respect of employment or other avenues.

Thus the real values of education are not always taken into account and so the persons in pursuit of them encounter a serious setback.. But a dedicated and noble teacher should realize that the wave of deterioration in those spheres of society is quite a temporary one and will subside in the long run and the good will triumph over the bad.

The role of a teacher in guiding the future generation cannot be overlooked. The position of a teacher in our Indian society was next to parents in respect and remains so till now.

Now, to speak for me, none of the above reasons was behind my choice of teaching as a profession. I hail from an economically backward cultivator's family in which no other member was literate. It was the teachers but for whom I would not have been what am I now. In sincere acknowledgement of their selfless care and guidance in building up my future, I vowed to be a teacher, so that I could give a little service to some unfortunate students with family background like mine.

Thus, my aim was to be a teacher per excellence.

But the tragedy is that before reaching my goal of life, the circumstances, have diverted me to , other way, nipping my whole efforts in the bud for good.

On the whole teaching still remains a profession of my choice and I ask my favourite students to follow me when they approach me for advice. ❑

# RELEVANCE OF GANDHI

*Anupam Thakuria*
*Lecturer, Deptt. of Economics*

In a society ravaged by violence and mistrust it's not easy to think of Gandhiji and his non-violent principles. Those unscrupulous and irrational elements donot understand the language of Gandhi. But the truth is that still there are millions of helpless and concerned people who in the heart of hearts cry for the resurgence of a second Gandhi who can bind all of us in the chord of love and brotherhood, who can take away the violence and enmity from our midst and who can help to build a society free from hatred, violence and injustice.

Gandhi is very much relevant in today's world because he had the prescriptions for almost all the socio economic maladies affecting our lives. He was a practical thinker in that he discussed all the issues ranging from production to distribution in economics, wealth and poverty, education, employment development theories and other social isues like war and peace, environment, balance of power etc.

